ডক্টৰ মহেশ্বৰ নেওগ
মানুহ আৰু কাম

শ্ৰীভবপ্ৰসাদ চলিহা
অধ্যাপক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

১৯৭৪
নিউ বুক ষ্টল
গুৱাহাটী, অসম

DOCTOR MAHESWAR NEOG : MANUH ARU KAM, a short account of the life and works of Dr Maheswar Neog, Jawaharlal Nehru Professor of Gauhati University, by Shri Bhabaprasad Chaliha, M.A.(Double), LL. B., and published by New Book Stall, Panbazar, Gauhati-1, Assam, First Edition, January 1974

প্ৰকাশক :

শ্ৰীৰত্ন দত্ত

নিউ বুক স্টল

পাণবজাৰ

গুৱাহাটী-১

অসম

প্ৰথম সংস্কৰণ : জানুৱাৰী ১৯৭৪

বেচ : চাৰি টকা

মুদ্ৰক :

শ্ৰীকালীচৰণ পাল

নৱজীৱন প্ৰেছ

৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

মোৰ একাষাৰ

এই সৰু পুথিখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগদেৱৰ কৰ্মজীৱন আৰু সাহিত্য সাধনাৰ সামান্য আভাস মাত্ৰ দিবৰ প্ৰয়াস কৰা হৈছে। ডক্টৰ নেওগৰ কৰ্মজীৱন ঘটনাবহুল আৰু বিচিত্ৰ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ কৰ্ণধাৰ ডক্টৰ নেওগ অসমৰ প্ৰায়বোৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে ওতপ্ৰোতভাৱে জড়িত থকাৰ উপৰিও কেইবাবছৰো অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু উপসভাপতি হিছাপে, ভাৰতৰ সাহিত্য অকাদমী, সঙ্গীত নাটক অকাদমী, সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলন আদিৰ লেখীয়া বিভিন্ন সৰ্বভাৰতীয় অনুষ্ঠানৰ সদস্য হিছাপে, আন কি ভাৰতৰ বাহিৰতো [illegible]ৰতীয় সংস্কৃতিৰ বাৰ্তাৱহ-হিছাপে কাম কৰি আহিছে। কৃতী অধ্যাপ[illegible] ডক্টৰ নেওগ একাধাৰে কবি, প্ৰবন্ধকাৰ, সমালোচক আৰু গৱেষক পণ্ডিত। উচ্চ স্তৰৰ বৌদ্ধিক চৰ্চা আৰু গৱেষণাৰ কাৰণে আপেক্ষিকভাৱে কম সময়ৰ ভিতৰতে তেওঁ সৰ্বভাৰতীয় পণ্ডিত হিছাপে খ্যাতি অৰ্জন কৰিছে। সাম্প্ৰতিক কালত অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ অধ্যয়ন আৰু গৱে[illegible]ণা কৰি থকাসকলৰ ভিতৰত ডক্টৰ নেওগৰ অৱদানেই আটাইতকৈ বে[illegible]। তেওঁৰ গৱেষণাই ভাষা, সাহিত্য, ধৰ্ম, দৰ্শন, নৃত্য-গীত, চিত্ৰকলা আদি বিভিন্ন ক্ষেত্ৰ সামৰি লৈছে। এতিয়ালৈকে প্ৰকাশিত তেওঁৰ প্ৰায় ডেৰকুৰিখন মৌলিক গ্ৰন্থ, দুকুৰিৰো ওপৰ সম্পাদিত গ্ৰন্থ আৰু কেইবাশও ইংৰাজী-অসমীয়া গৱেষণামূলক প্ৰবন্ধই তাৰেই স্বাক্ষৰ বহন কৰিছে। সম্প্ৰতি ডক্টৰ নেওগ এজন ব্যক্তি হৈ থকা নাই, নানা কাৰ্য আৰু অনুষ্ঠানৰ লগত নিজকে জড়িত ৰাখি আৰু নানাজনক নানাপ্ৰকাৰে দিহা-পৰামৰ্শ দি তেওঁ অকলেই এটা অনুষ্ঠানত পৰিণত হৈছে।

ডক্টৰ নেওগক প্ৰায় চৈধ্য বছৰ কাল আমি লগ পাইছো ; কেৱল লগ পোৱাই নহয়, তেওঁৰ লগত একেলগে কাম কৰিছো আৰু তেওঁক অতি নিবিড়ভাৱে জানিবৰ সুযোগ পাইছো। ভৱিষ্যতে তেওঁৰ জীৱনী এখন লিখাৰ পৰিকল্পনাৰে কেইবছৰমানৰ আগৰেপৰা কিছু কিছু সমলো সংগ্ৰহ

কৰি আহিছিলো। এতিয়াই তেওঁৰ পূৰ্ণাঙ্গ জীৱন-চৰিত এখন লিখাৰ সময় হোৱা নাই যদিও তেওঁৰ প্ৰতিভা আৰু সাহিত্যকৃতিৰ সম্যক মূল্যায়ন আৰু কাৰ্যাৱলীৰ পৰ্যালোচনা কৰিবৰ সময় আহি পৰিছে।

ডক্টৰ নেওগ অসম সাহিত্য সভাৰ অহা মঙ্গলদৈ অধিৱেশনৰ বাবে সভাপতি নিৰ্বাচিত হৈছে। এই উপলক্ষতে অধিৱেশনৰ আগে আগে প্ৰকাশ হোৱাকৈ এই পুথিখনি যুগুতোৱা হ'ল। তেওঁনো এতিয়ালৈকে কি কৰিছে, কি নাই কৰা, তাৰে এটি থূলমূল আভাস দাঙি ধৰাই এই পুথিৰ উদ্দেশ্য। ইয়াত ডক্টৰ নেওগৰ বিভিন্ন কাৰ্যাৱলী আৰু সাহিত্য কৰ্মৰ বহল আলোচনাত প্ৰবৃত্ত হোৱা বৰ্তমান আমাৰ লক্ষ্য নহয়। সেই কাম ভৱিষ্যতে কৰাৰ ইচ্ছা ৰাখিছো।

পুথিখন যুগুতাওঁতে, বিশেষকৈ ডক্টৰ নেওগৰ আগ-জীৱনৰ বিষয়ে সমল বিচাৰি কেইবাজনো ব্যক্তিৰ কাষ চাপিব লগা হৈছিল। সিসকলৰ ভিতৰত ডক্টৰ ৰবীন্দ্ৰনাথ হাজৰিকা, শ্ৰীসত প্ৰসাদ বৰুৱা, শ্ৰীনৰেন্দ্ৰনাথ শৰ্মা, শ্ৰীমতী ডলী তালুকদাৰ আৰু শ্ৰীসোণে[illegible] টাৱাৰীৰ নাম উল্লেখযোগ্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডক্টৰ মুকুন্দমাধৱ [illegible]া আৰু ডক্টৰ সত্যনাৰায়ণ ৰথেও এই কামত আমাক যথেষ্ট সহায় কৰিছে। ডক্টৰ নেওগদেৱকো ইটো-সিটো সুধি বহুতো আমনি কৰিছো। তেখেত সকলোটিৰে ওচৰত আমি কৃতজ্ঞ। শ্ৰীমতী নন্দিতা চলিহায়ো এই কাৰ্যত নানাভাৱে সহায় কৰি দি শলাগৰ ভাগী হৈছে।

নিউ বুক ষ্টলৰ অমায়িক স্বত্বাধিকাৰী শ্ৰীৰত্নেশ্বৰ দত্ত ডাঙৰীয়াই পুথিখনৰ প্ৰকাশৰ দায়িত্ব লৈ আমাক উৎসাহিত কৰিছে। নৱজীৱন প্ৰেছৰ গৰাকী শ্ৰীকালীচৰণ পালদেৱে অতি কম সময়ৰ ভিতৰতে পুথিখন ছপাই দিছে। তেখেত দুয়োজনৰে আন্তৰিক শলাগ লৈছো।

৮৪, বিশ্ববিদ্যালয় টোল
গুৱাহাটী-১৪
২০ জানুৱাৰী ১৯৭৪

ভৱপ্ৰসাদ চলিহা

নিজকে এবাৰ ঘূৰাই চাবৰ কাৰণে
ডক্টৰ মহেশ্বৰ নেওগদেৱৰ হাতত শ্ৰদ্ধাৰে

বিষয়-সূচী

ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ ৯

পাতি-পইছাটীয়া ল'ৰা ১৭

পঢ়া-শুনা কৰে যেয়ে ২২

প্ৰাগ্‌জ্যোতিষৰ জেউতিৰ মাজত ২৭

ইস্কুলে ইস্কুলে ৩০

জিলিকাব লুইতৰে পাৰ ৩৫

স্নাতকোত্তৰ মহলাত অধ্যাপনা ৪১

সাহিত্য-সভা সাহিত্য-সভা ৪৭

অসমৰপৰা সৰ্বভাৰতীয় ক্ষেত্ৰলৈ

সাহিত্যৰ ভঁৰাললৈ এমুঠি লখিমী

তত্ত্বচৰ্চা-গৱেষণা ৭৮

মানুহজনৰ ওচৰ চাপি ৮৯

পুনশ্চ ৯৯


নেওগৰ সৰু-বৰ ভাল-বেয়া কিতাপ-ফলি [illegible] হিছাপ-কিতাপ ১০৪

চিত্ৰ-সূচী

প্ৰচ্ছদ : শ্ৰীমহেশ্বৰ নেওগ, ১৯৪৮

মুখ-ছবি : পণ্ডিত জৱাহৰলাল নেহৰু আৰু ভৱিষ্যতৰ জৱাহৰলাল নেহৰু অধ্যাপক, ১৯৫৮

ভিতৰত : ডক্টৰ নেওগ, ১৯৭৩



ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ

বুৰঞ্জী-প্ৰসিদ্ধ নগৰ শিৱসাগৰ। আহোম স্বৰ্গদেউসকলৰ ছশ বছৰীয়া ৰাজত্বকালৰ ৰাজধানী এই শিৱসাগৰ, যাৰ যশ-কীৰ্তি ইতিহাসে আজিও বিড়িয়াই ক'ব লাগিছে। এই ঐতিহ্য-মণ্ডিত শিৱসাগৰ নগৰৰে এচুকত এখনি সৰু গাঁও—নাম কমাৰফদীয়া, ডিম্বেশ্বৰ আৰু মহেশ্বৰ, এই নেওগ ভ্ৰাতৃদ্বয়ৰ জন্মস্থান। দিখৌৰ পাৰৰ এই এখুদমান গাঁওখনি আকাৰত সৰু হ'লেও গৌৰৱত কিন্তু মহতোমহীয়ান। এটি বিতে[illegible] গীতি-কবিতাই এই গাঁও-খনিৰ গৌৰৱ সাহিত্যত যুগমী[illegible]ৰি ৰাখিলে। সেয়া কবি ডিম্বেশ্বৰ নেওগৰ 'মোৰ গাঁও' ক[illegible]। নিজৰ জন্মস্থান কমাৰ-ফদীয়াৰ অতীত ঐশ্বৰ্যৰ কথা সুঁৱৰি কবিয়ে আবেগভৰা সুৰেৰে গাইছে, "কমাৰফদীয়া সেই : সৰু গাঁওখনি মোৰ : ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ"। ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ এই দিখৌপৰীয়া সৰু গাঁওখনি একালত বিদ্যাচৰ্চাৰ এক বিশেষ কেন্দ্ৰ হৈ পৰিছিল। ইয়াতে দূৰ গাঁৱৰ বিদ্যাৰ্থী ছাত্ৰসকলে সৰু সৰু মেছ সাজি তাতে থাকি শিৱসাগৰৰ উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়িছিল। সেয়া উনবিংশ শতিকাৰ শেহৰকেইটি দশকৰ কথা। উল্লেখযোগ্য যে মেছবাসী সেই ছাত্ৰসকলৰ অনেকেই পাছলৈ বিখ্যাত হৈ সমাজত প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁলোকৰ ভিতৰত বলিয়াঘাটৰ তিৰু কাকতীৰ ঘৰৰ লক্ষ্মীনাথ মুন্সিফ, যোৰহাটৰ সভাৰাম বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালাৰ শহুৰেক গোলাঘাটৰ দণ্ডধৰ বৰুৱা, ছুতিৰাম বৰুৱা খাজাঞ্চিৰ তিনি ভায়েক সৰ্বানন্দ, স্বৰূপানন্দ আৰু পূৰ্ণানন্দ (এওঁৰ নামেৰে ডিব্ৰুগড়ৰ পূৰ্ণানন্দ ৰোড হৈছে), চাওখাত মৌজাৰ মৌজাদাৰ

ডিম্বেশ্বৰ বৰুৱা, যজ্ঞোৰাম ছুলীয়া বৰুৱা আদি প্ৰধান। তেওঁলোকৰ মাজৰে লক্ষ্মীনাথ কাকতীয়ে ১৮৭০ চনমানত তাতে Kamarphadia Young Company নামৰ এটা ডেকা ল'ৰাৰ অনুষ্ঠান গঠন কৰিছিল। কাকতীৰে ভাগিন আৰু 'ভ্ৰমৰঙ্গ' নাটকৰ এজন ৰচয়িতা বৰকাকতীয়েও এই দলত যোগ দিছিলগৈ। মেট্‌চিনিৰ যুৱক ইতালী কিম্বা বঙ্গদেশৰ 'যুৱা বাঙ্গলা'ৰ আৰ্হিতে বোধ হয় কমাৰফদীয়া ইয়ং কোম্পানী গঠিত হৈছিল।

গোলাঘাটৰ দণ্ডধৰ বৰুৱা ছাত্ৰ-জীৱনৰ পাছৰ ছোৱা কালতো বহুদিন কমাৰফদীয়াত আছিল আৰু তেওঁৰ বৰ জীয়েক মুক্তাৱলী (চন্দ্ৰকুমাৰ আগৰৱালাৰ পত্নী), পুতেক জজ যোগেন্দ্ৰনাথ বৰুৱা আৰু বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ ৰাজেন্দ্ৰনাথ বৰুৱা কমাৰফদীয়াতে ডাঙৰ দীঘল হৈছি[illegible]। দণ্ডধৰ বৰুৱাৰ বাৰীৰ একাংশতে কমাৰফদীয়া নামঘৰ প্ৰতি[illegible]ছিল। এই নামঘৰটি এসময়ত ধৰ্মচৰ্চাৰ বিশেষ কেন্দ্ৰস্বৰূপ[illegible]আছিল। সেই সময়ত কলিকতাত ব্ৰাহ্ম সমাজৰ নব্য আন্দোলনৰ পূৰ্ণ পয়োভৰ। অসমতো ইয়াৰ প্ৰচাৰ বাৰুকৈয়ে চলিছিল। বেজবৰুৱাই তেওঁৰ জীৱন-সোঁৱৰণত এই বিষয়ে বহলাই বৰ্ণনা কৰিছে, কেনেকৈ তেওঁৰ ল'ৰাকালত কলিকতাৰ বাগ্মীবৰ ৰামকুমাৰ বিদ্যাৰত্নই শিৱসাগৰত আন কি অসমৰ প্ৰায়বোৰ চহৰতে ব্ৰাহ্মধৰ্মৰ বিষয়ে বক্তৃতা দি ফুৰিছিল। এবাৰ কমাৰফদীয়া ইয়ং কোম্পানীয়ে ব্ৰাহ্মধৰ্মৰ বিষয়ে কথা শুনিবলৈ সেই পণ্ডিত-প্ৰৱৰক কমাৰফদীয়া নামঘৰলৈ মতাই আনিছিল। পণ্ডিতে সেইদিনা অনুষ্ঠিত বিৰাট সভাত ব্ৰাহ্মধৰ্মৰ মহত্ত্ব বখানি উচ্চৈঃস্বৰে বক্তৃতা দিছিল। পিছে তেওঁৰ বক্তৃতাৰ অন্তত আমাৰ ডিম্বেশ্বৰ বৰুৱা আৰু লক্ষ্মীনাথ কাকতীয়ে 'কীৰ্তন-ঘোষা'ৰ কেইফাকিমান পদ সুৰ লগাই গাই তাৰ অৰ্থ ভাঙি শুনোৱাত বিদ্যাৰত্ন মহাশয় আৰু তেওঁৰ সতীৰ্থসকলে শঙ্কৰ-মাধৱৰ প্ৰচাৰিত ধৰ্মমত অতি উত্তম আৰু ওখ ভাৱৰ বুলি মুক্তকণ্ঠে স্বীকাৰ কৰিবলৈ

বাধ্য হয় আৰু অবিলম্বে সেই স্থান পৰিত্যাগ কৰে। এই ঘটনাৰ পিছৰেপৰা অসমত ব্ৰাহ্মধৰ্মৰ প্ৰচাৰ প্ৰায় বন্ধ হৈছিল বুলিব পাৰি।

ডিম্বেশ্বৰ নেওগৰ 'মোৰ গাঁও' কবিতা আৰু তেওঁৰে 'বিহুৱতী' নামৰ কবিতা তিনিটাত প্ৰাচীন কমাৰফদীয়াৰ শান্তিময় প্ৰাকৃতিক ৰূপ আৰু প্ৰীতিপূৰ্ণ গাঁৱলীয়া জীৱনৰ স্বাভাৱিক সৌন্দৰ্য অতি নিটোলভাৱে চিত্ৰিত হৈছে। সমুখৰ গহীন দিখৌ নৈ, পিছফালে অদূৰৰ লাহী কঁকালেৰে দৰিকা নৈ। মাজত এফালে ৰজাবাৰী পথাৰ, য'ত ডেকা-গাভৰুহঁত বিহু মাৰি মতলীয়া হৈছিল—এই সকলোবোৰ বৰজন নেওগৰ কবিতাকেইটিত মনোৰমভাৱে মূৰ্ত হৈ উঠিছে। তেওঁ নিজেই অন্য এঠাইত সুঁৱৰিছে, "মোৰ ল'ৰাকালত তিনি চাৰিকুৰি ঘৰ মানুহেৰে ই এখন বৰ ভৰ গাঁও আছিল আৰু বিয়া-সবাহ, ভোজ-ভা[illegible], ফাকুৱা-হুচৰিৰে চৈতন্যপূৰ্ণ আছিল। সৰহখিনি গিৰিৰে [illegible]ৰী সৰহ নাছিল যদিও অভাৱ-অনাটন বা আকাল আৰু [illegible]াগ-ব্যাধি একো নাছিল। ঘাইকৈ বিহুৰ হুচৰি আৰু জন্মাষ্টমীৰ নাম-কীৰ্তন আদিয়ে মোৰ কুমলীয়া মনত যি পৱিত্ৰ সাঁচ বহুৱাইছিল সি এতিয়াও মচ যোৱা নাই। সুনীল আকাশখনে ঘনে ঘনে বোল সলোৱাৰ দৰে গাঁৱৰ পিছফালৰ সেই বহল পথাৰখনে ছয় ঋতুত যিদৰে বৰণ সলায় আৰু সি মোৰ কৈশোৰ মনত কি প্ৰতিক্ৰিয়া কৰে, মোৰ 'স্বদেশ' আদি কবিতাত তাৰ আভাস আছে। ......ভাদ-মহীয়া তিথি-মহোৎসৱৰ উপৰি জন্মাষ্টমীত গধূলিৰেপৰা পুৱালৈ যি নাম-কীৰ্তন হয় আৰু তাত ভক্তসকলৰ যি প্ৰেম ওপজে, সি এতিয়াও মোৰ কাণত আৰু প্ৰাণত মূৰ্তিমান। উদং কালি সেই মুকলি পথাৰৰ ফালে চাই পঠিয়ালে ধুনীয়া এজাৰ ফুলবোৰৰ শোভা, দক্ষিণ-পূব ফালে তাৰ ওপৰেদি জিলিকা শিৱদোলৰ সোণৰ কলচী, আৰু থাকি থাকি কোন দূৰ-সুদূৰৰপৰা অহা এফাকি কীৰ্তন বা গুণমালাৰ পদ, বা কোনো ডেকা আকুল পথিকৰ এফাকি বিতোপন

বনঘোষা কাণত নপৰি নাথাকে।" কমাৰফদীয়াৰ এইবোৰ অতীত গৌৰৱ কিন্তু কবিৰ চকুৰ আগতে এটি-এটিকৈ অন্তৰ্ধান হ'ল, আজি তাৰ স্মৃতি মাথোন আছেগৈ। কবি গোল্ডস্মিথে তেওঁৰ 'Sweet Auburn' কবিতাত ক'বৰ দৰে These were thy charms—but all these charms are fled.

নেওগ পৰিয়াল কিন্তু আদিৰেপৰা কমাৰফদীয়াত নাছিল। তেওঁলোকৰ আগৰ ঘৰ আছিল কোঁৱৰপুৰ মৌজাৰ অন্তৰ্গত দৰিকাৰ পাৰৰ আমনি আলিৰ কাষৰৰ এডোখৰ ঠাইত। নেওগৰ আগৰ বাৰীৰ ওপৰেই এতিয়া ৰাষ্ট্ৰীয় ৰাজপথ গৈছে। যোৱা শতিকাৰ শেহৰফালে নেওগসকল কোঁৱৰপুৰৰপৰা কমাৰফদীয়ালৈ উঠি আহিল। কি কাৰণত এই স্থান পৰিৱৰ্তন কৰিলে, জানিব পৰা নাযায়। ১৮৫৩ চনৰ এ[illegible]ৰ 'অৰুনোদই' সংবাদপত্ৰত পোৱা যায়, "২৫ মাৰ্চ স্নুকুৰবাৰ[illegible] দুপৰ মানৰ সময়ত কোঁঅৰপুৰ মৌজাৰ ৰতি নেওগ না[illegible]এজন মানুহৰ ঘৰৰ ওচৰতে বান্ধি থোআ খুটিৰ মহৰ মাজত বজ্ৰপাত পাৰি পাঁচজনি ম'হ মৰিল। ৰাতি পুআ মহৰ গৰাকিএ দেখে যে পাঁচোজনি ধৰ হৈ পৰি মৰি আচে; তাৰে এজনিৰ চকু এটা ওলাই নিলগত পৰি আচিল।" এই ৰতি নেওগ বা ৰতিকান্ত নেওগেই বংশৰ প্ৰথম নেওগ। তেওঁলোক আগতে বৰবৰাহে আছিল। ৰতিকান্তৰ পিতৃ কাতিৰাম ৰজাঘৰীয়া বৰবৰা আছিল আৰু আহোম ৰজাই হেনো তেওঁক তামৰ ফলি কৰি মাটি-বৃত্তি দিছিল। এনেতে আহিল ভয়ঙ্কৰ মানৰ দিন, যোৱা শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ মাজ ভাগত। ৰতিকান্ত তেতিয়া ভৰ ডেকা। মানৰ দুৰ্বিসহ অত্যাচাৰত উজনিৰ মানুহ দলে দলে ভটীয়াবলৈ ধৰিলে। সেই সময়তে বৰবৰাসকলো কোঁৱৰপুৰৰপৰা ভাগি গৈ বৰ্তমান নগাঁও জিলাৰ অন্তৰ্গত বছা-দৈয়াঙত ৰ'লগৈ। শিৱসাগৰৰ অনেক লোক আন কি শিৱদ'লৰ পূজাৰিসকলো তালৈকে ভাগি গৈছিল। ইংৰাজে

মানক অসমৰপৰা খেদি পঠোৱাৰ পিছত ১৮৩৪ চনমানত যেতিয়া পুৰন্দৰসিংহ স্বৰ্গদেৱক উজনি অসমৰ ৰজা পাতে, তেতিয়া ৰতিকান্ত কোঁৱৰপুৰলৈ ঘূৰি আহে। তেওঁৰ মুখে বছা-দৈয়াঙত থকা ৰংপুৰীয়া প্ৰজাৰ ভু পাই ৰজাই তেওঁক নেওগ পাতি প্ৰজাখিনি আনি নিজৰ ঠায়ে ঠায়ে পুনঃসংস্থাপন কৰাৰ ভাৰ দিয়ে। এই কামৰ বাবে ৰতি নেওগে ৰজাঘৰত বিশেষ সমাদৰ পাইছিল। তেতিয়াৰপৰা ৰতিকান্ত আৰু তেওঁৰ বংশধৰসকল বৰবৰা গুচি নেওগ হ'ল। মহেশ্বৰ নেওগে তাহানিতে তেওঁৰ সম্পাদিত 'ভক্তি-প্ৰদীপ'ৰ প্ৰশস্তিত ৰতিকান্তৰ কথা এই বুলি সুঁৱৰিছে,

দিখু-নদী-তট-জাত নেওগ ৰতিকান্ত
জাকেৰি ৰঙ্গপুৰ থান।
সৌমাৰ-শেষ-ৰাজা সিং[illegible]পুৰন্দৰ
জাকেৰি ক[illegible]মান।

তেতিয়া ৰতিকান্তৰ ঘৰুৱা অৱস্থা [illegible]ফালে নদন-বদন আছিল। ১৮৫৩ চনৰ ২৫ মাৰ্চত বজ্ৰপাত পৰি[illegible]মৰা পাঁচজনী ম'হৰ লগৰ 'পথাৰ ঢাকি ধৰা নেওগৰ ঘৰৰ ম'হজাক'ৰ কথাই তাকেই প্ৰমাণ কৰে। 'অৰুনোদই' কাকতৰ আগতে উল্লেখ কৰি অহা বাতৰিৰ পৰা জনা যায় যে ১৮৫৩ চনৰ কিছু পিছলৈকে ৰতিকান্ত জীয়াই আছিল আৰু তেতিয়ালৈকে তেওঁ কোঁৱৰপুৰৰ আমনি আলিতে আছিল। তাৰ কিছু পাছত অৰ্থাৎ উনবিংশ শতিকাৰ শেহৰফালে নেওগৰ ঘৰ কোঁৱৰপুৰৰপৰা উঠি গৈ নগৰ-মহল মৌজাৰ কমাৰ-ফদীয়াত বহিল। নেওগৰ ঘৰ বহাৰ আগতে হেনো সেইখন কোনোবা লৰি গোহাঁইৰ বাৰী আছিল। বাৰীৰ চাৰিওফালে আছিল এটা প্ৰকাণ্ড ঢাপ; সেই ঢাপ এতিয়া খহি নাইকিয়া হ'ল। ত্ৰিশ বছৰ মানৰ আগতে তাৰে এটা ঢাপৰ ভিতৰত মাটি খানোতে মামৰে খাই প্ৰায় শেষ কৰা দুটা সৰু হিলৈ ওলাইছিল। ১৯০০ চন মানত অৰ্থাৎ ডিম্বেশ্বৰ নেওগৰ জন্মৰ সময়ত নেওগৰ ঘৰৰ

ঐশ্বৰ্য টুটি প্ৰায় নাইকিয়া হৈছিল আৰু আগৰ 'পথাৰ ঢাকি ধৰা' ম'হজাকৰ অৱশিষ্টৰূপে এটা নে দুটা গোঁৰা ম'হহে আছিলগৈ।

ৰতিকান্ত নেওগৰ নাতি আৰু যজ্ঞোৰাম নেওগৰ পুত্ৰ মাণিকচন্দ্ৰ নেওগ। এওঁৰে দুই পুত্ৰ সুসাহিত্যিক আৰু অসম সাহিত্য সভাৰ দুগৰাকী সভাপতি ডিম্বেশ্বৰ নেওগ আৰু মহেশ্বৰ নেওগ। যজ্ঞোৰাম নেওগৰ অকাল বিয়োগত একুৰি ডেৰকুৰি মানুহৰ যৌথ পৰিয়ালটোৰ দায়িত্ব পুতেক মাণিকচন্দ্ৰ নেওগৰ ওপৰত পৰে। সেয়ে পঢ়া-শুনাৰ প্ৰতি বিশেষ আগ্ৰহ থকা সত্বেও মাণিকচন্দ্ৰ উপযুক্ত শিক্ষা লাভৰ-পৰা বঞ্চিত হ'ল। তদুপৰি ভায়েক লোকনাথক পঢ়ুৱাৰ দায়িত্বও তেৱেঁ ল'ব লগা হ'ল। এই লোকনাথ অৰ্থাৎ লোকনাথ দত্ত নেওগে তেতিয়াৰ থাৰ্ড ক্লাছলৈকে পঢ়ি ডাক বিভাগত সোমায় আৰু পিছত ডিব্ৰুগড় ডাকঘৰৰপৰা পোষ্টমাষ্টৰ হৈ অৱসৰ লয়। উল্লেখযোগ্য যে এওঁ প্ৰথম চামৰ অসমীয়া পোষ্টমাষ্টৰসকলৰ এজন আছিল। উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলেও মাণিকচন্দ্ৰ প্ৰতিভাশালী আৰু বিদ্যোৎসাহী লোক আছিল। দশম-কীৰ্তন-নামঘোষাৰ বহুতো পদ-ঘোষা তেওঁৰ কণ্ঠস্থ আছিল আৰু সেইবোৰ সুৰলাকৈ সুৰ লগাই গাইছিল আৰু আনকো ব্যাখ্যা কৰি শুনাইছিল। চাণক্যৰ শ্লোকবোৰ তেওঁৰ বৰ প্ৰিয় আছিল। তাৰে বহুতবোৰ শ্লোক তেওঁৰ মুখস্থ আছিল আৰু উপযুক্ত প্ৰসঙ্গত সিবোৰৰ উদ্ধৃতি দি মানুহক আমোদ দিছিল আৰু তাৰ দ্বাৰা কেতিয়াবা কাবোবাৰ দোষ-ত্ৰুটিও উদঙাই দিছিল। চাণক্যৰ "মাতা শত্ৰু পিতা বৈৰী……" আদি শ্লোকটো তেওঁ প্ৰায়ে গাইছিল আৰু কেতিয়াবা তাৰ অসমীয়া সংস্কৰণ '(যদি) মাতা, (তেনে তুমি) শত্ৰু, (আৰু যদি) পিটা, (তেনে তুমি) বৈৰী' দি ৰহস্যব্যাখ্যাও কৰিছিল। নিজে উচ্চ-শিক্ষা-লাভৰপৰা বঞ্চিত হ'লেও মাণিকচন্দ্ৰই ভায়েক আৰু পুতেকহঁতক উপযুক্ত শিক্ষা দিয়াত অলপো ত্ৰুটি কৰা নাছিল আৰু তেওঁলোকৰ কাৰণে সকলো কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলৈ ৰাজী আছিল।

পুৱা-গধূলি ঘৰুৱা নানান কামৰ মাজতো তেওঁ নিয়মিতভাৱে পুতেক-হঁতৰ পাঠ লৈছিল। দৰাচলতে সেই সৰুকালতে দেউতাকে দিয়া শিক্ষাই নেওগ ভ্ৰাতৃদ্বয়ৰ ভাবী জীৱনৰ শিক্ষা আৰু সাহিত্য-চৰ্চাৰ ভেটি সুদৃঢ় কৰি দিছিল। মাণিকচন্দ্ৰ নেওগৰ পত্নী চন্দ্ৰপ্ৰভা দেৱী এগৰাকী সুশীলা আৰু ভক্তিমতী নাৰী আছিল। চন্দ্ৰপ্ৰভাৰ পিতা-দেৱেক লম্বোদৰ হাজৰিকা জ্যোতিষশাস্ত্ৰত সুপণ্ডিত আছিল। চন্দ্ৰপ্ৰভা আছিল ঘৰৰ বৰজীয়ৰী। তেওঁৰ চাৰি ভায়েকৰ ভিতৰত তিনিজনে সামাজিক জীৱনত বিশেষ সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বৰ ভায়েক নিত্যানন্দ হাজৰিকাই শিৱসাগৰ কাছাৰীৰপৰা চিৰস্তাদাৰ হৈ অৱসৰ লয়। যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ বৰ্তমান পশু-বিজ্ঞানৰ ডিন্ আৰু এসময়ৰ অস্থায়ী উপাচাৰ্য ৰবীন্দ্ৰনাথ হাজৰিকা তেওঁৰে কনিষ্ঠ পুত্ৰ। চন্দ্ৰপ্ৰভাৰ তৃতীয় ভায়েক প্ৰেমধৰ হাজৰিকা আছিল অধিবক্তা। কিন্তু তিনিওৰে ভিতৰত দক্ষতম আছিল সৰু ভায়েক থানেশ্বৰ হাজৰিকা, ডলী তালুকদাৰৰ দেউতাক। তেওঁ পঢ়াত মেধাৱী হোৱাৰ উপৰিও সাহিত্য-প্ৰতিভাৰো অধিকাৰী আছিল। তেওঁৰ 'দীন-দুখী' আৰু 'গোহাঞি গাভৰু' যথাক্ৰমে ভিক্টৰ হিউগোৰ *Les Miserables* আৰু কেম্পবেলৰ 'Lord Ullin's Daughter'-অৰ সাৱলীল অসমীয়া ভাঙনি। এই দুটি ৰচনাই হাজৰিকাক অসমীয়া সাহিত্যত অমৰ কৰি ৰাখিব। তেওঁ নিজে ৰচা 'বিহুৱান'ক বহুতে লোকগীত বুলিয়েই ভুল কৰে। 'দুৰ্গা-পূজা'ৰ লেখীয়া ভালেকেইটা চুটি গল্পও তেওঁ লিখিছিল, যাৰ ৰচনা-ভঙ্গীত বিশেষ মৌলিকত্ব দেখা যায়। তদুপৰি হাজৰিকাই বিভিন্ন ছদ্মনামেৰে লিখা ভালেমান ৰচনা চিনাক্তকৰণৰ অভাৱত আজি লুপ্তপ্ৰায়। সেইবোৰ উদ্ধাৰ কৰিব পাৰিলে ভাল বস্তু হ'লহেঁতেন। চন্দ্ৰপ্ৰভা দেৱী বৰ গুণী আৰু অমায়িক ধৰণৰ আছিল আৰু সুখে-দুখে সকলো সময়তে তেওঁৰ মধুৰ হাঁহিটো মুখৰপৰা নুগুচিছিল। সেয়ে তেওঁ সকলোৰেপৰা সমানে আদৰ আৰু শ্ৰদ্ধা আদায় কৰিব পাৰিছিল।

চন্দ্ৰপ্ৰভাই বিধে বিধে আই-নাম, বিয়া-নাম, গোসাঁই-নাম, গোপিনী-নাম বৰ ৰাহ লগাই গাব পাৰিছিল, যিটি গুণ তেওঁৰ বৰজীয়ৰী আইকণে উত্তৰাধিকাৰসূত্ৰে যেন লাভ কৰিছিল। আইকণৰ সুৰদি-সুৰীয়া বিয়া-নাম সকলোৰে প্ৰশংসাৰ বিষয় আছিল। মাণিকচন্দ্ৰ আৰু চন্দ্ৰপ্ৰভাই ভালেকেইটি সন্তানৰ মুখ দেখিছিল যদিও বয়সলৈ আইকণ, বাপুকণ (ডিম্বেশ্বৰ), অকণ (মহেশ্বৰ), আৰু চিকণহে (মোক্ষেশ্বৰ) জীৱিত আছে বা আছিল।

পাতি-পইছাটীয়া ল'ৰা

আইকণ আৰু বাপুকণৰ পিছত আৰু দুটি কন্যা আৰু এটি পুত্ৰসন্তান মাণিকচন্দ্ৰ আৰু চন্দ্ৰপ্ৰভাৰ জীৱনলৈ আহিছিল। কিন্তু এটি এটিকৈ তিনিওটিকে সৰুতে যমে মাৰি নিছিল। এই কথাই মাক-দেউতাকৰ মনত মহা আতঙ্কৰ সৃষ্টি কৰিছিল। সেয়ে এইবাৰ অকণৰ জন্ম হওঁতে ল'ৰা মাৰি নিয়া যমে যাতে তেওঁক বিচাৰি নাপায়, তাৰ ব্যৱস্থা আগতেই কৰি পেলাইছিল। ওপজাৰ লগে লগেই অকণক এটা পাতি-পইছা টৈ চাহুৰী (সাদৰী ?) নামে মানুহ এজনীত বেচি দিয়া হৈছিল অর্থাৎ সেই দিনাৰপৰা তেওঁ মাণিক নেওগৰ ল'ৰা গুচি চাহুৰী[illegible]া হ'ল আৰু যমৰ অস্পৃশ্য হ'ল। এতিয়া আৰু যমে নিয়ে কে-[illegible]ক! এইদৰে জানিবাঁ ছদ্ম কৰি যমৰ হাতৰপৰা ল'ৰাটিক ৰখা হ'ল। নহ'লেনো আজিলৈকে টিঘিল্‌ঘিলাই থকা অকণ ওৰফে মহেশ্বৰ নেওগক ক'ত পালো-হেঁতেন চাগে। ধন্য লোক-সংস্কাৰ! ভাৰতীয় লোকে যমক সৃষ্টি কৰিলে। সেই যমে আকৌ ল'ৰা মাৰিবলৈ শিকিলে। গতিকে যমক ফাঁকি দিয়াৰ কি অদ্ভুত উপায় উলিয়াই লোৱা হ'ল! বঙ্গদেশতো বোলে এককড়ি, দুইকড়ি, তিনকড়ি, পাঁচকড়ি নাম দি কেঁচুৱাক যমৰ অস্পৃশ্য কৰি ৰখা হয়। এই নামবসকলক কড়ি লৈ বেচি দিয়া হয় আৰু পিছত কড়ি দি কিনে। নেওগৰ বোলে এতিয়াও মনত আছে কেনেকৈ তেওঁৰ চাহুৰী আয়েকে মাজে মাজে আহি নিজৰ পোনা-পোৱালিটিক চাই যায়, ওমলাৰ লগ হয়হি, কেতিয়াবা হয়তো চাৰিটা হাঁহৰ কণিকে আনি দিয়েহি। নেওগৰ আই-দেউতাক আউনিআটীৰ শিছ, মহাপুৰুষীয়া বৈষ্ণৱ, চৰুলৈ কণি

নিনিয়ে। গতিকে ল'ৰাই বাহিৰতে ধান-খেৰৰ জুমুধিত সুমুৱাই পুৰি খায়। পোৰোঁতে কেতিয়াবা কণি ঢপ কৰে ফুটি চিটিকি পৰে। তেতিয়া হঁহা-কন্দা হয়! এইদৰে চাৰিফালৰ মৰম-চেনেহতে ল'ৰা ডাঙৰ-দীঘল হয়। তাৰ বহু দিনৰ পিছত মাক-দেউতাকে পাতি-পইছা এটা দি ল'ৰাটিক চাহুৰী আয়েকৰপৰা কিনি লোৱাতহে তেওঁ আকৌ নেওগৰ বংশলৈ উঠিল। অলপতে নেওগৰ বন্ধু এজনে কথাৰ মাজতে নেওগক কৈছিল, "আপুনিনো এইদৰে দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ কাম কৰি আপোনাৰ লাখটকীয়া জীৱনটো চুটি কৰিছে কেলেই?" নেওগে তপৰাই উত্তৰ দিছিল, "এ, ক'ত পালে মোৰ জীৱনটো লাখটকীয়া বুলি! মোৰ দাম মোৰ জন্মৰ লগে লগেই বন্ধা হৈ গৈছে এক পাতি-পইছাত। মোৰ মূল্য এক পইছাহে।" সেইদিনাই তেওঁৰ পইছাটীয়া জীৱনৰ কাহিনীটো তেওঁৰ মুখেই শুনিবলৈ পা[illegible]লা।

নেওগৰ ককাক যজ্ঞো[illegible]নেওগে দুগৰাকী বিয়া কৰাইছিল। ডাঙৰগৰাকীৰ পুত্ৰ মাণি[illegible]দ্ৰ আৰু সৰুগৰাকীৰ লোকনাথ। নেওগে সৰুগৰাকী আইতাককহে পাইছিল। বৰ মৰম কৰিছিল আইতাকে। মাণিক নেওগৰ তিনিটিকৈ সন্তানৰ অকাল বিয়োগে ঘৰখনলৈ যি দুখৰ ছাঁ নমাইছিল, অকণৰ আগমনে সেই দুখ বহু পৰিমাণে লাঘৱ কৰিছিল। তেওঁ সকলোৰে আদৰৰ ধন হৈ পৰিছিল। মাক-দেউতাকতকৈও এইগৰাকী আইতাকেই তেওঁৰ লালন-পালন কৰিছিল বেছি। নেওগ সৰুৰেপৰাই অলপ নিশকতীয়া আৰু দুৰ্বল স্বাস্থ্যৰ আছিল। সেয়ে আইতাকে সদায় গোসাঁই-ঘৰত শলিতা জলাই নাতিয়েকৰ মঙ্গলৰ কাৰণে প্ৰাৰ্থনা কৰে। নাতিনিয়েকেও এদিনো খতি নকৰাকৈ আইতাকৰ লগতে গোসাঁই-ঘৰত সেৱা কৰেগৈ। গোসাঁইৰ থাপনা বাইদেৱেক আইকণে বোৱা তাত ফুলাম কাপোৰেৰে ঢকা। মাজতে ঘোষাৰ মনোমোহাকৈ লিখা আছিল 'Thou art O God! life and light.' অক'মানি

নেওগে সদায় থাপনা-মুৱা হৈ গোসাঁইক সেৱা কৰে। গোসাঁয়ে কিন্তু এদিনো তেওঁক দেখা নিদিয়ে। এদিন জোনাকী-পাটীত বহি সাধুকথা শুনাৰ মাজতে আইতাকক সুধিলে, "আইতা, আমি-যে সন্ধিয়া হ'লেই হাত-ভৰি ধুই গোসাঁইক সেৱা কৰোঁগৈ, গোসাঁয়েনো ওলাই দেখা নিদিয়ে কিয়? সেৱা কৰোঁহে কৰোঁ, এদিনো ওলাব নাপায়নে? কাহানিবা মই হ'লে গোসাঁইক কাপোৰত ধৰি চোচোৰাই আনিম, চোচোৰাই আনিম, তেতিয়া তেওঁ গম পাবহে।" ল'ৰাৰ কথা শুনি আইতাক বিচূৰ্তি হ'ল। সেইদিনায় আইতাকে গোসাঁইজননো কেনে, তেওঁ ক'ত থাকে, কেনেকৈ তেওঁক দেখা পোৱা যাব, সকলো কথা ভাঙি-পাতি কোৱাতহে নাতিনিয়েকৰ-পৰা ৰক্ষা পালে। সেইদিনা আইতাকে ঈশ্বৰ সম্পৰ্কে নেওগৰ কুমলীয়া মনত যি সাঁচ বহুৱালে সি আ[illegible]জিও মচ যোৱা নাই। সেয়ে কুৰি শতিকাৰ প্ৰান্তৰতো নেওগে[illegible]ইৰ গাৰ কাপোৰ আঁতৰাব-পৰা নাই। নেওগৰ ল'ৰাকালৰ [illegible] মোহনীয় ঘটনাটো কবি ডিম্বেশ্বৰ নেওগৰ 'থাপনা' কাব্যৰ অ[illegible]র্গত 'থাপনা' নামৰ দীঘলীয়া কবিতাটিত অতি মনোৰমভাৱে চিত্ৰিত [illegible]ছে। আন এদিনৰ কথা। আইতাক যথেষ্ট বুঢ়া হৈছিল, কাণেৰেও শুনিছিল কম। এদিন সন্ধ্যা বেলিকা তেওঁ চোতাল আঁতাই থাকোঁতে বাঁহ-খৰিৰ জুই ফোঁ ফোঁ কৰি ৰু-ৰুৱাই জলি উঠিল। সেই ঘটনাটোকে আমাৰ মানুহে 'জুয়ে হঁহা' বোলে। নেওগেও চিঞৰি আইতাকক জান দিলে, "আইতা, আইতা, জুয়ে হাঁহিছে, জুয়ে হাঁহিছে।" আইতাক লৰি ভিতৰ সোমাল—আন কিবাটো ভয় কৰি। কিন্তু জুই সাধাৰণভাৱে জলি থকা দেখি খং কৰিলে। ল'ৰাকালৰ এনেকুৱা এশ এটা ঘটনাৰ স্মৃতিয়ে বুঢ়া বয়সত অপাৰ আনন্দৰ সমল যোগায়। মাক-দেউতাকতকৈও আইতাকহে নেওগৰ ল'ৰাকালৰ প্ৰধান সঙ্গ আছিল। জোনাক ৰাতি চোতালত ঢাৰি-পাটী পাৰি বহি আন দহোটা ল'ৰা-ছোৱালীৰ সৈতে ওমলে, "জোনবাই এ, বেজি এটি

দিয়াঁ” বুলি জোনবাইৰে কথা পাতে। আইতাকে তামোলৰ বটাটো লৈ কাষতে বহি নাতিনিয়েকহঁতক ৰামায়ণ-মহাভাৰতৰ সাধু শুনায়; এইদৰে ভাত নোহোৱালৈকে ল'ৰাহঁতক টোপনি নোযোৱাকৈ ফুচুলাই ৰাখে। ভাত হ'লে আইতাকেই কাৰৈ-কান্ধুলি মাছৰ কাঁইট গুচাই ভাত খুৱাব লাগে।

নেওগসকলৰ ঘৰৰ সমুখতে দিখৌ নৈ। নেওগ সৰুটিৰেপৰা দেউতাকৰ সৈতে সদায় দিখৌ নৈত গা ধুবলৈ যায়। খৰালি দিখৌ নৈৰ মন-প্ৰাণ হৰি নিয়া প্ৰাকৃতিক সৌন্দৰ্যই তেওঁক বিভোল কৰে। নেওগৰ ভাবী কবি-মনটোত তেতিয়াই প্ৰকৃতিয়ে গভীৰভাৱে ৰেখা-পাত কৰে। ককাইদেৱেক ডিম্বেশ্বৰ নেওগ তেওঁতকৈ ষোল-সোতৰ বছৰে ডাঙৰ। তেওঁ তেতিয়া কটন কলেজৰ ছাত্ৰ। গৰমৰ বন্ধত, পূজাৰ বন্ধত ঘৰলৈ আহে। ককায়েক আহিলে ভায়েকক পায় কোনে? নেওগে নিজেই এ[illegible] লিখিছে, “দাদা তেতিয়া কলেজত। মাজে মাজে আমাৰ কথা চি[illegible] লিখে, আমালৈ মৰম আৰু মৰমৰ চিন পঠিযায়। পূজাৰ বন্ধ[illegible]াহোঁতে আমাৰ মহা উছৱ মিলে। সেই সময়ত দিখৌ নৈত ন[illegible]ৰি-বাট মাছৰ উজান উঠে। কেতিয়াবা এজাকমান জাকি মাৰি বালিত পৰেহি। পলৈয়াবিলাকে পল মাৰি মাছ ধৰে। দাদা আহিব বুলি মাছৰ জাউৰি উঠাৰ দৰে আমাৰো কুমলীয়া মনত আনন্দৰ জাউৰি উঠিছিল। তাতে দাদাই মোক বৰ মৰম কৰিছিল—বৌ, দেউতাতকৈও।” বাইদেৱেক আইকণৰ বিয়াৰ সময়ত নেওগ ছমহীয়া কেঁচুৱা। ভিনিহিয়েকে পিছত মাজে মাজে কয় “মই আইক সেৱা কৰোঁতে তুমি কোলাতে কেওঁ কেওঁ কৰি কান্দি আছিলা।” বাইদেৱেকৰ ঘৰলৈ চৈধ্য মাইল মান বাট। এইছোৱা বাট প্ৰায়ে গৰুৰ গাড়ীৰে যাব লাগিছিল। চৈ লগোৱা গৰুৰ গাড়ীৰ ভিতৰত ধান-খেৰ আৰু পাটী পাৰি তাত উঠি ভিনিহিয়েকৰ ঘৰলৈ যোৱাৰ আনন্দ বহুদিনলৈ উপভোগ কৰিছিল। বৰ ভাগিনিয়েক দেৱেন। নেওগতকৈ অলপ দিনৰ মাত্ৰ সৰু।

গতিকে তেৱোঁ নেওগৰ ল'ৰাকালৰ ধেমালিৰ লগ হৈছিল। নেওগ সৰুৰেপৰা দুৰ্বল শৰীৰৰ আছিল। কিন্তু ৰং-ধেমালিৰ সময়ত কোনেও তেওঁক চেৰাব নোৱাৰিছিল। সেয়ে মাকে এদিন কৈছিল, “এওঁ শকত-আৱত হোৱা হ'লে আছিলেই।” লগৰ লগৰীয়াহঁতৰ লগত নানা ৰং-তামাছা কৰি কমাৰফদীয়াৰ মুকলি-মূৰীয়া প্ৰাকৃতিক পৰিৱেষ্টনীৰ মাজত নাচি-বাগি নেওগ ডাঙৰ হ'বলৈ ধৰিলে। ল'ৰা-কালৰ এই মধুৰ দিনবোৰৰ স্মৃতি নেওগৰ “কাক ভাল পাইছিলো”-শীৰ্ষক কবিতাটিত মনোৰমভাৱে চিত্ৰিত হৈছে।

১৯২১ ছনৰপৰা মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰত জুৰি অসহযোগৰ আন্দোলন আৰম্ভ হয়। অসমতো এই আন্দোলনৰ ঢৌ গাঁৱে-ভূঞে নগৰে-প্ৰান্তৰে বা[illegible]ৰি গৈছিল। মহাত্মা গান্ধী, চৌকত আলি, মহম্মদ আলি, তৰু[illegible] ফুকন, নবীন বৰদলৈৰ নাম তেতিয়া আকাশ ভেদি উটি ফু[illegible]। ভলন্টিয়াৰ বাটে-ঘাটে। ডেকাসকলৰ কথাই নাই, এনে [illegible]ীয় আন্দোলনত কণ কণ ল'ৰাহঁতৰ সিৰতো স্বাধীনতাৰ ৰক্ত[illegible] প্ৰবাহিত হৈছিল। নেওগৰ আজিও মনত আছে, “ইটাখুলিৰ দিখৌ [illegible]থাউৰিৰ দাঁতিত ৰাইজৰপৰা বাঁহ-কাঠ, খেৰ-বেত গোটাই এটা ‘স্বৰাজ-ঘৰ’ সজা হৈছিল। এদিন আমাৰ চকুৰ আগতে গোৰা পুলিচে সেই ঘৰ আক্ৰমণ কৰে। তাত থকা দুই-এজন বন্দুকৰ খুন্দা-খুন্দলি খাই লৰ মাৰিলে। ঘৰটোৰ ভিতৰৰ বস্তু বাজেয়াপ্ত কৰি ঘৰটোত জুই লগাই দিয়া হ'ল। আমাৰ ল'ৰা-ধেমালিৰ গাতো এই আন্দোলনৰ বা'ছাটি লাগিছিল। আমি কমাৰফদীয়া গাঁৱৰ আলিত ‘জয় মহাত্মা গান্ধী কী জয়’ ৰৱে আকাশ মুখৰিত কৰিছিলো, ‘সোৱে উৰিছে চৰাইজনী চান’ (স্বৰাজ-নিচান) আদি গীত গাই খলক লগাইছিলো।”

পঢ়া-শুনা কৰে যেয়ে

উপযুক্ত বয়সত এদিন তিথি-বাৰ চাই নেওগৰ বিদ্যাৰম্ভ উছৰ হ'ল। মাঘ-মহীয়া জাৰৰ দিন। সেইদিনা বহুত পৰলৈকে লঘোনে-ভোকে ৰাখি কোঁৱৰপুৰ ব্ৰাহ্মণ গাঁৱৰ গোপাল বাপুৰ হতুৱাই বিদ্যাৰম্ভ পৰ্ব পালন কৰা হ'ল। নেওগৰ বাৰীৰ দক্ষিণ-পশ্চিম চুকত ১:৩ নং কমাৰফদীয়া নিম্ন প্ৰাথমিক পঢ়াশালি। অৰ্জুনগুৰিৰ যোগধৰ শৰ্মাবৰুৱা তাৰ ঘাই পণ্ডিত। ককাইদেৰেক ডিম্বেশ্বৰ নেওগো তেওঁৰে ছাত্ৰ আছিল। তেওঁৰ লগত আন পণ্ডিত হ'ল— লেবেলা পণ্ডিত আৰু ৰত্ন [illegible]আদি। মহেশ্বৰ নেওগকো এই যোগ পণ্ডিতৰ পঢ়াশালিতে নাম লগাই দিয়া হ'ল। লেবেলা পণ্ডিতে নিজেই আহি ঘৰ[illegible]া নেওগক লৈ যায়হি। ঘৰতো দেউতাকে সদায় পুৱা-গধূলি তেওঁৰ পঢ়ালৈ কাণ দিছিল, পঢ়াৰ প্ৰতি আওকাণ কৰা দেখিলে কেতিয়াবা লঘু-গুৰু শাস্তিও বিহিছিল। ইয়াৰপৰা তেওঁৰ এইখিনি উপকাৰ হৈছিল যে শ্ৰেণীত কোনো দিনে কোনো প্ৰশ্নৰ উত্তৰতে পণ্ডিতক বিমুখ কৰিব লগীয়া নহৈছিল। আচলতে নেওগৰ শিক্ষাৰ ঘাই ভেটিটো দেউতাকেই গঢ়ি দিছিল সেই প্ৰাথমিক অৱস্থাতে। কেতিয়াবা ককাইদেৰেক ডিম্বেশ্বৰেও তেওঁৰ পঢ়া লৈছিল। এদিন বোলে তেওঁ মাকক কৈছিল, "ই বৰ অঙ্ক পাৰিব। ইয়াৰ মূৰটো বৰ ডাঙৰ।" পিছে নেওগৰ অঙ্কৰ পাণ্ডিত্যৰ সীমা পৰিছিল প্ৰৱেশিকা পৰীক্ষাত অঙ্কত দুটা লেটাৰ্ পোৱাতে।

১৯২৬ চনত নিম্ন প্ৰাথমিক বৃত্তি-পৰীক্ষা পাছ কৰি নেওগে শিৱসাগৰ গৱৰ্ণমেণ্ট স্কুলৰ ক্লাছ থ্ৰিত নাম লগালে। সেই সময়ত তেওঁৰ ইংৰাজীৰ শিক্ষক আছিল মুক্তালাল বৰুৱা, অসমীয়াৰ মহেশ্বৰ

শৰ্মা, ভূগোলৰ ডম্বৰু খাউণ্ড আৰু অঙ্কৰ কেৰামৎ শইকীয়া। সেই বছৰতে ককাইদেৰেক ডিম্বেশ্বৰ নেওগে বি.এছ্.-ছি. পাছ কৰি শিৱসাগৰ গৱৰ্ণমেণ্ট স্কুলত শিক্ষক হিছাপে যোগ দিয়েহি। ভায়েক মহেশ্বৰকো দুদিনমান ভূগোল পঢ়াবলৈ পাইছিল। হাই স্কুলত প্ৰৱেশ কৰাৰ সময়ৰেপৰা নেওগৰ কবি-মনটোৱে মাজে মাজে উক দিবলৈ আৰম্ভ কৰিছিল। সেই বছৰৰে এদিনৰ ঘটনা। "দাদা চাহৰ ওচৰত বহিছে। দেৱযানী বাইদেৱে চাহ দিছে। মই দুফাকিমান আখৰ মিলোৱা কথা লিখি দাদাৰ approval-অৰ কাৰণে পেছ কৰিলো। কিন্তু তেওঁ উৎসাহৰ চাহ এটোপা নিদি নিৰুৎসাহৰ চেঁচা পানী এলোটাহে কবিতাটোৰ ওপৰত ঢালি দিলে। কথা কেইফাকি কিছু দিনৰ কাৰণে ঘৰত আমোদৰ সামগ্ৰী হ'ল। বস্তুটোৰ অগ্নি-সংস্কাৰ হ'ল যদিও তাৰ পোনৰ আৰু [illegible]যৰ দুফাকিমান কথা মনত পৰিলে আজিও আনন্দ লাগে।" [illegible]টাৰ নাম আছিল 'ভাল ল'ৰা'। কথা কেইফাকি আছিল—

দুষ্ট হোৱা কেনে ?
দুষ্ট ল'ৰাক কোনোবাই [illegible]ৰম কৰেনে ?

* * *

এতেকতে তুমি নহ'বাঁ দুষ্ট
যি পোৱা তাকেই থাকিবাঁ তুষ্ট।

এই সময়তে ডিম্বেশ্বৰ নেওগৰ তৎপৰতাৰ বাবে ৰংপুৰ ছাত্ৰসভা আৰু তাৰ হাতে-লিখা মুখ-পত্ৰ 'ৰংপুৰ'ৰ সৃষ্টি হয়। ককাইদেৰেকৰ লগত নেওগো প্ৰায়ে তালৈ অহা-যোৱা কৰে। চতুৰ্থ শ্ৰেণীলৈ উঠাৰপৰা শিৱসাগৰ ছাত্ৰসভাত যোগ দিয়াটো অলপ ঘন হ'ল। ঘৰত সহপাঠীৰে লগ লাগি আলোচনী সভা পাতে। সেই বছৰতে দুৰ্গাপূজাৰ দিনকেইটা বৰ্ণাই এটা কবিতা ৰচে। পঞ্চম শ্ৰেণীলৈ উঠাৰপৰা নেওগে কবিতা লিখাত বিশেষভাৱে মনোনিৱেশ কৰে। সেইবছৰ তেওঁ ভালেকেইটা কবিতা লিখে। কেতিয়াবা চাই দিবৰ

কাৰণে কবিতাবোৰ ককাইদেৰেকলৈ পঠাই দিয়ে। সেই সময়তে লিখা তেওঁৰ 'আৱাহন' নামৰ কবিতাটি বৰ সুন্দৰ। কবিতাটিত চীন, জাপান, ইউৰোপৰ লেখীয়া উন্নত দেশলৈ আঙুলিয়াই অসম দেশখন শোৱাৰপৰা উঠিবলৈ আহ্বান কৰা হৈছে। কবিতাটিৰ প্ৰথমৰ দুফাকিমান এনে আছিল—

হেৰা অসমীয়া, হেৰা ভ্ৰাতৃবৃন্দ,
আজিযে তুমি নিৰাশ ;
তোমাৰ মহিমা আছিল জিলিকি
গোটেই ভাৰত দেশ।

এই সময়ৰপৰা নেওগে শিৱসাগৰ ছাত্ৰ-সভাত সক্ৰিয়ভাৱে যোগ দিয়ে। সেইবছৰ ছাত্ৰ-সভাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন মফিজুদ্দিন আহমদ হাজৰিকাৰ সভাপ[illegible]ত অনুষ্ঠিত হয়। ইয়াৰ পাছৰ বছৰত নেওগে এজন সহপাঠীৰে [illegible]াগি 'বীণাপাণি' নামৰ হাতে-লিখা কাকত এখন উলিয়ায়। [illegible]ওগ অষ্টম মানলৈ প্ৰথম হৈ প্ৰমোচন পৰীক্ষাত উঠে। ইয়াৰ [illegible]তো পঞ্চম শ্ৰেণীৰপৰা শ্ৰেণীত প্ৰথম আছিল। সেই বছৰতে ১৯৩০ ছনৰ ১১ ডিচেম্বৰ তাৰিখে ককাই-দেৰেক ডিম্বেশ্বৰ নেওগৰ বিয়া হয় জোনাকী যুগৰ অন্যতম সুসাহিত্যিক বেণুধৰ ৰাজখোৱাৰ কন্যা আজলীতৰাৰ সৈতে। তেতিয়াই নেওগে 'অপূৰ্ণ' নামৰ কবিতা এটি লিখি বেজবৰুৱাৰ 'বাঁহী' লৈ পঠাই দিয়ে। তাৰ কিছু দিনৰ পিছত তেওঁ 'অলক্ষিতে' নামৰ এটা গল্পও 'বাঁহী'লৈ পঠায়। বেজবৰুৱাই গল্পটোৰ নাম সলাই 'গাৱঁলীয়া দৃশ্য' কৰি 'বাঁহী'ত প্ৰকাশ কৰে। অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতেই 'বাঁহী'ত প্ৰকাশিত এই গল্প আৰু কবিতা দুটিয়েই নেওগৰ প্ৰকাশিত প্ৰথম ৰচনা। তেতিয়াৰপৰা নেওগ ছাত্ৰ-সাহিত্যিকৰূপে জনাজাত হৈ পৰে। সেই বছৰতে নেওগৰ সম্পাদনাত 'নিজৰা' নামে হাতে-লিখা আলোচনী এখন ওলায়। তিনটা সংখ্যা ওলোৱাৰ পিছত সি বন্ধ হয়। স্কুলীয়া ছাত্ৰে উলিওৱা আলোচনী

হিচাপে ইয়াৰ মান অতি উচ্চ খাপৰ আছিল। এই সময়তে নেওগৰ অসমীয়া লেখা প্ৰাঞ্জল, সৰল অথচ শক্তিশালী বুলি 'কথা-মহাভাৰত' লেখা বোমেশ্বৰ শৰ্মাৰ লেখীয়া ৰুচিবান শিক্ষকে মন্তব্য কৰিছিল।

ককাইদেৰেক ডিম্বেশ্বৰ নেওগ তেতিয়া উত্তৰ লখীমপুৰ চৰকাৰী স্কুলৰ শিক্ষক। নৱম শ্ৰেণীলৈ উঠাৰ পিছত ভায়েককো তেওঁৰ তালৈকে নিজৰ তত্বাৱধানত ৰাখি পঢ়ুওৱাৰ দিহা কৰিলে— যাতে প্ৰৱেশিকাত স্থান পাব পাৰে। নেওগ শিৱসাগৰৰপৰা ৰেলেৰে গৈ যোৰহাটৰ টঙ্কেশ্বৰ চলিহাৰ ঘৰত ৰাতিটো থাকি পিছদিনা বিখ্যাত কপলিং ছিগা যোৰহাট প্ৰভিঞ্চিয়েল ৰেলত উঠি ককিলামুখ পালেগৈ। জাহাজেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ বদতিঘাটৰপৰা মালবাহী লৰীত উঠি উত্তৰ লখীমপুৰ ওলালগৈ। ডিম্বেশ্বৰ নেওগ তেতিয়া নকাঁড়ী গাঁৱত পদ্মনাথ গোহাঁ[illegible]ৰুৱাৰ মাটিত ঘৰ সাজি আছিল। নেওগ গৈ তাতে উঠিল [illegible] পিছদিনায় উত্তৰ লখীমপুৰ চৰকাৰী স্কুলত ভৰ্তি হ'ল। বৌৱে[illegible] আজলীতৰা নেওগ মহিলা সমিতিৰ উদ্যোগী সভ্যা। তেওঁ ছোৱালীবোৰক 'বাসন্তীৰ অভিষেক'ৰ অভিনয় শিকাইছিল। তাৰ কেইদিনমানৰ পিছতে আহিল ৰঙালী বিহু। নেওগে উত্তৰ লখীমপুৰীয়া বিহু ভালকৈয়ে উপভোগ কৰে। কিন্তু সুখৰ মাজতে এটা ঘটনাই ঘৰখনত শোকৰ ছাঁ পেলায়। উত্তৰ লখীমপুৰত থাকোঁতেই বৌৱেকৰ দ্বিতীয়টি সন্তানৰো জন্ম হৈয়ে মৃত্যু ঘটে। এই ঘটনাই নেওগৰ মনত বৰ আঘাত দিয়ে। তাৰেই ফল স্বৰূপে সৃষ্টি হয় তেওঁৰ 'দেৱদূত' কবিতাটি। সি পাছত ডিব্ৰুগড়ৰ চৰকাৰী হাই স্কুলৰ আলোচনীত প্ৰকাশ হয়।

এই সময়তে বিহু সংখ্যা 'বাতৰি'ত নেওগৰ 'বিহুৱান' কবিতা আৰু 'অসমীয়া' কাকতত সৰল সংস্কৃতত লিখা এটা কবিতা প্ৰকাশ হয়। একে সময়তে বেজবৰুৱাৰ 'বাঁহী'ত নেওগৰ এবছৰমান পূৰ্বে পঠিওৱা 'অপূৰ্ণ' কবিতা ওলায়।

উত্তৰ লখীমপুৰত নেওগৰ শিক্ষকসকলৰ ভিতৰত আছিল হেড্‌মাষ্টৰ ত্ৰিদশ দাস, এছিস্টেণ্ট্ হেড্‌মাষ্টৰ আব্দুল লটিফ বৰুৱা, অঙ্কৰ মাষ্টৰ হেমধৰ গগৈ, অসমীয়াৰ কনকচন্দ্ৰ গগৈ আৰু সংস্কৃতৰ তোযেশ্বৰ ঠাকুৰ। বছৰেকীয়া পৰীক্ষাত বিশেষ কৃতিত্ব দেখুৱাই নেওগ প্ৰথম হৈছিল।

এনেতে ১৯৩৩ চনত ডিম্বেশ্বৰ নেওগ যোৰহাট চৰকাৰী স্কুললৈ বদলি হয়। লগতে ভায়েককো আনি তাতে নাম লগাই দিয়ে। তেতিয়া যোৰহাট চৰকাৰী স্কুলৰ প্ৰধান শিক্ষক আছিল বিখ্যাত জেহিৰুদ্দিন আহমদ। অন্যান্য শিক্ষকসকলৰ ভিতৰত আছিল অসমীয়াৰ মিত্ৰদেৱ মহন্ত, অঙ্কৰ যজ্ঞেশ্বৰ গোহাঁই আৰু লক্ষ্মী দত্ত আৰু সংস্কৃতৰ চন্দ্ৰকান্ত বৰপূজাৰী। জেহিৰুদ্দিন হেড্‌মাষ্টৰে নেওগক বৰ মৰম কৰিছিল, আৰু সাহিত্য-চৰ্চাত সততে প্ৰেৰণা দিছিল। তেওঁৰ উদগনিতে নেওগে 'জেউতি'লৈ "My rambles in the realm of literature' আদি প্ৰবন্ধ দিয়ে।

১৯৩৪ চনত নেওগে যোৰহাট চৰকাৰী স্কুলৰপৰা 'স্টাৰ' পাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। অসমীয়া, সংস্কৃত, বাধ্যতামূলক আৰু অতিৰিক্ত গণিতত, মুঠ চাৰিটা বিষয়ত 'লেটাৰ' পোৱাৰ উপৰিও অসমীয়াত বিশ্ববিদ্যালয়ত ৰেকৰ্ড নম্বৰ আৰু ইংৰাজীত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পায়। এই বছৰ যোৰহাট চৰকাৰী স্কুলৰপৰা ওলোৱা বহুতেই প্ৰতিযোগিতামূলক বৃত্তি পাইছিল। তাৰ ভিতৰত (এতিয়া কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ উপদেষ্টা, ডক্টৰ) দীননাথ বৰুৱা, সিদ্ধেশ্বৰ বুঢ়াগোহাঞি (পিছত চিভিল ছাৰ্জন ডাক্তৰ) আদি।

প্ৰাগজ্যোতিষৰ জেউতিৰ মাজত

নেওগৰ কলেজীয়া জীৱন আৰম্ভ হয় গুৱাহাটীৰ কটন কলেজত। ২৬ জুন তাৰিখে নেওগ গুৱাহাটী বুলি ৰাওনা হ'ল। লগত ককায়েক-বৌৱেকো। সেইবাৰ নগাঁৱত বৰ বানপানী হৈ ৰেলৰ আলি ছিগিছিল। গতিকে জাহাজেৰেই যাব লগা হ'ল। এই যাত্ৰা নেওগৰ কাৰণে বৰ উপভোগ্য আছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ গিৰি-বন, গছ-লতা আৰু প্ৰকৃতিৰ নানান দৃশ্যই নেওগৰ কবি-মন অনিৰ্বচনীয় আনন্দেৰে পুলকিত কৰিছিল। যাত্ৰীসকলৰ মাজতে আছিল ডিব্ৰুগড়ৰ উকীল সদানন্দ দুৱৰা; আৰু তেতিয়াৰ কটন কলেজৰ অৰ্থনীতিৰ অধ্যাপক ড° মথুৰানাথ গোস্বামীও। কেইদিন-মানৰ মূৰত গুৱাহাটী পাই ঘোঁৰাৰ গাড়ীৰে গৈ তেওঁলোক ডক্টৰ সূৰ্যকুমাৰ ভূঞাৰ উজান বজাৰৰ ঘৰত উঠিল। ভূঞা ডাঙৰীয়া কটন কলেজৰ ইংৰাজীৰ অধ্যাপক। ভূঞা-পৰিয়ালৰ লগত দুদিন-মান থাকি ডিম্বেশ্বৰ নেওগ সপৰিয়ালে যোৰহাটলৈ উভতিল। মহেশ্বৰ নেওগ কটনত ভৰ্তি হ'ল। কটন হোস্টেলৰ পঞ্চম ব্লকত তেওঁ ছিট পালে। একেটা খোটালিৰ সহবাসী হ'ল (পিছৰ-কালৰ শিক্ষাধিকাৰ) গোপাল শৰ্মাবৰুৱা আৰু ভুবন শইকীয়া। ঘৰৰপৰা আই.এ. পঢ়াৰ মানসেৰে গৈছিল যদিও অৱশেষত আই.এছ্.ছি.তহে নাম লগোৱা হ'ল। সেই সময়ত কটনৰ অধ্যক্ষ আছিল ডি. ই. ৰবাৰ্টছ্। অন্যান্যসকলৰ ভিতৰৰ আছিল ইংৰাজীৰ পি. চি. ৰায়, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, হৰেন্দ্ৰকুমাৰ চৌধুৰী, অসমীয়াৰ দিবাকৰ গোস্বামী আদি অধ্যাপক-সকল। বিজ্ঞানৰ ছাত্ৰ হিছাপে কৰিব লগীয়া ছিৰিয়াছ অধ্যয়নৰ

পৰিৱৰ্তে কাব্যসাধনাৰ প্ৰতিহে নেওগৰ ধাউতি হৈছিল বেছি। গিৰিমালাৰে পৰিৱেষ্টিত গুৱাহাটীৰ প্ৰাকৃতিক দৃশ্যাৱলীয়ে তেওঁৰ কল্পনাৱিলাসী অনুভূতিশীল মনটোক তেওঁৰ অজ্ঞাতেই কোনোবা কল্পলোকলৈ উৰাই নিছিল। চাৰিওফালৰ পৃথিৱীখন বৰ মুকলি মুকলি আৰু বহল যেন লাগিছিল তেওঁৰ। সেই সময়ত কলিকতাৰ এ. এছ্. এল. ক্লাবৰ আৰ্হিত গঢ়লৈ উঠা গুৱাহাটী এ. এছ. এল. ক্লাব অৰ্থাৎ অসমীয়া ছাতৰৰ সাহিত্যসজ্ঘ নামৰ অনুষ্ঠানটি কটন-কলেজৰ ছাত্ৰসকলৰ সাহিত্য-সেৱাৰ থলি আছিল। এই অনুষ্ঠানৰ যোগেদিয়ে ছাত্ৰসকলে গুৱাহাটীৰ প্ৰবীণ সাহিত্যিক আৰু দেশ-নেতাসকলৰ লগত পৰিচিত হ'ব পাৰিছিল আৰু তেওঁলোকৰপৰা সাহিত্যচৰ্চা আৰু দেশসেৱাৰ উদগণি পাইছিল। কিন্তু কি কাৰণত নাজানো, ১৯৪৮ ছনমানত এই অনুষ্ঠানটিৰ অপমৃত্যু ঘটিল। নেওগ গুৱাহাটীলৈ আহিয়ে এই [illegible]ৰ সভ্য ভৰ্তি হ'ল। সেই বছৰ এ. এছ্. এল্. ক্লাবৰ নতুন ব[illegible]ত গোপাল শৰ্মাবৰুৱা সম্পাদক হ'ল। নেওগ প্ৰথম বাৰ্ষিকৰ [illegible]তিনিধি নিৰ্বাচিত হ'ল। সেই বছৰ শঙ্কৰদেৱৰ তিথিত নেওগৰ 'ভকতি তৰ্পণ' কৱিতা পাঠ কৰা হয়। সেই বছৰবে 'কটনিয়ান'ত নেওগৰ এটা ইংৰাজী কবিতা 'My joy and sorrow' প্ৰকাশ হয়। ডক্টৰ ভূঞাৰ উদগনিত মিছ্ হোমছ্ আৰু নিকল্‌ছৰ এটা ইংৰাজী প্ৰবন্ধ আৰু ঢেকিয়াল ফুকনৰ *A Few Remarks on the Assamese Language*অৰ অসমীয়া অনুবাদ 'আৱাহন'ত প্ৰকাশ হয়। ঘূৰিবাৰ বিহু-সংখ্যা 'বাতৰি'ত প্ৰকাশ হয় তেওঁৰ 'ঋতু-সুৰ'-নামক অকমাণি কাব্য-নাটিকাখনি। পুথিৰ ছটি ছবিত ছয় ঋতুৰ মনোৰম সুৰ বাজি উঠিছে। কেইবা-বছৰৰো পাছত 'ঋতু-সুৰ' স্বতন্ত্ৰ পুথিৰূপেও প্ৰকাশ হৈ ওলায়।

ইংৰাজী ১৯৩৬ ছনত নেওগে আই.এছ্.ছি. পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। একে বছৰতে কটনৰপৰা প্ৰথম বিভাগত আই.এছ্.ছি. পাছ কৰা আন কেইজনমান কৃতী ছাত্ৰ হ'ল

ডক্টৰ পবনচন্দ্ৰ মহন্ত, শ্ৰীবাহাৰুল ইচলাম, শ্ৰীলীলাধৰ শৰ্মাকটকী, শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য আদি। ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা, জয়ভদ্ৰ হাগজেৰ, শ্ৰীনৱেন্দ্ৰনাথ শৰ্মা আদিয়ে সেই বছৰতে প্ৰথম বিভাগত আই.এ. পাছ কৰে।

আই.এছ্.ছি. মহলাত উঠি বিজ্ঞানৰ অধ্যয়ন সিমানতে সামৰি নেওগে এইবাৰ ইংৰাজী সাহিত্যত অনাৰ্ছ লৈ বি.এ. শ্ৰেণীত নাম লগালে। অন্যান্য বিষয় হ'ল অসমীয়া, সংস্কৃত আৰু বুৰঞ্জী। এ. এছ্. এল্. ক্লাবৰ বছৰেকীয়া অধিৱেশনৰ সভাপতি আছিল তৰুণৰাম ফুকন। নেওগে 'সাহিত্য আৰু আদৰ্শ'-শীৰ্ষক ৰচনা পাঠ কৰি ভূয়সী প্ৰশংসা লাভ কৰে। তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে ক্লাবৰ সম্পাদক নিৰ্বাচিত হয়। সেই সময়তে (অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চাল-কালয়ৰ ডিৰেক্টৰ) শ্ৰীসত্যপ্ৰসাদ বৰুৱা [illegible]ৰু (গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক) শ্ৰীনৱেন্দ্ৰনাথ শৰ্মাৰে [illegible]ত তেওঁৰ ঘনিষ্ঠ বন্ধুত্ব গঢ় লৈ উঠে। ১৯৩৬ ছনৰ মাজ ভাগত অ[illegible]াক সূৰ্যকুমাৰ ভূঞা গৱেষণা কাৰ্যৰ বাবে বিলাতলৈ যাত্ৰা কৰে। [illegible] এছ্. এল্. ক্লাব আৰু কটন কলেজ ইউনিয়ন ছোচাইটিৰ তৰফৰপৰা [illegible]ুটীয়াকৈ তেওঁক বিদায়-সম্বৰ্ধনা জনোৱা হয়। সেইবছৰ ক্লাবৰ বাৰ্ষিক অধিৱেশন বহে কবি ৰত্নকান্ত বৰকাকতীৰ সভাপতিত্বত। তেওঁ সভাৰ অভিভাষণ-ৰূপে 'সাহিত্যৰ স্বৰূপ আৰু অসমীয়া কাব্য'-শীৰ্ষক মূল্যৱান ৰচনা এখন লিখিছিল। যথাসময়ত বি.এ. পৰীক্ষা আৰম্ভ হ'ল। কিন্তু পৰীক্ষাৰ মাজতে অসুখ হোৱাত পৰীক্ষা আধা দিয়াকৈয়ে এৰিব লগা হ'ল। পিছৰ বছৰ অৰ্থাৎ ১৯৩৯ ছনত নেওগে পুনৰ পৰীক্ষা দি ইংৰাজীত অনাৰ্ছ লৈ বি.এ. পাছ কৰিলে।

ইস্কুলে ইস্কুলে

নেওগে বি.এ. পাছ কৰিলে হয়, কিন্তু এম্.এ. পঢ়াৰ সপোন সপোন হৈয়ে ৰ'ল। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হ'বলৈ তেতিয়াও বহুত দিন বাকী। এম্.এ. পঢ়িবলৈ হ'লে যাব লাগিছিল সুদূৰ কলিকতালৈ। নানান ঘৰুৱা জঞ্জালৰ কাৰণে মূৰকত কলিকতাত তেওঁৰ এম্.এ. পঢ়িবলৈ যোৱাটি হৈ নুঠিল। লগৰ দুই-এক বন্ধুৰে লগ লাগি ঠিক কৰিলে, চৰকাৰী হাই স্কুলৰ চাকৰি এটা পালেই সাহিত্য-তাহিত্য কৰি বেছ চলা যাব। তেতিয়াৰ তিনি কুৰি পো[illegible] টকা দৰ্মহা আজিৰ হিছাপত কম টকা নহয়। তাতে নেও[illegible] আদৰ্শ আছিল ডক্টৰ ভূঞা, ডক্টৰ কাকতি আদি শিক্ষাব্ৰতীস[illegible]। তেওঁলোকে বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা লাভ কৰিও লোভনীয় হাকিমী পদ বাঞ্ছা নকৰি শিক্ষকতাকে সাৰোগত কৰি সাহিত্য-সাধনাত লাগিছিল। সেয়ে মহেশ্বৰ নেওগেও চৰকাৰী হাই স্কুলত নবিছী আৰম্ভ কৰি দিলে। স্কুল-কলেজত নাম কৰা ছাত্ৰ আছিল বাবে চাকৰি পোৱাত সিমান অসুবিধা নহৈছিল। জয়ে জয়ে তেওঁ আগতে নিজেই পঢ়ি অহা যোৰহাট চৰকাৰী হাই স্কুলতে কাম এটা পালে। তাত কিছু দিন চাকৰি কৰি উত্তৰ লখীমপুৰ চৰকাৰী স্কুলত যোগ দিলেগৈ। অলপ দিনৰ পিছত তেওঁ পুনৰ যোৰহাট চৰকাৰী স্কুললৈ ঘূৰি আহে। এতিয়ালৈকে তেওঁক স্থায়ীভাৱে চাকৰিত মকৰল কৰা হোৱা নাছিল। এদিন হঠাতে হেড্মাষ্টৰ জেহিৰুদ্দিন আহমদে নেওগক জনালে, "সেইটি পদবী বোলে তদানীন্তন শিক্ষামন্ত্ৰীৰ তমুকৰ তমুকক দিয়া হৈছে আৰু মই বিদ্যাদান কৰি নেথাকিলেও হ'ব। গতিকে মোৰ

পেন্‌ছন।" এই কথাত হেড্ মাষ্টৰ আৰু তেতিয়াৰ স্কুল ইঞ্চপেক্টৰ শৰৎচন্দ্ৰ গোস্বামীয়ে বৰ বেজাৰ পালে। ইঞ্চপেক্টৰ গোস্বামীয়ে নেওগক বৰ মৰম কৰিছিল। কিছু দিনৰ পিছত ইঞ্চপেক্টৰে তেওঁক মাতি নি ক'লে, "মই তোমাক দিব পৰা মাষ্টৰি এটা আছেগৈ। যদি তুমি লোৱা মই অৰ্ডাৰ কৰি দিওঁ। পিছে সেইটো বঙলা ভাষাৰ শিক্ষকৰ কাম হ'লে। তুমি অৱশ্যে কৰিব পাৰিবা। তাতে আকৌ কামটো তোমাৰ ঘৰতে—শিৱসাগৰ চৰকাৰী স্কুলত।" নেওগ বিমোৰত পৰিল। জীৱনতে নপঢ়া বঙলা ভাষাত পঢ়াব পাৰিব জানো! তেওঁ কেৰোঘেঁহো কৰাত গোসাঁয়ে আকৌ ক'লে, "মই অহা মাহতে পেন্‌ছন লৈ যামগৈয়ে। তোমাক কামটো দি যাম, কাৰণ দিবপৰা আন কাম সন্তহতে আ[illegible] নাই। তুমি পিছত ভাবি-চিন্তি চাই কামটোত যোগ দিলে দিবা, নিদিলে নাই; মই বেয়া নেপাওঁ।" সঁচাসঁচিকৈয়ে কিছু দিনৰ পিছত চাকৰিৰ হুকুম আহিল। নেওগৰ কিন্তু চাকৰিত পে[illegible] দিয়া নহ'ল। যোগ দিয়া হ'লে চাগে এতিয়ামানে হেড্মাষ্টৰ [illegible] ডি. আই. হৈ অৱসৰৰ প্ৰতীক্ষাত থাকিব লাগিলহেঁতেন। সেয়ে এদিন মন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা ডাঙৰীয়াই কোনোবা এখন মিটিঙত বক্তৃতা-প্ৰসঙ্গত ৰগৰ কৰি কৈছিল, "মহেশ্বৰ নেওগে আজি দেশে-বিদেশে পণ্ডিত বুলি যশস্যা আৰ্জিছে, তাৰ মূলতে কি ঘটনা আছে আপোনালোকে জানেনে? তেওঁয়ে চৰকাৰী স্কুলত কাম এটা নেপালে, সেইটো তাৰ গুৰি-কথা।"

অ'ত ত'ত কিছু দিন ঘূৰি অৱশেষত জানিবাঁ কোনোমতে চাকৰি এটা যোগাৰ কৰিলেগৈ যোৰহাট খ্ৰীষ্টিয়ান হাই স্কুলত। তাত ক্লাছ ছেভেনৰপৰা আৰম্ভ কৰি ওপৰলৈ ইংৰাজী মাধ্যমত পঢ়ুৱাব লাগে—কাৰণ পঢ়াশালিখনত সমগ্ৰ অসমৰ বিভিন্ন জনজাতিৰ ল'ৰাবোৰ একেলগে থাকি পঢ়ে। এই সৰল হোজা ল'ৰাবোৰক তেওঁৰ বৰ ভাল লাগিছিল। স্কুলৰ নীতি-নিয়মো আন

স্কুলতকৈ বেলেগ আছিল। কিছুদিন কাম কৰাৰ পিছত তাতো নেওগৰ চাউল উকলিল। সেই সময়ত নেওগৰ ককাইদেৰেক ডিম্বেশ্বৰ নেওগো যোৰহাট চৰকাৰী স্কুলতে শিক্ষকতা কৰি আছিল। খবৰ আহিল বোলে কমাৰফদীয়াৰ ঘৰত আয়েকৰ অসুখ। কোনোবা এজন ঘৰলৈ নগ'লে নচলে। গতিকে নেওগে ভোগদৈৰ পাৰ এৰি দিখৌৰ পাৰত সত্ৰ পাতিবগৈ লগা হ'ল। ভাগ্যক্ৰমে সেই সময়তে শিৱসাগৰৰ ফুলেশ্বৰী ছোৱালী হাই স্কুলত বিজ্ঞান-শিক্ষকৰ কাম এটা খালি হৈছিল। নেওগ ইণ্টাৰমিডিয়েটলৈকে বিজ্ঞানৰ ছাত্ৰ আছিল। গতিকে দৰ্খাস্ত এখন মাৰি পঠিয়ালে। নেওগৰ 'মণ্ড-মাহৰ দৰে' ভাল হাতৰ আখৰৰ দৰ্খাস্তখন দেখিয়ে বোলে স্কুলৰ চেয়াৰমেন শিশিৰকুমা[ৰ] দত্তই (পিছত অসমৰ মুখ্য সচিব) নেওগলৈ নিয়োগ-পত্ৰ পঠিয়ালে। খ্ৰীষ্টিয়ান স্কুলৰ প্ৰিন্সিপাল চি. ই. হাণ্টাৰ ছাহাবে বৰ দুখ মনেৰে তেওঁক বিদায় দিব লগা হ'ল। নেওগে ফুলেশ্বৰী স্কুলত যো[গ] দিলেহি। তেতিয়া ১৯৪১ চন। স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী চিৰকুমাৰী লক্ষ্মীপ্ৰিয়া চলিহা। স্কুলৰ চেক্ৰেটাৰী আছিল বেজবৰুৱা স্কুলৰ হেড্‌মাষ্টৰ বিচক্ষণ ৰত্নেশ্বৰ শৰ্মা। বাকী সহকৰ্মিণীসকলৰ দুই-এগৰাকী এতিয়াও স্কুলত আছে। ফুলেশ্বৰী স্কুলত নেওগৰ শিক্ষকতাৰ কথা তেওঁৰ ভাষাৰেই "স্কুলত তেতিয়া কেৰাণী-মহৰী বুলিবলৈ একোৰে একোটো নাছিল। লক্ষ্মীপ্ৰিয়া বাইদেৱে অফিচৰ বহুতবোৰ কাম সামৰিছিল। বহুতখিনি কাম কৰাই অনা হৈছিল বেজবৰুৱা স্কুলৰপৰা। মই নামত বিজ্ঞান-শিক্ষক যদিও, অসমীয়া, সংস্কৃত, সকলোতে জপটিয়াব লাগে। মাজে মাজে বাইদেৱে অফিচৰ কামো কৰিবলৈ দিয়ে। বায়ে ক'লে ভায়ে আৰু নকৰি পাৰেনে? এবাৰ কিবা এখন জৰুৰী কাগজ দি বাইদেৱে ক'লে 'মহেশ (মোক বাইদেৱে এইদৰে মাতে), এইখন আৰু মই নেচাৰেঁই। তুমি নকল কৰি পঠিয়াব লগা ঠাইলৈ পঠিয়াবাঁ দেই।' জো হুকুম খোদাবন্দ। মই সেইমতেই

কৰিলো। পিছদিনা বাইদেৱে খবৰ লোৱাত জনালো, কাগজখন নকল কৰি ঠিকমতে পঠোৱা হ'ল, মাথোন এশাৰী কথাহে স্পষ্ট নোহোৱাত ভালকৈ পঢ়িব নোৱাৰিলো।' 'তেনেহলে কি কৰিলা? শাৰীটো আকৌ বাদ দি দিলানেকি?' 'নাই বাইদেউ, নাই দিয়া বাদ। মূল কাগজখনত শাৰীটোৰ আখৰবোৰ যেনে চেহেৰাৰ আছিল, মই ঠিক সেইধৰণে সিবোৰৰ ফটো তোলাৰ দৰে তুলি দিছো। গতিকে পঢ়িব নোৱৰাৰ বাবে মোৰ যিটো বিপদ হৈছিল, সেইটো মাথোন এতিয়া যালৈ চিঠি দিয়া গ'ল, তেওঁৰ কান্ধত পৰিবগৈ। তাতে আকৌ আপুনি কামটো কালিয়ে ন'হলে নহয় বুলিছিল নহয়।' বাইদেৱে বোধ হয় এতিয়া নিৰুপায়ত পৰি মোক ভালকৈ 'চাবাইচ' দিলে।

"স্কুলত যিটো বছেৰেকীয়া পৰীক্ষা পালো, বাইদেৱে মোৰ ওপৰতে তাৰ সৰ্বভাৰ দিলে। অৰ্থাৎ বেজবৰুৱা স্কুলত বহি ষ্টেন্‌চিল কাটি, প্ৰশ্ন-কাকতৰ কপি[বো]ৰ কৰাই, তাৰিখমতে ভাগ ভাগ কৰি টোপোলা বন্ধা, আৰু [প]ৰীক্ষাৰ দিনা পৰীক্ষা-ঘৰত চমজাই দিয়াৰ কাম কৰিব লগীয়া হৈছিল।"

নেওগে ফুলেশ্বৰী স্কুলত চাকৰি কৰা কালছোৱাত আৰু তাৰ আগতো শিৱসাগৰৰ ৰাজহুৱা জীৱনত ভালকৈয়ে যোগ দিছিল। সেই ৰাজহুৱা জীৱনৰ ঘাই কেন্দ্ৰ আছিল শিৱসাগৰ নাট্য-সমাজ। কলা-সংস্কৃতি ভাল পোৱা শিৱসাগৰীয়া মাত্ৰেই তাত যোগ দিছিল। উক্ত সমাজৰ বাবে মহেশ্বৰ নেওগেও 'আৱৰ্তন' নামে এখন নাটক লিখিছিল, সামাজিক চিত্ৰ সংযোগ কৰি। নাটকত (পাছলৈ অসমৰ মুখ্যমন্ত্ৰী) বিমলাপ্ৰসাদ চলিহা, জয়মতী চিনেমাৰ গদাপাণিৰ অভিনেতা শ্ৰীফুনু বৰুৱা, (গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱা প্ৰভৃতি অনেকে ভাও লৈছিল। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ 'মঞ্চলেখা'ত 'আৱৰ্তন'ৰ অভিনয় সম্পৰ্কে এটি সুন্দৰ বৰ্ণনা পোৱা যায়। সেই সময়তে ৰঙালী বিহুৰ

উপলক্ষে সমাজৰ তৰফৰপৰা বিহুৰ মৌ-মেলৰ বিশেষ ধৰণৰ ব্যৱস্থা আৰম্ভ কৰা হৈছিল। তাৰ কাৰণে নেওগে ঋগ্বেদৰ "মধু ৱাতা ঋতায়তে"ৰ ঠাঁচত—

আজি কিনো মধুমেলা গগনে-পৱনে।
আনন্দ মেলাৰ দীপালী জলে নয়নে নয়নে ॥
ধৰণীৰ ধূলি-কণা সিও আজি মধুভৰা।
মধু সৰে বতাহৰে আঁচলৰেপৰা ॥

আদি গীত ৰচনা কৰে। এবাৰ এই মৌ-মেলাৰ আয়োজনৰ মাজতে 'স্বৰ্গ আৰু মৰ্ত্য' নামে মিত্ৰদেৱ মহন্তৰ এখন প্ৰহসন অভিনীত হৈছিল। এই অভিনয়ত ঘটা এটা আমোদজনক ঘটনা নেওগে এইদৰে সুঁৱৰিছে, "প্ৰহসনৰ প্ৰস্তুতি চলি থাকোঁতেই মই মঞ্চৰ স্বৰ্গৰ-পৰা সীতা পাতাললৈ সোমোৱা বাটেদি মাটিৰ মৰ্ত্যলৈ আন্ধাৰে-মুধাৰে খহি পৰিলো। ছাঁ-নাচ কৰিবলৈ মঞ্চত থিয় দি থকা ডেকা এজনে 'ককাইদেউ পৰিল, পৰিল' বুলি চিঞৰ-বাখৰ লগাই দুজন-মানেৰে ধৰি দাঙি নি সভাপতিৰ কাষতে বহুৱাই থ'লেগৈ। তাৰ পিছত দুমাহমানলৈ পাটীত পৰি থাকিব লগীয়া অৱস্থা।" আন এবাৰৰ কথা। স্কুলত সকলোৰে গা উঠিল, স্কুলৰ ছোৱালীহঁতৰ হতুৱাই এখন নাটক কৰাব লাগে। গা উঠিল সকলোৰে; কিন্তু নাট মেলাৰ সকলো ভাৰ পৰিল নেওগৰ ওপৰত। ৰচন লেখোৱা, পাৰ্ট বিলোৱা, আখৰা কৰোৱা, সাজ-পোছাক গোটোৱা, মেক-আপ কৰা, আৰু কত কি। জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী'ৰ কিছু অংশ বাছি লৈ আখৰা কৰোৱা হ'ল। সুন্দৰ কোঁৱৰ, শেৱালি, বাজমাও, বপুৰা আদিৰ অভিনয় বৰ সুন্দৰ হৈছিল। অভিনয়ৰ সাফল্যৰ মূলতে আছিল নেওগৰ সুদক্ষ পৰিচালনা। মুঠতে ফুলেশ্বৰী স্কুলত চাকৰি কৰা এই কালছোৱাত শিক্ষকতাতকৈও সাংস্কৃতিক জীৱনত নেওগৰ ভূমিকাহে অধিক তাৎপৰ্যপূৰ্ণ আছিল। কিন্তু শিৱসাগৰৰ মোহে নেওগক বেছি দিনলৈ বান্ধি ৰাখিব নোৱাৰিলে।

জিলিকাব লুইতৰে পাৰ

১৯৪৪ ছনৰ অক্টোবৰ মাহ। সেইবাৰ অসম সাহিত্য-সভাৰ সম্মিলন বহিছিল শিৱসাগৰত বাগ্মীবৰ নীলমণি ফুকনৰ সভা-পতিত্বত। সাহিত্য-সভাৰ অধিৱেশনৰ লগতে ১ অক্টোবৰৰ দিনা বেণুধৰ ৰাজখোৱা ডাঙৰীয়াক সভাপতিৰূপে লৈ কালিপ্ৰসাদ চলিহা ভৱনত এখন ৰাজহুৱা সভা বহি ঠিক কৰিলে সেইবাৰ বৰদিনৰ বন্ধতে গুৱাহাটীত এখন কন্‌ভেন্‌চন বহিব লাগে গুৱাহাটীত বিশ্ববিদ্যালয় পতাৰ কাৰ্যকৰী ব্যৱস্থা হাতত ল'বৰ কাৰণে। ১৯১৭ ছনৰপৰা ঢিমা-তেতালা হৈ চলি থকা বিশ্ববিদ্যালয় আন্দোলনৰ এটা বাস্তৱ ৰূপ দিব লাগে। এই সভাখনৰ মুৰি ধৰিছিল সাহিত্যৰথী বেজবৰুৱাৰ ঘৰৰ মাধৱচন্দ্ৰ বেজবৰুৱা আৰু ডিব্ৰুগড়ৰ জীৱনৰাম ফুকনে। কন্‌ভেন্‌চনৰ ধাৰণাটোৰেই আছিল জীৱনৰাম ফুকনৰ। সভাত শিৱসাগৰৰ ডেকা সাহিত্যিক মহেশ্বৰ নেওগেও সক্ৰিয়ভাৱে যোগ দিছিল। সভাখন কেইবাটাও কাৰণত গুৰুত্বপূৰ্ণ আছিল। এই সভাই অসম গৱৰ্নমেণ্টে আগতে যুগুত কৰি থোৱা অসম বিশ্ব-বিদ্যালয়ৰ আঁচনি ৰাজহুৱা মতৰ পৰিপন্থী বুলি অসম এছেম্ব্লিত সেই আঁচনি উথাপন নকৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। সভাই গোপীনাথ বৰদলৈক সভাপতি আৰু শৰৎচন্দ্ৰ গোস্বামীক সম্পাদকৰূপে লৈ এখন সাতজনীয়া বিশ্ববিদ্যালয় ন্যাসৰক্ষী সমিতি গঠন কৰি দিয়ে আৰু সেই বছৰৰে ডিচেম্বৰ মাহত গুৱাহাটীত এখন কন্‌ভেন্‌চন্ পতাৰো সিদ্ধান্ত গ্ৰহণ কৰে। সেই সম্পৰ্কে প্ৰচাৰ-কাৰ্য চলোৱাৰ ভাৰ পৰিছিল 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাৰ ওপৰত। সভাৰ সিদ্ধান্তক্ৰমে বৰদিনৰ বন্ধত ২৯ আৰু

৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ কামৰূপ একাডেমি স্কুলত দুদিনীয়াকৈ ‘গুৱাহাটী বিশ্ববিদ্যালয় কন্‌ভেন্‌চন’ বহিল। অসমৰ সকলো ঠাইৰ-পৰা প্ৰতিনিধি গৈ তাত যোগ দিছিল। মহেশ্বৰ নেওগেও শিৱসাগৰৰপৰা প্ৰতিনিধিৰূপে তাত যোগ দিলেগৈ। সভাত যোগ দিয়াসকলৰ মাজত অভূতপূৰ্ব উৎসাহ-উদ্দীপনাই দেখা দিলে। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰোহিণীকুমাৰ চৌধুৰী আৰু সম্পাদক বিৰিঞ্চিকুমাৰ বৰুৱা। সভাৰ সভাপতি আছিল গোপীনাথ বৰদলৈ। সভাই দৃঢ় সিদ্ধান্ত ল’লে যে অতি সোনকালে বিশ্ব-বিদ্যালয় হ’বই লাগিব আৰু সি গুৱাহাটীতে হ’ব। সেই মৰ্মে ধন-সংগ্ৰহকে আদি কৰি যাৱতীয় কাম কৰিবলৈ সভাই এঘাৰ-জনীয়া সদস্যেৰে গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাস্ট বোৰ্ড নামে এখন সমিতি নকৈ গঠন কৰি দিয়ে। এই কন্‌ভেন্‌চনৰ সকলো আলোচনা-বিলোচনাৰ-পৰা এখন বিস্তৃত প্ৰতিবেদন যুগুত কৰাৰ ভাৰ পৰিছিল মহেশ্বৰ নেওগৰ ওপৰত। “সেইমতে সভাৰ লগে লগেই মই কাম কৰি গৈছিলো আৰু ৩০ তাৰিখে ন[illegible]ত মোৰ বন্ধু সত্যপ্ৰসাদ বৰুৱাৰ ঘৰত থাকি ৰিপোৰ্টখন সম্পূৰ্ণ কৰি পিছদিনা বেজবৰুৱালৈ বস্তুটো পঠাই ঘৰমুৱা হৈছিলো। প্ৰচাৰ বিভাগৰ ষষ্ঠ বুলেটিনৰূপে সি প্ৰকাশিত হয়। মোৰ লেখাখন পাই গোপীনাথ বৰদলৈদেৱে বৰ বং পাই বেজবৰুৱাৰ যোগে মোলৈ সুধি পঠিয়ালে, মই আহি ন্যাস সমিতিৰ কাৰ্যালয় সচিবৰূপে যোগ দিব পাৰিমনেকি? মই অকণিকে সময় নেহেৰুৱাই সম্মতি জনাই পঠিয়ালো।” ট্ৰাস্ট বোৰ্ডৰ কাৰ্য-বিৱৰণিৰ এঠাইত উল্লেখ আছে—“Being well-impressed by the Report of the University Convention prepared by Srijut Neog, he (Gopinath Bardoloi) asked the latter to take charge of the Trust Board office. He further thought that Srijut Neog would be a very good acquisition for our work.” সেইমতেই নেওগে দিখৌৰ পাৰৰ ফুলেশ্বৰী হাই-

স্কুল এৰি ১৯৪৫ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে ৰাম নৌ হওঁতেই ৰামায়ণ হোৱাৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয় নৌ হওঁতেই বিশ্ব-বিদ্যালয়ৰ কামত যোগ দিলেহি। নেওগৰ কাৰণে পৃথিৱীখন আগতকৈ বহুত বহল আৰু মুকলি মুকলি হ’ল।

সেই বছৰতে জানুৱাৰীৰ ৬ তাৰিখৰপৰা বিশ্ববিদ্যালয়ৰ কাৰ্যালয় আৰম্ভ হৈছিল। ৰমেশচন্দ্ৰ চৌধুৰী আৰু বিৰিঞ্চিকুমাৰ বৰুৱা বোৰ্ডৰ সহকাৰী সচিব মনোনীত হ’ল। তাৰ কিছু দিনৰ পিছতহে ফখৰুদ্দিন আলি আহমদক বোৰ্ডৰ সচিব নিযুক্ত কৰা হৈছিল। এনেতে আহিল অসম প্ৰাদেশিক নিৰ্বাচন। বৰদলৈ নিৰ্বাচিত হৈ অসমৰ প্ৰধান মন্ত্ৰী হ’ল। ফখৰুদ্দিন চাহাব হ’ল এড্‌ভোকেট জেনেৰেল। দুয়ো গুৱাহাটী এৰি শ্বিলঙলৈ যাব লগা হ’ল। গতিকে বোৰ্ডৰ কাৰ্যালয়টোও লগে লগে যাব লগা হ’ল। নেওগৰ ভাষাতে, “মই সমিতিৰ কাৰ্যালয়ৰ পোনাপোৱালিটি লৈ ভৈয়ামৰ উমাল বুকুৰপৰা সেঙেতা লগা শ্বিলঙ্‌লৈ প্ৰব্ৰজন কৰিলো। মাজে মাজে অৱশ্যে ভৈয়ামলৈ আহোঁ—[illegible]শষকৈ মহকুমা সমিতিবোৰৰ লগত সংস্পৰ্শ ৰাখিবৰ কাৰণে। ১৯৪৫ চনৰ জুলাই মাহত ন্যাস সমিতিৰ হৈ বৰদলৈ, চৌধুৰী আৰু স্মলে গুৱাহাটী পলাশবাৰী পথৰ দুয়োকাষে থকা উত্তৰ জালুকবাৰী, মাজ জালুকবাৰী, সদিলাপুৰ, কছাৰী-গাৰি গাঁও, দেহান-গাৰি গাঁও, এই পাঁচখন গাঁৱৰপৰা মুঠ দুহাজাৰ বিঘাৰ অলপ বেছি মাটি (২,৩৩৩ বিঘা) বিশ্ববিদ্যালয়ৰ থানৰূপে নিৰ্ণয় কৰিছিল। বিশ্ববিদ্যালয় হোৱাৰ পিছত ব্ৰহ্মপুত্ৰৰ সংলগ্ন বহুতো কালি-পৰিমাণৰ জমি বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱিত জমিৰ-পৰা এৰি দিয়া হয়। এই মাটিৰ খবৰ ল’বলৈ মাজে মাজে গুৱাহাটীলৈ আহিব লগীয়া হৈছিল। বৰদলৈদেৱে ধুতিৰ মালকোঁচা মাৰি হাতত লাখুটি লৈ আমাৰ লগত এই অঞ্চলটোত খোজ কাঢ়ি ঘূৰি ফুৰা এতিয়াও মনত আছে।” এই মাটিৰ অধিগ্ৰহণৰ কামটো বৰ আহুকলীয়া আছিল। যি হওক, শেহান্তৰত ১৯৪৭ চনৰ ২৭

ছেপ্টেম্বৰ তাৰিখে প্ৰায় এশ একৰ মাটি বিশ্ববিদ্যালয়ৰ নামত নেওগে দখল লয়হি।

সেই সময়তে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰধান উদ্যোক্তা মাধৱচন্দ্ৰ বেজবৰুৱা দুৰাৰোগ্য ৰোগত শয্যাশায়ী হ'ল। বিশ্ববিদ্যালয়ৰ কাৰণে বেজবৰুৱাৰ ত্যাগ আৰু কষ্ট-স্বীকাৰ আছিল তুলনাবিহীন। বিশ্ববিদ্যালয়ৰ পুঁজি-সংগ্ৰহৰ কামত অক্লান্তভাৱে তেওঁ সমগ্ৰ অসম ভ্ৰমণ কৰিছিল। বেজবৰুৱাৰ কথা নেওগে এঠাইত সেইদৰে সুঁৱৰিছে, "আগৰ বছৰ প্ৰায় একে সময়তে তেওঁৰ লগত ভ্ৰমণ কৰাৰ ভাগ্য মোৰ হৈছিল। কি প্ৰচণ্ড উদ্যম মানুহজনৰ! মাজুলীৰ চাপৰিৰ বিৰিণাৰ মূঢ়াৰ ওপৰেদিও যেন চেভ্ৰোলেটৰ বেগত চাইকেল চলাব—কাৰণ ধীৰেৰে চলালেয়ে বিশ্ববিদ্যালয় হোৱাত পলম হৈ যাব। ৰোগশয্যাৰপৰা ঘনে ঘনে চিঠি লিখে—জীৱনৰ শেহ সম্বল বাঁহী প্ৰেছটোও যেন বিশ্ববিদ্যালয় ছপাশাল কৰি দি যাব।" তেওঁৰ প্ৰাণ-স্বৰূপ এই বিশ্ববিদ্যালয় হোৱা বেজবৰুৱাই দেখা নাপালে।

১৯৪৭ চনৰ ফেব্ৰুৱাৰীত অসম চৰকাৰে এখন বিশ্ববিদ্যালয় বিল তৈয়াৰ কৰাৰ কামত হাত দিলে। কিন্তু বিশ্ববিদ্যালয়ৰ কাম যেন শামুকীয়া গতিতহে আগ বাঢ়িছিল। এপ্ৰিলৰ ২৯ তাৰিখে 'দৈনিক অসমীয়া'ৰ সম্পাদক দেৱকান্ত বৰুৱাই 'বিশ্ববিদ্যালয় এতিয়াই লাগে' শীৰ্ষেৰে এক তেজী সম্পাদকীয় প্ৰকাশ কৰে। তাৰ আগতে 'দৈনিক অসমীয়া'ৰ শ্বিলং প্ৰতিনিধিয়ে নেওগৰ লগত এটি সাক্ষাতকাৰ কৰি সমগ্ৰ পৰিস্থিতি সম্পৰ্কে এক দীঘলীয়া সম্বাদ প্ৰকাশ কৰে। তাত নেওগে কৈছিল, "বিশ্ববিদ্যালয়ৰ কামত যথেষ্ট আগ বঢ়া হৈছে আৰু সোনকালেই বিশ্ববিদ্যালয়ৰ আঁচনি কাৰ্যত পৰিণত কৰিব পৰা হ'ব। অসম ব্যৱস্থা পৰিষদৰ অহা অধিৱেশনত বিশ্ববিদ্যালয় বিল দাঙি ধৰা হ'ব আৰু বৰ্তমানে মিঃ ফখৰুদ্দিন আলি আহমদ আৰু চৰকাৰৰ বুনিয়াদী শিক্ষা

বিভাগৰ উপদেষ্টা মিঃ স্মল সেই বিলৰ ৰচনাত ব্যস্ত আছে।" আগষ্টৰ মাজভাগত বিলখন 'আসাম গেজেট'ৰ এটা বিশেষ সংখ্যাত প্ৰকাশ পালে। ছেপ্টেম্বৰৰ ১৩ তাৰিখে সদনে সৰ্বসম্মতিক্ৰমে বিলখন (গুৱাহাটী বিশ্ববিদ্যালয় বিল ১৯৪৭) গ্ৰহণ কৰে। ১৫ অক্টোবৰৰ দিনা গবৰ্নৰে বিলখনত সম্মতি জনোৱাৰ লগে লগে সি অধিনিয়মত (গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম ১৯৪৭) পৰিণত হ'ল। পিছৰ বছৰৰ অৰ্থাৎ ১৯৪৮ চনৰ ২৬ জানুৱাৰীৰ দিনা গুৱাহাটীৰ ছুড্‌মাৰ্ছেন হলত বিশ্ববিদ্যালয়ৰ কোৰ্টৰ প্ৰথম সভা বহিল আৰু লগে লগে বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হ'ল। এই ২৬ জানুৱাৰীৰ দিনটো বিশ্ববিদ্যালয়ৰ 'প্ৰতিষ্ঠা দিৱস'। কিন্তু এই প্ৰতিষ্ঠা দিৱসটো বিশ্ববিদ্যালয়ে পালন কৰা আমি দেখা পোৱা নাই। কৰা হ'লে ভাল আছিলনেকি, কিয়নো তেতিয়া বিশ্ববিদ্যালয়ৰ শিক্ষক ছাত্ৰ-কৰ্মচাৰীসকলে বছৰটোত অন্ততঃ এদিন লগ হৈ অতীত কাৰ্যাৱলীৰ মূল্যায়ন কৰি ভৱিষ্যতৰ কাৰণে নতুন সংকল্প-গ্ৰহণৰ সুযোগ পালেহেঁতেন।

মহেশ্বৰ নেওগে বিশ্ববিদ্যালয় ট্ৰাস্ট বোৰ্ডৰ কামত যোগ দিয়াৰ কিছু দিনৰ পিছতে শিলপুখুৰীত এটা মেছ কৰি থাকিবলৈ লয়। মেছত লগৰীয়াসকলৰ ভিতৰত আছিল হেম বৰুৱা, নৱেন্দ্ৰনাথ শৰ্মা, ৰবীন্দ্ৰনাথ হাজৰিকা, শৰৎচন্দ্ৰ বৰুৱা, অভয় ডেকা আদি। এই সময়ৰ কথা সুঁৱৰি নেওগে নিজেই লিখিছে, "১৯৪৫-৪৬ চনত শিলপুখুৰী অঞ্চলৰ ডঙুৱা-দাংবৰলাৰ এটা মেছত (লোকৰ ভাৰা-ঘৰ হ'লেও তাৰে 'ৰামগিৰি' নামকৰণ কৰা হৈছিল) খাৱলি খাই পুৱা-গধূলি গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষা সমিতিৰ অফিচ কৰোঁ, আৰু মাজে মাজে গুৱাহাটী এৰি ডিবুৰু, গোলাঘাট, তেজপুৰ, যোৰহাট ভ্ৰমণ কৰি ভৱিষ্যতৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ হকে ক'ত কি টকাৰ টুপলি গোট খাইছে, চাই আহোঁগৈ। মাজে মাজে মেছৰ সহবাসী হেম বৰুৱাই কৈ উঠে, 'বুঢ়া বয়স

হ'লে আমাৰ নেওগে টুকুটুক্ কৰি লাঠি হাতত লৈ আগলৈ বিশ্ববিদ্যালয়ৰ বিষয়ে পতা সভাত লেকচাৰ দিবগৈ, 'বোপাটি-হঁত, এই বুঢ়ায়ে তাহা... বৰদলৈ, ফখৰুদ্দিন চাহাব আদিৰ লগত লাগি তোমালোকে পঢ়া এই ডাঙৰ পঢ়াশালিখন কৰিলো; এই বুঢ়ায়ে,··· ইত্যাদি, ইত্যাদি।"

বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগে আগে কিছু দিন শ্বিলঙত আঁতৰি থকাৰ বাহিৰে এই কালছোৱা নেওগ গুৱাহাটীতে থাকে আৰু তাহানি এৰি থৈ যোৱা গুৱাহাটীৰ সাংস্কৃতিক জীৱনৰ মাজত আকৌ সোমাই পৰে। ...শ্ববিদ্যালয়ৰ কামৰ মাজে মাজে তেওঁৰ সাহিত্য-সাধনাও চলি থাকে। মাজে-সময়ে দুই-এটা কবিতা লিখাৰ বাহিৰে সমসাময়িক আলোচনীবোৰলৈ তেওঁ ভালেমান মূল্যৱান প্ৰবন্ধ লিখি প্ৰবন্ধকাৰ-হিচাপে অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰে। এই সময়তে নেওগে ইংৰাজীত এম্. এ. পৰীক্ষা দিবৰ কাৰণে মনে মনে সাজু হয় কিন্তু ১৯৪৭ চনত প্ৰাইভেটকৈ পৰীক্ষা দি ...লিকতা বিশ্ববিদ্যালয়ৰপৰা আধুনিক ভাৰতীয় ভাষাতহে (অসমীয়া) প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম্. এ. পাছ কৰে। এই সময়তে বিশ্ববিদ্যালয় ট্ৰাস্ট বোৰ্ডৰ অফিচ লোপ পোৱালৈকে তেওঁ উক্ত পদত থাকে। এইদৰে ক'ব পাৰি যে বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ আদি-পৰ্বৰপৰা নেওগ বিশ্ববিদ্যালয় গঢ়োঁতা-সকলৰ অন্ততঃ সৰু এজন।

স্নাতকোত্তৰ মহলাত অধ্যাপনা

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰ পিছত ১৯৪৮ চনৰ ১ ডিচেম্বৰ তাৰিখে মহেশ্বৰ নেওগে বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ অসমীয়া বিভাগত লেক্‌চাৰাৰ হিছাপে যোগ দিয়ে। এই বিভাগৰ তেৱেঁই প্ৰথম অধ্যাপক। তাৰ অলপ পিছতে ডক্টৰ বাণীকান্ত কাকতিয়ে প্ৰফেছৰ হিছাপে আৰু ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই ৰিডাৰ হিছাপে এই বিভাগত যোগ দিয়ে। কেইমাহমানৰ ভিতৰতে সত্যেন্দ্ৰনাথ শৰ্মায়ো কটন কলেজৰপৰা আহি ইয়াত যোগ দিলেহি। "বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰম সৌভাগ্য যে ডক্টৰ বাণীকান্ত কাকতি, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দৰে কাণ্ডাৰী প্ৰথম ভাগতে পাইছিল আৰু সিসকলৰ বাহিৰে কৃষ্ণ... সন্দিকৈ আদি মনীষীসকল গোটখাই উদাৰ আৰু ভৱিষ্যতমুখী দৃষ্টিৰে বিভাগৰ পাঠ্যক্ৰমত ভাষা, সাহিত্য আৰু সাধাৰণ সংস্কৃতি সামৰি লৈছিল। আন ভাৰতীয় বিশ্ববিদ্যালয়ে তুলনামূলক সাহিত্য বোলা এটা বিষয় উলিওৱাৰ আগতেই তেনে বিষয়ৰ মৰ্ম সেই পাঠ্যক্ৰমৰ ধৰ্ম কৰা হৈছিল। সৰ্বভাৰতীয় ক্ষেত্ৰত এই বিভাগৰ অস্তিত্ব এতিয়াও অনুভূত হয়, অন্ততঃ মাজে মাজে। গৱেষণাৰ ক্ষেত্ৰত বিভাগটোৰ পতাকা আগৰেপৰা জাকত-জিলিকি আছে।" এই বিভাগৰ কেয়োগৰাকী অধ্যাপকেই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ প্ৰভূত বৰঙণি আগ বঢ়াইছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰৱেশ নেওগৰ জীৱনৰ মাইলৰ খুটি বুলিব পাৰি। এক নতুন দিগন্ত যেন তেওঁৰ কাৰণে মুকলি হৈ পৰিল। যি যি কৰিবলৈ অতদিনে উপযুক্ত

পৰিৱেশ বা সুবিধা পোৱা নাছিল, সেয়া কৰিবলৈ এতিয়া অফুৰন্ত সময় আৰু সুবিধা তেওঁৰ আগত ধৰা দিলেহি। তাৰ অকণিকে নেহেৰুৱাই তেওঁ তন্দ্ৰাটীনভাৱে কঠোৰ সাধনাত আত্মনিয়োগ কৰিলে। যোৱা পঁচিশ-ত্ৰিশ বছৰে ভাষা-সাহিত্য আৰু সংস্কৃতিৰ চৰ্চা আৰু গৱেষণা কৰি নেওগে যি বিপুল অৱদান আগ বঢ়াইছে, ভাবিলে বিস্ময় মানিব লাগে।

কলেজীয়া ছাত্ৰ অৱস্থাৰেপৰা নেওগে শঙ্কৰী ধৰ্ম আৰু সাহিত্যৰ চৰ্চাত মনোনিৱেশ কৰে আৰু ভালেমান মূল্যৱান প্ৰবন্ধ লিখি পণ্ডিতসকলৰপৰা ভূৰি ভূৰি প্ৰশংসা লাভ কৰে। বি. এ. পাছ কৰাৰ পিছতে তেওঁ শঙ্কৰদেৱৰ ভক্তি-তত্ত্বমূলক গ্ৰন্থ ‘ভক্তি-প্ৰদীপ’ বিস্তৃত টীকা-টিপ্পনীৰে সম্পাদনা কৰি উলিয়ায়। পুথিখনি লৈ ডক্টৰ বাণীকান্ত কাকতিৰ লেখীয়া পণ্ডিতে মন্তব্য কৰে, “বৰ্তমান যুগৰ বৈজ্ঞানিক পাণ্ডিত্যৰ বিশিষ্ট পদ্ধতিৰে সম্পাদন কৰা পুৰণি অসমীয়া সাহিত্যৰ এইখনিয়েই প্ৰথম পুথি। পুথিখনিয়ে নিজগুণে আৰু সম্পাদনৰ গুণে অসমীয়া সাহিত্য-সেৱী আৰু বৈষ্ণৱ-সমাজত যথাযোগ্য সমাদৰ পাব বুলি আশা কৰিলো।” ইয়াৰ পিছৰেপৰা নেওগে এখন এখনকৈ ভালেকেইখন বৈষ্ণৱ গ্ৰন্থ বিজ্ঞানসম্মতভাৱে সম্পাদনা কৰি প্ৰকাশ কৰে আৰু শঙ্কৰী সাহিত্যৰ এজন সুপণ্ডিত হিছাপে নিজকে প্ৰতিষ্ঠা কৰে। নেওগৰ শঙ্কৰী সংস্কৃতি-চৰ্চাৰ শীৰ্ষবিন্দু পায়গৈ যেতিয়া ১৯৫৫ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ-পৰা ‘শঙ্কৰদেৱ আৰু তেওঁৰ কাল: অসমত বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনৰ ইতিহাস’ বিষয়ক গৱেষণা-গ্ৰন্থ লিখি ডক্টৰেট উপাধিৰে বিভূষিত হয়। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট পোৱা প্ৰথম তিনিজনৰ এজন। ১৯৫৭ চনৰ ২৭ জুলাইৰপৰা ড° নেওগ অসমীয়া বিভাগৰ ৰিডাৰ হয় আৰু ১৯৬৪ চনত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মৃত্যুৰ পিছত তেওঁ এই বিভাগৰ দায়িত্ব ল’ব লগা হয়। ১৯৬৪ চনত পণ্ডিত জৱাহৰলাল নেহৰুৰ পৰলোকৰ লগে

লগে এই মহান দেশনেতাজনৰ স্মৃতিৰক্ষাৰ্থে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুখ্য অধ্যাপক ড° ভি. ৱেঙ্কট ৰাৱে তেওঁৰ জীৱনৰ সমস্ত সঞ্চিত ধনৰ দানেৰে Jawaha Nehru Professor of Assamese নামেৰে এখনি প্ৰাধ্যাপক াসন প্ৰতিষ্ঠা কৰে। অসমীয়া সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধন এই আসনৰ মুখ্য উদ্দেশ্য। প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে এখন ৰাজহুৱা সভাত আসনখনি উদ্বোধন কৰেহি। গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰ মহেশ্বৰ নেওগক সেই পদত নিয়োগ কৰে। আৰু ১৯৬ চনৰ ২৭ জুলাইৰ দিনা যোগদান কৰাৰেপৰা তেওঁ বিশ্ববিদ্যা জৱাহৰলাল নেহৰু অধ্যাপক হিছাপে কাম কৰি আহিছে।

অসমীয়া বিভাগত অধ্যাপনা কৰাৰ উপৰিও ড° নেওগ বিশ্ব-বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান আৰু কাৰ্যাৱলীৰে সৈতে আৰম্ভণিৰেপৰা জড়িত। তেৱেঁই নতুন দিল্লীত অনুষ্ঠিত প্ৰথমৰপৰা চতুৰ্থ আন্তঃ-বিশ্ববিদ্যালয় যুৱ মহোৎসৱত গুৱাহাটী বিশ্ববিদ্যালয় দলৰ নেতৃত্ব কৰে আৰু চাৰিওবাৰ আমাৰ দলে বি । সুখ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হয়। তৃতীয় মহোৎসৱত অসমৰ দলটি সৰ্বশ্ৰেষ্ঠ দলৰূপে পৰিগণিত হয়। কেৱল প্ৰতিযোগী দল হিছাপেই নহয়, শৃঙ্খলা আৰু নিয়মানুৱৰ্তিতাৰ ফালৰপৰাও গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটি সৰ্বশ্ৰেষ্ঠ বুলি গণ্য হয়। এই মহোৎসৱত একত্ৰিশখন বিশ্ববিদ্যালয়ে যোগদান কৰিছিল। সামৰণী মহোৎসৱৰ কাৰণে শ্ৰেষ্ঠ দলৰ নেতা ড° নেওগকে সভাপতি নিৰ্বাচন কৰা হ’ল—যিখন আসন ইতিপূৰ্বে ড° চিন্তামন দেশমুখ, ৰাজকুমাৰী অমৃত কৌৰ আদিৰ লেখীয়া লোকেহে অলঙ্কৃত কৰিছিল। ১৯৫৪ চনৰপৰা ১৯৫৯ চনলৈ ড° নেওগ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাচীন-পুথি-সংৰক্ষণ বিভাগৰ দায়িত্বত থাকে আৰু ভালেমান মূল্যৱান হাতেলিখা পুথি সংগ্ৰহ কৰে। বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগ গঠন হোৱাৰেপৰা ড° নেওগে সেই বিভাগৰো দায়িত্ব ল’ব লগা হয় আৰু ১৯৬৭ চনলৈকে

তেওঁ উক্ত দায়িত্বত থাকে। ড° নেওগ ১৯৬২ ছনত প্ৰকাশ হোৱা 'চন্দ্ৰকান্ত অভিধান'ৰ দ্বিতীয় সংস্কৰণৰ সংশোধনী সমিতিৰ যুটীয়া কৰ্মী নিযুক্ত হয়। এটা দ্বিতীয় সংস্কৰণ অভিধান-প্ৰকাশনৰ দাতা শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱে উত্তম হৈছে বুলি মন্তব্য কৰিছে। বৰ্তমানে প্ৰস্তুতি চলি থকা চন্দ্ৰকান্ত অভিধানৰ তৃতীয় সংস্কৰণৰ ড° নেওগ মুখ্য সম্পাদক। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে গুৱাহাটীৰ অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিবলৈ লোৱা অসমীয়া অভিধান-প্ৰণয়নৰ তিনিজনীয়া সমিতিৰ ড° নেওগো এজন সদস্য। এই অভিধান অলপতে প্ৰকাশ হৈ ওলাব। তদুপৰি পৰিষদে সম্প্ৰতি হাতত লোৱা বিশ্বকোষ-প্ৰণয়নৰ কামতো এটা বিভাগৰ সম্পাদকৰূপে তেওঁ জড়িত। প্ৰকাশন পৰিষদে আৰু এটা গধুৰ দায়িত্ব ড° নেওগৰ ওপৰত অৰ্পণ কৰিছে, সেয়া হৈছে কেইবাটাও খণ্ডত প্ৰকাশ হ'ব লগীয়া প্ৰায় ১৫০০ পৃষ্ঠা জোৰা অসমীয়া সাহিত্যৰ এখন বিস্তৃত বুৰঞ্জী। এই কামত তেওঁ ইতিমধ্যে অলপ আগ বাঢ়িছে বুলি জানিব পৰা গৈছে।

১৯৬০ ছনত গুৱাহাটী বিশ্ববিদ্যালয়ে মূল সংস্কৃত মহাভাৰতখন সম্পূৰ্ণৰূপে অসমীয়া গদ্যত ভাঙি কেইবাটাও খণ্ডত প্ৰকাশ কৰাৰ আঁচনি হাতত লয়। অধ্যাপক মহেশ্বৰ নেওগ এই আঁচনিৰো দায়িত্বত থাকে। ইতিপূৰ্বে সমগ্ৰ মহাভাৰতৰ অনুবাদ আৰু সম্পাদনা কাৰ্য শেষ হয় আৰু প্ৰথম দুটা খণ্ড প্ৰকাশ হৈ ওলায়। তৃতীয় খণ্ডটো (বনপৰ্ব) বৰ্তমান প্ৰকাশৰ পথত। এইখন মহাভাৰতৰ বিশেষত্ব এয়ে যে ই মূল সংস্কৃত মহাভাৰতৰ প্ৰায় আক্ষৰিক অনুবাদ আৰু ইয়াত অনুবাদৰ লগে লগে মূলৰ শ্লোক-সংখ্যা দি যোৱা হৈছে। এনে কৰাৰ ফলত মূল সংস্কৃত মহাভাৰতৰে পৰিচয় নথকা লোকৰ কাৰণেও গৱেষণা-কাৰ্যত এই গ্ৰন্থ সহায়ক হ'ব। ড° নেওগ উক্ত আঁচনিৰ দায়িত্বত থকাৰ উপৰিও নিজে মহাভাৰতৰ একাংশৰ অনুবাদ কৰিছে আৰু ইয়াৰ

সম্পাদনা সমিতিৰ তেৱোঁ এজন সদস্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ-পৰা *Journal of the University of Gauhati* নামে এখন গৱেষণামূলক বছৰেকীয়া ইংৰাজী আলোচনী কলা আৰু বিজ্ঞান, দুটা শাখাত বেলেগ বেলেগকৈ প্ৰকাশ হয়। ড° নেওগে ১৯৫৮ ছনৰপৰা এতিয়ালৈকে এই দুয়োখন আলোচনীৰ সম্পাদনা কৰি আহিছে। ইয়াত বিশেষভাৱে গৱেষণামূলক প্ৰবন্ধকহে ঠাই দিয়া হয়। উচ্চ-মানবিশিষ্ট আলোচনী হিছাপে এই আলোচনী দুখনৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতি আছে। পৰস্পৰ বিনিময়ৰ ভিত্তিত পৃথিৱীৰ বহুতো বিশ্ববিদ্যালয়লৈ এই আলোচনী পঠিওৱা হয়।

কিছু বছৰৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ত 'কাল্‌চাৰ এণ্ড চিভিলাইজেচন অব্ আসাম' নামে এটা স্নাতকোত্তৰ বিভাগ খোলা হৈছিল। ড° নেওগে উক্ত বিভাগতো অধ্যাপনা কৰিছিল। বিভাগটো অৱশ্যে কিবা কাৰণত ইতিপূৰ্বে তুলি দিয়া হ'ল। ১৯৬৩ ছনত গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ বঙলা বিভাগ খোলা হয়। মাজ ভাগতে ড° নেওগেই এই বিভাগৰো অধ্যক্ষৰূপে কাম চলাব লগা হৈছিল। ড° নেওগ গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সন্থাৰ একেৰাহে দুবছৰ উপসভাপতি আৰু দুবছৰ সভাপতি নিৰ্বাচিত হৈছিল আৰু তেওঁ থকাকালত শিক্ষকসকলৰ উন্নয়নমূলক ভালেমান কাম কৰিবলৈ সমৰ্থ হৈছিল। নেওগ বিশ্ববিদ্যালয়ৰ কোৰ্ট আৰু একাডেমিক কাউঞ্চিলৰো বহু দিনৰপৰা সদস্য হৈ আহিছে। একালত তেওঁ কাৰ্য-নিৰ্বাহক সমিতিৰো সদস্য আছিল। ১৯৬৮ আৰু ১৯৭১ ছনত গুৱাহাটী বিশ্ববিদ্যালয়ে দুজনা প্ৰথিতযশা সাহিত্যিক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱ বৰ চমকপ্ৰদভাৱে পালন কৰে। এই স্মৰণীয় উৎসৱ-পালনৰ মূলতে আছিল ড° মহেশ্বৰ নেওগ। তেওঁৰ সুদক্ষ পৰিচালনাত দুয়োটি উৎসৱ বৰ আকৰ্ষণীয় হৈছিল। বেজবৰুৱা জন্মশতবাৰ্ষিকী উৎসৱ উপলক্ষে বিশ্ববিদ্যালয়ৰ তৰফৰপৰা বেজবৰুৱা

সম্পৰ্কে এখনি সংকলনগ্ৰন্থ ইংৰাজীত প্ৰকাশ কৰাৰ দিহা কৰা হয় আৰু ড° নেওগৰ ওপৰত এই গ্ৰন্থৰ সম্পাদনাৰ দায়িত্ব পৰে। 'লক্ষ্মীনাথ বেজবৰুৱা: দি সাহিত্যৰথী অব্ আসাম' শীৰ্ষক এই বৃহৎ গ্ৰন্থখনি ইতিপূৰ্বে প্ৰকাশ হৈ ওলাইছে। ভাৰতৰ ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইন, ৰাষ্ট্ৰীয় অধ্যাপক ড° সুনীতিকুমাৰ চট্টোপাধ্যায়, শ্ৰীঅন্নদাশঙ্কৰ ৰায় প্ৰভৃতিৰ প্ৰবন্ধৰ উপৰিও প্ৰায় দুকুৰি মূল্যৱান প্ৰবন্ধ গ্ৰন্থখনিত সন্নিৱিষ্ট হৈছে। বেজবৰুৱাৰ ব্যক্তিত্ব, চৰিত্ৰ আৰু সাহিত্য-সাধনাৰ পটভূমিৰূপে সেই সময়ৰ সমগ্ৰ ভাৰতবৰ্ষ আৰু বিশেষকৈ অসমৰ পটভূমি পুথিখনত দাঙি ধৰা হৈছে। কবি, নাট্যকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, হাস্যৰসিক, গদ্য-শিল্পী, ধৰ্ম আৰু দৰ্শনৰ ব্যাখ্যাকৰ্তা, এই ধৰণে বিভিন্ন দৃষ্টিৰপৰা বিভিন্ন সুলেখকে বেজবৰুৱাৰ ব্যক্তিত্বৰ মূল্যায়ন কৰিছে। পুথিখনি নিঃসন্দেহে বেজবৰুৱা-সাহিত্যলৈ এক বিশিষ্ট সংযোজন। ১৯৭৩ চনৰ বছৰটোতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হয়। এই উপলক্ষে ওলাব লগীয়া স্মৃতিগ্ৰন্থখনিৰো সম্পাদনা কৰিব ডক্টৰ নেওগে।

ড° মহেশ্বৰ নেওগ নিজে এজন সৰ্বভাৰতীয় খ্যাতিসম্পন্ন গৱেষক পণ্ডিত হোৱাৰ উপৰিও তেওঁৰ তত্বাৱধানত বৰ্তমান ভালেকেইজন লোকে গৱেষণা কৰি আছে। এই গৱেষণাৰ বিষয় অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উপৰিও ধৰ্ম, দৰ্শন, সুকুমাৰ কলা, নৃতত্বলৈকে হ'ব পাৰে। তেওঁৰ তত্বাৱধানত ইতিপূৰ্বে ডক্টৰেট পোৱা লোকসকল হৈছে ডিব্ৰুগড় কানৈ কমাৰ্চ কলেজৰ অধ্যক্ষ ড° নিৰ্মলকুমাৰ বসু, গোৱালপাৰা কলেজৰ অধ্যক্ষ (বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়াৰ ৰিডাৰ) ড° মহেন্দ্ৰ বৰা, গোলাঘাট কলেজৰ অধ্যক্ষ ড° মোহিনীকুমাৰ শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কেশৱানন্দ দেৱ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সত্যনাৰায়ণ ৰথ, আৰু ইম্ফল কলেজৰ অধ্যাপক ড° মৈৰাংথেম কীৰ্তি সিং।

ডক্টৰ নেওগ এই বছৰৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডিন্ অব্ ফেকাল্টি অব্ আৰ্টছ্ হিচাপে নিৰ্বাচিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপৰি কলিকতা, বাৰাণসী [illegible] ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ আৰু ভাৰতৰ ইউনিয়ন পাব্লিক ছাৰ্ভিছ কমিছনৰো পৰীক্ষক হিচাপে তেওঁ বহু দিনৰপৰা কাম কৰি আহিছে। তদুপৰি এলাহাবাদ, পাটনা আদি কেইবাখনো বিশ্ববিদ্যালয়ৰ পি. এইচ্.ডি. থিছিছৰ তেওঁ পৰীক্ষক হিচাপে নিযুক্ত হৈছে আৰু ইতিমধ্যে কেইখনমান থিছিছ পৰীক্ষা কৰিছে। ডক্টৰ নেওগ বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ৰ বোৰ্ড্ অব্ স্টাডিজৰো প্ৰথম সদস্য।

টী

সাহিত্য-সভা সাহিত্য-সভা

অলপতে গুৱাহাটীৰ সৱিতা সভাই ডক্টৰ নেওগক সাহিত্য-সভাৰ সভাপতি নিৰ্বাচিত হোৱা উপলক্ষে সম্বৰ্ধনা জনাওঁতে এজন বক্তাই এই বুলি মন্তব্য কৰিছিল, "ডক্টৰ নেওগ মানেই অসম সাহিত্য-সভা আৰু অসম সাহিত্য-সভা মানেই ডক্টৰ নেওগ।" কথাষাৰ তেনেই অমূলক নহয়। যোৱা কিছু বছৰ ধৰি অসম সাহিত্য-সভাৰ বিষয়ে ভু ৰখা লোক-মাত্ৰেই এই কথাৰ সত্যতা লক্ষ্য কৰিব পাৰিব। ১৯৬০ ছনত অসম সাহিত্য-সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাৰ পিছৰপৰা এতিয়ালৈকে নেওগে সাহিত্য-সভাৰ লগত নিজকে অতি নিবিড়ভাৱে জড়িত কৰি ৰাখিছে আৰু সাহিত্য-সভাৰ হকে বিভিন্ন প্ৰকাৰে অৰিহণা যোগাইছে। অসম সাহিত্য-সভাত নেওগৰ প্ৰৱেশ বিশেষ তাৎপৰ্যপূৰ্ণ। তেওঁৰ বিচক্ষণতা আৰু কাৰ্যদক্ষতা গুণে সাহিত্য-সভাৰ ৰূপ বহু পৰিমাণে সলনি কৰি সাহিত্য-সভাক এটা জাগ্ৰত, জীৱন্ত জাতীয় অনুষ্ঠানত পৰিণত কৰিছে। আজি অসম সাহিত্য-সভা কেৱল মুষ্টিমেয় সাহিত্যিকৰে অনুষ্ঠান হৈ থকা নাই। ই আজি অসমৰ একমাত্ৰ জাতীয় অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। সাহিত্য-সভাৰ কৰ্মক্ষেত্ৰ কেৱল সাহিত্যৰ মাজতে আবদ্ধ থকা নাই। ইয়াৰ পৰিসৰ অসমৰ জাতীয় জীৱনৰ সকলো ক্ষেত্ৰলৈকে প্ৰসাৰিত হৈছে। এই কাম যে অকল ড° নেওগেই কৰিছে এনে কথা ক'ব খোজা নাই। কিন্তু এই ক্ষেত্ৰত ড° নেওগৰ ভূমিকাই বোধ কৰোঁ আটাইতকৈ গুৰুত্বপূৰ্ণ। নেওগৰ আগতো তেওঁৰ পূৰ্বসূৰী অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা প্ৰধান সম্পাদক থাকোঁতে সাহিত্য সভাৰ কাৰণে কম

কৰি যোৱা নাই। কিন্তু ড° নেওগৰ দিনতে সুদূৰপ্ৰসাৰী কাৰ্যাৱলীৰে সাহিত্য-সভা এটা বৃহৎ জাতীয় অনুষ্ঠানত পৰিণত হৈছে। এনে এটা অনুষ্ঠানৰ গুৰি ধৰিবলৈ যি পাণ্ডিত্য আৰু দক্ষতা লাগে, সেয়া নেওগৰ পূৰামাত্ৰায় আছে। তদুপৰি, অসমীয়া সাহিত্য-সংস্কৃতিলৈ তেওঁৰ দান বিপুল। সেয়ে এইবাৰ ড° নেওগ মঙ্গলদৈ অধিৱেশনৰ সভাপতি নিৰ্বাচিত হোৱাত অসমৰ এখন দৈনিক কাকতে এই বুলি মন্তব্য কৰিছে, "তেওঁ (ড° নেওগ) সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাৰ বাতৰিত ইয়াৰ প্ৰায় সকলো সাহিত্যিক আৰু সাহিত্যসেৱী আনন্দিত। তাৰ সম্ভৱ প্ৰথম কাৰণ, তেওঁৰ অসমীয়া সাহিত্যলৈ থকা মৃত্যুহীন অৱদান আৰু [illegible] কৰাৰ অদ্ভুত শক্তি। সৰ্বভাৰতীয় পৰ্যায়ত আধুনিক আৰু প্ৰাচীন অসমীয়া ভাষা আৰু সাহিত্যক প্ৰতিনিধিত্ব কৰা তেওঁতকৈ যোগ্যতৰ ব্যক্তি বৰ্তমান আমাৰ মাজত নাই।" (দৈনিক জনমভূমি, ১১ নবেম্বৰ ১৯৭৩)

নেওগ ছাত্ৰাৱস্থাৰেপৰা নানা সাহিত্যিক অনুষ্ঠানৰ লগত জড়িত হৈ আহিছে। কটন কলেজত পঢ়ি থাকোঁতে তেওঁ গুৱাহাটীৰ এ. এছ্. এল্. ক্লাবৰ সদস্য আছিল আৰু পিছত ক্লাবৰ সম্পাদক-ৰূপে কাম চলাইছিল। ১৯৪৩ ছনত যোৰহাটত অসম সাহিত্য-সভাৰ অষ্টাদশ অধিৱেশন বহে ডক্টৰ ময়িত্বল ইছলাম বৰাৰ সভাপতিত্বত। তেতিয়া নেওগ শিৱসাগৰত আছিল। সেই অধিৱেশনতে ডিম্বেশ্বৰ নেওগ সাহিত্য-সভা পত্ৰিকাৰ সম্পাদক নিৰ্বাচিত হয়। এই অধিৱেশনৰপৰাই মহেশ্বৰ নেওগ সাহিত্য-সভাৰ সম্পৰ্কলৈ আহে। তেতিয়া তেওঁ বি. এ. পাছ কৰি স্কুলৰ চাকৰিত সোমাইছিল মাথোন। ইয়াৰ পিছৰ বাৰ ১৯৪৪ ছনত অসম সাহিত্য-সভাৰ ঊনবিংশ অধিৱেশন শ্ৰীনীলমণি ফুকনৰ সভাপতিত্বত শিৱসাগৰত বহে। এইবাৰ ডিম্বেশ্বৰ নেওগ সাহিত্য-সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। মহেশ্বৰ নেওগ তেতিয়া শিৱসাগৰ ফুলেশ্বৰী ছোৱালী হাই স্কুলৰ শিক্ষক। নিজৰ জন্ম

আৰু কৰ্মস্থান শিৱসাগৰত অনুষ্ঠিত এই অধিৱেশনত নেওগে সক্ৰিয়ভাৱে যোগদান কৰে। তেতিয়াৰপৰাই নেওগৰ সাহিত্য-সভাৰে পোনপটীয়া স[illegible]টী ঘটে। তেওঁ ভালেমান মূল্যৱান প্ৰবন্ধ লিখি অসম সাহিত্য-সভা পত্ৰিকাত প্ৰকাশ কৰে। ১৯৫৯ ছনত নেওগ সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ আলোচনা-চক্ৰৰ সভাপতি হয়। তাৰ পিছৰ বছৰ অৰ্থাৎ ১৯৬০ ছনৰ পলাশবাৰী (মিৰ্জা) অধিৱেশনত তেওঁ সাহিত্য-সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় আৰু পুনৰ নাজিৰাত নিযুক্ত হৈ ১৯৬৫ ছনলৈকে এই দায়িত্বত থাকে। সাহিত্য-সভাৰ [illegible]শ অধিৱেশন ১৯৬৭ ছনত ডিব্ৰুগড়ত বহে। সেইবাৰ ডক্টৰ নেওগ পুনৰ আলোচনা-চক্ৰৰ সভাপতি নিৰ্বাচিত হয়। তাৰ পিছত ১৯৬৭ ছনৰপৰা একেৰাহে দুবছৰ তেওঁ সাহিত্য-সভাৰ উপ-সভাপতিৰূপে কাম চলায়।

অসম সাহিত্য-সভাৰ এই কালছোৱা অতি সংকটপূৰ্ণ আৰু ঘটনাবহুল। দেশৰ ওপৰেদি কেইবাটাও ডাঙৰ ধুমুহা পাৰ হৈ গৈছে। ১৯৬০ ছনৰ ভাষা-আন্দোলন, সীমান্তৰ অসমীয়া-বিৰোধী শিক্ষা-নীতি, চীন আৰু পাকিস্থানৰ ভাৰত-আক্ৰমণ আদি জাতীয় সংকটৰ সময়ত সাহিত্য-সভাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লগা হৈছে। এই সময়ত সাহিত্য-সভাই লাভ কৰে ড° নেওগৰ সুদক্ষ নেতৃত্ব। বিশেষকৈ ১৯৬০-৬১ ছনৰ ভাষা-আন্দোলনৰ নিচিনা সংকটপূৰ্ণ অৱস্থাত অধ্যাপক নেওগে যি দক্ষতাৰে সাহিত্য-সভাৰ গুচি ধৰিলে, তালৈ লক্ষ্য ৰাখি তেতিয়াৰ অসম সাহিত্য-সভাৰ সভাপতি অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীয়ে এইদৰে মন্তব্য কৰিছিল, "The Sabha passed through a critical time after the language disturbances, but the sober stand taken by him has been appreciated not only by the members of the Executive but also by the people in general."

ডক্টৰ নেওগ সাহিত্য-সভাৰ প্ৰধান সম্পাদক থকা কাল-

ছোৱাত সাহিত্য-সভাই যিবোৰ গুৰুত্বপূৰ্ণ কাম সম্পাদন কৰিব লগা হৈছিল, তাৰ অলপ আভাস দিলে নেওগৰ ভূমিকা সম্পৰ্কে অৱগত হ'ব পাৰি। ১৯৬০ ছনৰ [illegible] ডিচেম্বৰ তাৰিখে নেওগে সাহিত্য-সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব লোৱাৰ পিছতে ১৯৬০ ছনৰ অসম শাসকীয় ভাষা অধিনিয়মৰ লগত জড়িত হৈ উত্থাপিত হোৱা অসম আৰু অসমীয়াৰ প্ৰতিকূলে যোৱা নীতিৰ বিৰুদ্ধে অসম সাহিত্য-সভাই চোকা দৃষ্টি ৰাখিব লগীয়া হয়। এনেয়ে ভাষা আইনখনত অসম আৰু অসমীয়াৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব পৰা কেইটামান অনুচ্ছেদ আছিল; তাতে আকৌ প্ৰথয়মখনৰ বিপক্ষে কাছাৰৰ এচাম বঙলা-ভাষীৰ ভ্ৰান্ত আন্দোলনৰ [illegible] ভাৰতৰ স্বৰাষ্ট্ৰমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে ভাষা আইনখন পুনৰ অধিকতৰ ক্ষতিকৰভাৱে সংশোধন কৰিবলৈ তেওঁৰ বিখ্যাত 'শাস্ত্ৰী-সূত্ৰ'ৰ দ্বাৰা পৰামৰ্শ আগ বঢ়ায় আৰু সেই পৰামৰ্শ অসম মন্ত্ৰীসভাই শীঘ্ৰে গ্ৰহণ কৰে। এনে পৰিস্থিতিত সাহিত্য-সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ১৯৬১ ছনৰ ২৪ আৰু ২৫ জুন তাৰিখৰ অধিৱেশনত সমিতিয়ে উপৰ্যুক্ত সংশোধনৰ ঘোৰ বিৰোধিতা কৰে আৰু অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০খন কোনো সংশোধন নকৰাকৈ তুৰন্তে কাৰ্যত পৰিণত কৰিবলৈ অসম চৰকাৰক অনুৰোধ জনায়। সভাই সেই বছৰৰে ৪ জুন আৰু ২৯ জুলাই তাৰিখে দুখন স্মাৰক-পত্ৰ লাল বাহাদুৰ শাস্ত্ৰীৰ ওচৰত সেই মৰ্মে দাখিল কৰে। তদুপৰি ১৩ ছেপ্টেম্বৰ তাৰিখে মহেশ্বৰ নেওগ, হৰেন্দ্ৰনাথ বৰুৱা আৰু নৰেন্দ্ৰনাথ শৰ্মাৰে গঠিত এটা তিনিজনীয়া সঁজাতী দলে নতুন দিল্লীত (তেওঁলোকৰ লগত এম্.পি. প্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু যোগেন্দ্ৰনাথ হাজৰিকায়ো যোগ দিয়ে) স্বৰাষ্ট্ৰমন্ত্ৰীক লগ ধৰি তেওঁৰ সূত্ৰযে অসাংবিধানিক আৰু অসমৰ বাবে অহিতকৰ, সেই কথা ব্যাখ্যা কৰি এখন পৰিপূৰক স্মাৰক-পত্ৰ দাখিল কৰে, লগতে এই কথাও স্পষ্ট কৰি দিয়ে যে শাস্ত্ৰী-সূত্ৰ ১১, ১২ আৰু

১৩ আগষ্টৰ মুখ্যমন্ত্ৰী-সন্মিলনৰ সিদ্ধান্তৰো পৰিপন্থী। শাস্ত্ৰীয়ে সকলো কথা আগ্ৰহেৰে আলোচনা কৰে আৰু সঁজাতী-দলক জনায় যে সেই বিষয়ে এটা অসমৰ মুখ্যমন্ত্ৰীৰ লগত পৰামৰ্শ কৰি আৱশ্যকীয় দিহা দিব। [illegible]৬ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী চলিহা দিল্লীলৈ যাওঁতে ডক্টৰ নেওগে তেওঁৰ লগ ধৰি টানি অনুৰোধ কৰে যাতে অসমীয়া ভাষাৰ ৰাজ্যিক প্ৰশাসনীয় মৰ্যাদাৰ ক্ষতিকৰ কোনো কাৰ্য সাধিত নহয়। ইয়াৰ পিছত অসম চৰকাৰে বিধান সভাৰ ছেপ্টেম্বৰ-অক্টোবৰৰ অধিবেশনত অসম শাসকীয় ভাষা অধিনিয়মখন কিছু সংশোধন কৰি গৃহীত [illegible] যদিও কাছাৰত ৰাজ্যিক ভাষা অসমীয়াৰ প্ৰৱেশ মুক্ত কৰি ৰাখে। এইদৰে সাহিত্য-সভাই অসমৰ ভাষা-সমস্যাৰ সমাধানত বিশেষ ভূমিকা গ্ৰহণ কৰিব লগা হৈছে। ইয়াৰ পিছৰ কেইবছৰতো ভাষা আইনখন কামত লগোৱাত চৰকাৰে হোঁহকা-পিছলা কৰি থাকোঁতে সাহিত্য-সভাই সদায় যুঁজি থাকিব লগা হৈছে।

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে অসমত চলি থকা ভাষা-বিবাদৰ প্ৰকৃত স্বৰূপটো চৰকাৰক তথা ৰাইজক অৱগত কৰাবৰ কাৰণে সাহিত্য-সভাই এখন পুথি যুগুত কৰাৰ সিদ্ধান্ত লয়। কেইবাজনো বিশিষ্ট সাহিত্যিক-সাংবাদিকৰ প্ৰবন্ধেৰে *Assam's Language Question* নামৰ এখন ইংৰাজী গ্ৰন্থ ডক্টৰ নেওগৰ সম্পাদনাত প্ৰকাশ হয় আৰু পুথিখন ভাৰতীয় সংসদৰ সদস্য, ভাৰতৰ ৰাজ্যপালসকল, মুখ্যমন্ত্ৰীসকল আৰু বিধান সভাৰ অধ্যক্ষসকললৈ পঠিওৱা হয়। পুথিখনে অসমৰ ভাষা-সমস্যাটোৰ এটা বাস্তৱ চিত্ৰ দাঙি ধৰাত বিশেষ সহায় কৰে।

সেইদৰে ১৯৬১ চনৰ লোক-গণনাৰ ভাষা-বিষয়ক প্ৰশ্নৰ ক্ষেত্ৰতো নানা বেমেজালিয়ে দেখা দিয়ে। লোক-গণনাত বিশেষকৈ মাতৃ-ভাষা কথাটোৰ অপব্যাখ্যাই খেলি-মেলিৰ সৃষ্টি কৰে আৰু ফলত অসমীয়া ভাষা-ভাষীৰ সংখ্যা হ্ৰাস হোৱাৰ আশঙ্কা কৰা হয়।

চৰকাৰী গণনাকাৰীলৈ দিয়া অসমীয়া নিৰ্দেশাৱলীত ৭ (খ) প্ৰশ্নৰ (অন্য কি ভাষা জানে) ব্যাখ্যাত 'can use with felicity in communicating with others' কথাটো ভুলকৈ অনুবাদ কৰি 'আনলৈ লিখোঁতে স্পষ্টকৈ সকলো কথা বুজাব পাৰিব লাগিব' বুলি দিয়া কথালৈ দৃষ্টি আকৰ্ষণ কৰি প্ৰধান সম্পাদকে অসমৰ লোক-গণনাৰ ছুপাৰিণ্টেণ্ডেণ্ট্ আৰু মুখ্যমন্ত্ৰীলৈ তাঁৰ কৰি শীঘ্ৰে তাৰ উচিত ব্যৱস্থা ল'বলৈ আৱেদন জনায়। ছুপাৰিণ্টেণ্ডেণ্টে ভুল স্বীকাৰ কৰে আৰু তাৰ সংশোধনী-পত্ৰ প্ৰকাশ কৰাৰ কথা জনায়। তথাপি উক্ত সংশোধনীখনৰ যথাৰ্থভাৱে প্ৰচাৰ নোহোৱাত অসমীয়া ভাষাৰ গণনাত অসমীয়াৰ পক্ষত কিছু ভুল হৈ যোৱাৰ সম্ভাৱনা দেখি সভাই উদ্বেগ প্ৰকাশ কৰে আৰু চেন্‌ছাছ্ ছুপাৰিণ্টেণ্ডেণ্টক এই কথা তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰিবলৈ বিশেষভাৱে অনুৰোধ কৰে।

প্ৰায় একে সময়তে অসম সাহিত্য-সভাৰ সমুখত উপস্থিত হোৱা আন এটা সমস্যা হৈছে উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা-নীতিক লৈ। সাহিত্য-সভাই বহু দিনৰেপৰা কৰা প্ৰচেষ্টাৰ ফল-স্বৰূপে ১৯৫৯ চনৰ ১৮ ডিচেম্বৰ তাৰিখে ভাৰত চৰকাৰৰ তৰফৰ-পৰা ঘোষণা কৰা হয় যে ১৯৬০ চনৰ মাৰ্চ মাহত স্কুল-ছেছন আৰম্ভ হোৱাৰ লগে লগেই উত্তৰ-পূব সীমান্ত অঞ্চলত শিক্ষাৰ মাধ্যম-হিচাপে অসমীয়া প্ৰৱৰ্তন কৰা হ'ব। কিন্তু এই নীতি অনুসৰি কাম হাতত লোৱাৰ কোনো লক্ষণ দেখা নোপোৱাত সাহিত্য-সভাই অবিশ্ৰাম যুঁজ দিব লগীয়া হয়। প্ৰধান সম্পাদকে সীমান্তৰ কৰ্তৃপক্ষলৈ ভালেমান লিখা-লিখি কৰাৰ পিছত তেওঁলোকে ভাল অসমীয়া শিক্ষক বিচাৰি সাহিত্য সভালৈ অনুৰোধ জনাই চিঠি লিখে। কিন্তু তেওঁলোক গ্ৰেজুৱেট বা এম্.এ., এম্.এছ্.ছি. প্ৰাৰ্থী হ'লেই নহয়, তেনে প্ৰাৰ্থীৰ সুদীৰ্ঘ কাল শিক্ষকতাৰ অভিজ্ঞতা নাইবা বি.টি. বা প্ৰশিক্ষণ-অৰ্হতা থাকিব লাগিব। কিন্তু এনে

অভিজ্ঞতা থকা আৰু প্ৰশিক্ষণ-প্ৰাপ্ত শিক্ষক প্ৰায় একে সুবিধাত সীমান্তৰ আওহতীয়া অঞ্চলত কাম কৰিবলৈ যাব কিয় ? গতিকে সাহিত্য-সভাই পৰামৰ্শ দিছিল যে ভৈয়ামৰ স্কুলসমূহৰ দৰে সীমান্তৰ স্কুলতো প্ৰথমতে প্ৰশিক্ষণ নোহোৱা গ্ৰেজুৱেট আদিক নিযুক্তি দি পিছতে আৱশ্যকমতে প্ৰশিক্ষণৰ দিহা কৰিব লাগে। কিন্তু কৰ্তৃপক্ষ তেনে পৰামৰ্শত সম্মত নহ'ল। তেওঁলোকে জানিছিল যে প্ৰশিক্ষণ পোৱা নাইবা দীৰ্ঘ কালৰ অভিজ্ঞতা থকা অসমীয়া শিক্ষক দুৰ্গম পাহাৰত কাম কৰিবলৈ নাযায়। গতিকে সীমান্তৰ শিক্ষা-বিভাগে শিক্ষকৰ প্ৰশিক্ষণৰ ওপৰত ভাৰোপ কৰা গুৰুত্বৰপৰা অসমৰ প্ৰাৰ্থী-সকলক বঞ্চিত কৰাৰ এটা অপকৌশল বুলি ভাবিবৰ থল আছে। তাৰ উপৰি সীমান্ত অঞ্চলত শিক্ষাৰ মাধ্যম ওপৰৰ শ্ৰেণীবোৰত অসমীয়া হ'ব বুলি চৰকাৰে সিদ্ধান্ত লোৱাৰ পিছতো প্ৰাথমিক শিক্ষা জনজাতীয় ভাষাৰ মাধ্যমত অসমীয়া লিপিৰ পৰিবৰ্তে দেৱনাগৰী লিপিত চলোৱা সিদ্ধান্তৰ কি যুক্তি থাকিব পাৰে ? ইয়াৰ অন্তৰালত বিশেষ উদ্দেশ্য নিহিত থকা অসম্ভৱ নহয়। এনে কৰাৰ ফলত জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলৰ অসমীয়া ভাষাৰ প্ৰতি থকা সুপ্ৰীতিৰ মনোভাৱ আঁতৰি যোৱা অতি সম্ভৱ। এই সম্পৰ্কে সাহিত্য-সভাৰ প্ৰধান সম্পাদকে সীমান্তৰ শিক্ষা-কৰ্তৃপক্ষ আৰু ৰাজ্যপালৰ সীমান্ত-সংক্ৰান্ত উপদেষ্টালৈ বহুত লিখা-লিখি কৰিও কোনো ফল নাপালে। ১৯৬১ চনৰ ১৯ মে'ত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু গুৱাহাটীলৈ আহোঁতে সাহিত্য-সভাৰ সঁজাতী দলে তেওঁক লগ ধৰি এখন স্মাৰক-পত্ৰ যোগে ইয়াৰ প্ৰতিকাৰৰ অৰ্থে টানি ধৰে আৰু প্ৰধানমন্ত্ৰীয়েও সেই বিষয়ে বিবেচনা কৰাৰ আশ্বাস দিয়ে। সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি সম্পৰ্কে চৰকাৰ আৰু ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে এই সময়তে প্ৰধান সম্পাদক ডক্টৰ নেওগে কেইবাটাও প্ৰবন্ধ লিখি বাতৰি কাকতত প্ৰকাশ কৰে। সাংস্কৃতিক নীতি সম্পৰ্কীয় এটা প্ৰবন্ধত ভৈয়াম আৰু সীমান্তৰ পৰ্বতৰ স্বাভাৱিক ধৰ্মমূলক সম্পৰ্ক

সীমান্তৰ প্ৰশাসনে ব্যাহত কৰাৰ কথা লৈ তেওঁ সমালোচনা কৰে। এই সমালোচনাই সীমান্তৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তেওঁলোকে সেই সম্পৰ্কে নেওগলৈ কেইবাখনো চিঠি লিখে। সীমান্তৰ জনজাতীয় পৰিক্ৰমাৰ উপদেষ্টা ডক্টৰ ভেৰিয়াৰ এল্‌ৱিনে ১৯৬৩ চনৰ ১১ মাৰ্চ তাৰিখে নেওগলৈ দিয়া এখন চিঠিত এইদৰে লিখিছে, "I am very interested in the Gossains and their influence in NEFA and I am anxious to see the links between the NEFA tribes and the satras, which, I am sorry to say, seem to have been broken in some Divisions, restored. Your article on Narottam Raja is most interesting. I entirely agree with you that NEFA and Assam should work together, and indeed this has always been my view."

ডক্টৰ নেওগে উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা আৰু সাংস্কৃতিক নীতি পৰ্যালোচনা কৰি 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি' (*The Educational and Cultural Policies of the North-East Frontier Agency Administration*) নামে এখন পুথি লিখি সাহিত্য-সভাৰ তৰফৰপৰা ১৯৬২ চনত প্ৰকাশ কৰে। পুথিখনত সীমান্ত প্ৰশাসনৰ নীতি সমালোচনা কৰাৰ উপৰিও সীমান্তৰ লোকসকলৰ মনত অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ প্ৰতি থকা সৌহাৰ্দ্যৰ আভাস আৰু বহু কেইজন অনুসন্ধানকাৰী নেতৃস্থানীয় পণ্ডিতৰ চিন্তাশীল মতামতৰ উদ্ধৃতি সন্নিৱিষ্ট হৈছে। পুথিখন পাৰ্লিয়ামেণ্টৰ সদস্যসকল আৰু সীমান্তৰ নেতৃস্থানীয় লোক-সকলৰ মাজত বিতৰণ কৰা হয় আৰু ই সীমান্ত প্ৰশাসনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হয়।

প্ৰাচীন কালৰেপৰা সীমান্ত অঞ্চলত বসবাস কৰা জনজাতীয় লোকসকলেৰে ভৈয়ামৰ মানুহৰ সম্বন্ধ অতি মধুৰ আছিল। কিন্তু

সমগ্ৰ নেফা অঞ্চল এটি স্বকীয়া প্ৰশাসনীয় গোট কৰাত আৰু পিছত নেফা অঞ্চলত বিভেদকামী শিক্ষা-নীতি প্ৰৱৰ্তন কৰাৰ ফলত সেই সম্পৰ্ক বহু পৰিপাটী নষ্ট হোৱাৰ উপক্ৰম হয়। আন কি, নেফাৰ জনজাতীয় লোকসকলে নিজেই এই নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনালে। চৰকাৰে পৰ্বত-ভৈয়ামৰ মাজৰ চিৰকলীয়া সম্বন্ধ ছিঙিবৰ কাৰণে যত্ন কৰিলেও সাহিত্য-সভাই সেই সম্প্ৰীতি ঘূৰাই আনিবৰ কাৰণে নানা প্ৰকাৰে যত্নপৰ হয়। সেয়ে ১৯৬১ ছনৰপৰা সাহিত্য-সভাৰ সাৰ্থক অধিৱেশনবোৰলৈ সীমান্তৰ বিভিন্ন অঞ্চলৰপৰা জনজাতীয় লোকক অতিথিৰূপে আমন্ত্ৰণ জনোৱা হয় আৰু তেওঁলোকেও সাগ্ৰহে যোগ দি আহিছে। সেই একে উদ্দেশ্যে সীমান্তৰপৰা প্ৰতি বছৰে নৃত্য-গীতৰ দলো সাহিত্য-সভাৰ অধিৱেশনলৈ নিমন্ত্ৰণ কৰি অনা হৈছে। তদুপৰি, আহ-যাহৰ মাজেদিহে সম্প্ৰীতি গাঢ় হয়। সেয়ে সাহিত্য-সভাৰ তৰফৰপৰা একোটি সন্দেশবাহী দল সীমান্তৰ বিভিন্ন অঞ্চললৈ যোৱাৰ দিহা কৰা হয়; ১৯৬১ ছনৰ এপ্ৰিল মাহত ডক্টৰ মহেশ্বৰ নেওগ, হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈৰে গঠিত সাহিত্য সভাৰ এটা সন্দেশবাহী দলে টিৰাপ সীমান্ত অঞ্চল ভ্ৰমণ কৰি সেই অঞ্চলৰ জনজাতীয় লোকসকলৰ লগত ঘনিষ্ঠ সম্বন্ধ-স্থাপনৰ চেষ্টা কৰে। টিৰাপ চাৰিটা জনজাতিৰ নিৱাসস্থল—চিংফৌ, নক্টে, ৱাঞ্চো আৰু টাংছা। টিৰাপৰ লগত ভৈয়ামৰ সম্পৰ্ক অতি প্ৰাচীন। সঁজাতী দলটোৱে সৈতে তেওঁলোকৰ মধুৰ আলাপ-আলোচনা হয় আৰু উপঢৌকন-বিনিময় হয়।

সেই ছনৰে ডিচেম্বৰ মাহত এই দলটো লোহিত সীমান্তলৈ যাত্ৰা কৰে। এইবাৰ দলটোত অধ্যক্ষ পৰাগ চলিহায়ো যোগ দিয়ে। দলটোৱে লোহিত সীমান্ত ভ্ৰমণ কৰি জনজাতীয় লোক-সকলৰপৰা আদৰ-অভ্যৰ্থনা পোৱাৰ উপৰিও বুজিব পাৰে যে অসমীয়া লোকৰ লগত থকা অতীজৰ সম্বন্ধ গাঢ়তৰ কৰিবলৈ এওঁলোকৰ প্ৰবল আগ্ৰহ আছে। ইয়াৰ পিছত ১৯৬২ ছনৰ

অক্টোবৰৰ ১২ তাৰিখে ডক্টৰ মহেশ্বৰ নেওগ আৰু লীলা গগৈৰে দুজনীয়া সন্দেশবাহী দল এটি ছিয়াং সীমান্ত অঞ্চললৈ যাত্ৰা কৰে। দলটিয়ে তাৰ স্থানীয় ৰাইজ, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আদৰ-অভ্যৰ্থনাৰ মাজত ভ্ৰমণ কৰে আৰু উপঢৌকন-বিনিময় আদি কৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ আনন্দ-উলাহে লোহিত আৰু ছিয়াং দুই অঞ্চলতে সাহিত্য সভাৰ দলক অভিভূত কৰি তোলে। সেই সীমান্তলৈ যোৱা এই কেয়োটা সন্দেশবাহী দলৰ নেতৃত্ব কৰিছিল নেওগে নিজে আৰু তাৰ দ্বাৰা পৰ্বত-ভৈয়ামৰ সম্পৰ্ক পুনৰ সজীৱ কৰি তুলিবলৈ তেওঁ যত্ন কৰিছিল। তদুপৰি, সভাৰ তৰফৰপৰা এটা তিনিজনীয়া সঁজাতী দলক কাছাৰ আৰু উত্তৰ কাছাৰৰ বিভিন্ন ঠাইত সৌহাৰ্দ্যজ্ঞাপক ভ্ৰমণৰ কাৰণেও পঠোৱা হৈছিল।

১৯৬২ ছনত চীনৰ ভাৰত-আক্ৰমণ অসমৰ কাৰণে এটা ডাঙৰ প্ৰত্যাহবান। চীনৰ সম্প্ৰসাৰণকামী আক্ৰমণৰ ফলত সমগ্ৰ দেশ জুৰি উদ্ভৱ হোৱা সংকটপূৰ্ণ পৰিস্থিতিত সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লগা হয়। দেশৰক্ষা-পুঁজিলৈ মুক্ত হস্তে দান-বৰঙণি যোগোৱা, জনগণৰ নৈতিক শক্তি বঢ়োৱা, দেশাত্মবোধক গীত কবিতা আদিৰে জাতীয় ঐক্য-সাধনৰ চেষ্টা কৰা আৰু দেশৰ আভ্যন্তৰীণ শত্ৰুৰ ওপৰত চোকা নজৰ ৰখা আদি কাম সাহিত্য সভাই মূৰ পাতি লয়। সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰধান সম্পাদক নেওগৰ ওপৰত দেশাত্মবোধ জগোৱা আৰু মনোবল যোগোৱা কেইখনমান পুস্তিকা সম্পাদন আৰু প্ৰকাশ কৰিবৰ দায়িত্ব অৰ্পণ কৰে। সেইমতে 'অশান্ত হিমালয় সীমান্তৰ আহ্বান' 'ৰণ-নিনাদ' আৰু 'ৰণ-ঝঙ্কাৰ' (শেষৰখন অতুলচন্দ্ৰ হাজৰিকাৰ) নামে তিনিখন পুথি প্ৰকাশ কৰি প্ৰচাৰ কৰা হয়। তদুপৰি চীনৰ বিশ্বাসঘাতকতা আৰু অন্যায় আক্ৰমণক সাহিত্য-সভাই একবাক্যে নিন্দা কৰি পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ সাহিত্যিক-কলাকাৰসকলৰ সংস্কৃতি-

ঘাতী এই অন্যায় আক্ৰমণ আৰু আক্ৰোশ বন্ধ কৰাৰ উদ্দেশ্যে পৃথিৱীৰ জনমত গঠন কৰিবলৈ আহ্বান জনায়। বহু কেইখন দেশে এই আৱেদনৰ প্ৰতি সঁহাৰি দিয়ে।

সম্পাদক নেওগৰ প্ৰকৃতঃ আটাইতকৈ মহৎ অৱদান হৈছে গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন-নিৰ্মাণ। গুৱাহাটীৰ মাজ মজিয়াত এই দুমহলীয়া বৃহৎ ভৱনটি নিৰ্মাণ নেওগৰ ব্যক্তিগত প্ৰচেষ্টাৰ ফল। গুৱাহাটী অসমৰ সাংস্কৃতিক প্ৰাণ-কেন্দ্ৰ আৰু বাহিৰৰপৰা অহা সংস্কৃতি-প্ৰেমীসকলৰ কাৰণে অসমৰ দুৱাৰ-দলি। ইয়াত সাহিত্য-সভাৰ কাৰ্যালয় আৰু অতিথি-শালা আদিৰে এটি ঘৰ হোৱাৰ প্ৰয়োজনীয়তা কেইবাবছৰৰোপৰা অনুভৱ কৰি অহা হৈছিল। এই বিষয়ে যথেষ্ট চেষ্টাও কৰা হৈছিল। কিন্তু কিবা কাৰণত কামটি হৈ উঠা নাছিল। ড° নেওগ সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈয়ে এই কামত উঠি-পৰি লাগে। তেওঁ অসম চৰকাৰৰ ওচৰত মাটিৰ বাবে আৰু ভাৰত চৰকাৰৰ ওচৰত গৃহ-নিৰ্মাণৰ সাহায্যৰ বাবে নিৰূপিত আঁচনিত আৱেদন জনায়। ১৯৬২ চনৰ ৮ জানুৱাৰী তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই গুৱাহাটীৰ একেবাৰে কেন্দ্ৰস্থলীত জিলা পুথি-ভঁৰালৰ কাষতে এটুকুৰা মাটি সাহিত্য সভাৰ নামে দিবলৈ হুকুম দিয়ে। মাটি পোৱাৰ পিছত আহিল ভৱন-নিৰ্মাণৰ চিন্তা। নেওগে সেই বছৰৰে ১৯ ফেব্ৰুৱাৰী তাৰিখে আৰ্থিক সাহায্য বিচাৰি কবি-শিল্পী পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কাষ চাপে আৰু তেৰোঁ উদাৰ-হৃদয়েৰে পঞ্চাশ হাজাৰ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি দিয়ে। বৰুৱাৰ দানৰ উদ্দেশ্য তেওঁৰ স্বৰ্গীয় ককাইদেৱেক 'নীৰৱ কবি' ভগৱতীপ্ৰসাদ বৰুৱাৰ স্মৃতি-ৰক্ষা। তেওঁৰ দানেই এটি ভৱন-নিৰ্মাণৰ কাৰণে যথেষ্ট নহয়। সেয়ে এইবাৰ প্ৰধান সম্পাদকে আৰ্থিক অনুদান বিচাৰি তেতিয়াৰ ভাৰতৰ সাংস্কৃতিক পৰিক্ৰমাৰ মন্ত্ৰী অধ্যাপক হুমায়ুন কবীৰক লগ ধৰেগৈ আৰু পঞ্চাশ হাজাৰ টকাৰ এটি অনুদানৰ

সম্মতি লাভ কৰে। পাৰ্বতিপ্ৰসাদ বৰুৱা, হুমায়ুন কবীৰ আৰু বিমলাপ্ৰসাদ চলিহাৰ লগত নেওগৰ ব্যক্তিগত সম্পৰ্কই ভৱনটিৰ জন্মৰ প্ৰধান উৎস হৈছিল।

এইখিনি আৰ্থিক অনুদানেৰে ভৱন নিৰ্মাণৰ কাম আৰম্ভ হয় আৰু ১৯৬৩ চনৰ ৭ এপ্ৰিল তাৰিখে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাই-খুঁটা স্থাপন কৰে। ভৱন প্ৰতিষ্ঠাৰ মন্ত্ৰটি ড° নেওগে বিশ্ব-বিশ্ৰুত পণ্ডিত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰপৰা আনেগৈ। তাৰ প্ৰথম শ্লোকটি দ্বাদশ শতিকাৰ কৰ্ণাটকী বৈয়াকৰণ নাগৱৰ্মাৰ ৰচিত, অন্য দুটি শ্লোক অধ্যাপক চট্টোপাধ্যায়ৰ নিজৰ ৰচনা। শ্লোককেইটা এনেধৰণৰঃ

সৰ্বজ্ঞং তদহং ৱন্দে পৰং জ্যোতিস্তমোঽপহম্।
প্ৰবৃত্তা যন্মুখাদ্ দেৱী সৰ্বভাষাসৰস্বতী॥
আৰ্যৱাণীদুহিতেয়ং ভাষা প্ৰাগ্‌জ্যোতিষোত্তৰা!
মাতা নঃ কামৰূপিণী সদা স্যাৎ শ্ৰেয়সে নৃণাম্॥
সভৈষাসমসাহিত্যসংস্কৃতিসংবিৱৰ্ধনী।
নৱীনং সদনমস্যা ৰক্ষতু তাং সদা মুদা॥

প্ৰায় ডেৰ বছৰৰ ভিতৰতে এই জাকত-জিলিকা বৃহৎ ভৱনটিৰ নিৰ্মাণ-কাৰ্য সম্পূৰ্ণ হয়। এই ভৱন-নিৰ্মাণত নেওগে যিদৰে দেহে-চিতে খাটিছিল, দেখাসকলৰ নিশ্চয় মনত থাকিব। গুৱাহাটীত এই ভৱন-নিৰ্মাণৰ বাবে অসম সাহিত্য-সভা নেওগৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ থাকিব লাগিব। ১৯৬৫ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত অখিল ভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ অধিৱেশন গুৱাহাটীত বহে। সেই আলমতে ২ জানুৱাৰী তাৰিখে সম্মিলনৰ সভাপতি অধ্যাপক ডক্টৰ বাসুদেৱশৰণ অগ্ৰৱালে সমগ্ৰ ভাৰতৰ পণ্ডিত আৰু অসমৰ সাহিত্যৰসিকসকলৰ পৱিত্ৰ সমাৱেশত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ দুৱাৰ মুকলি কৰে। স্বৰচিত তলৰ শ্লোক দুটিৰে তেওঁ বক্তব্যৰ সামৰণি মাৰে ঃ

সাহিত্যং শ্ৰুতি মধুৰং বিশ্বৰাবা চ সংস্কৃতিঃ।
কামৰূপস্থ দেশস্থ সায়তিঃ প্ৰথতাং সদা ॥
ভগৱতীপ্ৰসাদঃটী ৰেশ্মেদং কীৰ্তিকাৰকম্।
শাৰদায়াঃ কৃপাং চ সততং সন্নিধিং ব্ৰজেৎ ॥

ইয়াৰ উপৰিও নেওগৰ দিনত আৰু কেইবাটাও উল্লেখযোগ্য কাম সম্পাদিত হৈছে। তেওঁৰ দিনতে অনা-অসমীয়া লোকে ঘৰতে অসমীয়া পঢ়ি অসমীয়া ভাষাজ্ঞানৰ নিদৰ্শন-স্বৰূপে প্ৰমাণ-পত্ৰ পোৱাৰ ব্যৱস্থা কৰা হয়। এই উদ্দেশ্যে আৱশ্যকীয় নিয়মাৱলী গঠন কৰা হয় আৰু সভ্যসভাৰ তৰফৰপৰা পৰীক্ষা লোৱাৰ দিহা কৰা হয় আৰু এই কাম এতিয়ালৈকে চলি আছে। কিন্তু অনা-অসমীয়া লোকে ঘৰতে পঢ়ি অসমীয়া ভাষাৰ নিৰ্ভৰযোগ্য জ্ঞান আয়ত্ত কৰিব পৰা বৈজ্ঞানিক পদ্ধতিত লিখা পুথি নথকাত সেই অভাৱ-পূৰণৰ অৰ্থে এনে পুথিৰ পাণ্ডুলিপি বিচাৰি বাতৰি-কাকতত জাননী দিয়া হয়। সেই অনুসৰি ডক্টৰ মুকুন্দমাধৱ শৰ্মাৰ *Assamese for All* নামৰ পুথিখন প্ৰতিযোগিতাৰ ভিত্তিত নিৰ্বাচিত হয় আৰু সাহিত্য-সভাই পুথিখন প্ৰকাশ কৰে। পিছলৈ এই পুথিখন হিন্দী, খাছি আৰু গাৰো ভাষালৈ তৰ্জমা কৰাই সাহিত্য-সভাই প্ৰকাশ কৰে।

এই সময়তে সাহিত্য-সভাই কৰা আন এটা ভাল কাম হৈছে দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ শিক্ষণৰ ব্যৱস্থা কৰোৱা। দিল্লী বিশ্ববিদ্যালয়ত আন আধুনিক ভাৰতীয় ভাষাৰ দৰে অসমীয়া ভাষাৰো শিক্ষণৰ ব্যৱস্থা কৰিবৰ কাৰণে সাহিত্য-সভাই অসম চৰকাৰক নিজ খৰচত এজন অধ্যাপক নিযুক্ত কৰিবলৈ অনুৰোধ কৰে আৰু সেই মৰ্মে সভাই উক্ত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ লিখা-লিখি কৰে। ১৯৬২ চনত প্ৰধান সম্পাদকে নিজেও বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰক লগ ধৰি এই বিষয়ে আলোচনা কৰেগৈ। সুখৰ বিষয় ইতিমধ্যে অসমীয়া ভাষাৰ এগৰাকী অধ্যাপিকা নিয়োগ কৰা হৈছে। নেওগৰ

দিনত হোৱা আন আন প্ৰধান কামৰ ভিতৰত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণ, উক্ত ভৱনত বাধাকান্ত সন্দিকৈৰ এটি আঠধতুৱা মূৰ্তি-স্থাপন, সাহিত্য-সভাৰ গ্ৰন্থাগাৰৰ পৰিসৰ-বৃদ্ধি, সভাৰ হিছাপ-পদ্ধতিৰ বৈজ্ঞানিক ৰূপ-দান, বহুখিনি মূল্যবান গ্ৰন্থৰ প্ৰকাশ আদি বিশেষভাৱে উল্লেখযোগ্য। ১৯৬০-৬১ বিত্তীয় বছৰলৈকে সাহিত্য-সভাৰ হিছাপ-পত্ৰ বিজ্ঞান-সম্মতভাৱে ৰক্ষিত হোৱা নাছিল। নেওগৰ দিনতে সভাৰ হিছাপ-পত্ৰ আৰু আয়-ব্যয়ক-নিৰ্মাণ-পদ্ধতি হিছাপ-বিজ্ঞান-সম্মত কৰিবলৈ যত্ন কৰা হয়। এতিয়ালৈকে সভাৰ হিছাপ-বহীত নেদেখুৱা পুঁজিসমূহ আয়-ব্যয়ত প্ৰদৰ্শিত কৰিবলৈ অনা হয়, সাধাৰণ আৰু অক্ষয় পুঁজি তাত ভাগ কৰি দেখুওৱা হয় আৰু খতিয়ান পদ্ধতিও প্ৰয়োগ কৰা হয়। এই দৰে সভাৰ বিত্তীয় পৰিচালনাত নতুন নিয়ম প্ৰৱৰ্তন কৰা হয়।

নেওগ প্ৰধান সম্পাদক থকা কালতে সাহিত্য-সভাই ভালেমান মূল্যবান পুথি প্ৰকাশ কৰাটো উল্লেখযোগ্য বিষয়। তেওঁৰ আগলৈকে সাহিত্য-সভাই মুঠতে কুৰিখনমান পুথি প্ৰকাশ কৰিছিল। কিন্তু নেওগৰ কাৰ্যকালৰ ভিতৰত সভাৰ প্ৰকাশন দুগুণতকৈও অধিক হয়। এই সকলোবোৰ গ্ৰন্থ সাহিত্য সভাৰ নিজা খৰচত প্ৰকাশ হোৱা নাছিল। বিভিন্ন প্ৰকাশন-আঁচনি প্ৰস্তুত কৰি অসম তথা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৰ্থিক অনুদানৰ কাৰণে আৱেদন জনাই এইদৰে বিভিন্ন শিতানত পোৱা টকাৰে প্ৰায়ভাগ পুথি প্ৰকাশ কৰা হৈছিল। নেওগ প্ৰধান সম্পাদক থকা কালত সাহিত্য-সভাৰপৰা মুঠতে ত্ৰিশখন সৰু-বৰ পুথি প্ৰকাশ হয়। ইবোৰৰ ভিতৰত অতুলচন্দ্ৰ হাজৰিকা-সম্পাদিত বেজবৰুৱাৰ 'তত্ত্বকথা', যতীন্দ্ৰনাথ গোস্বামী-সংগৃহীত আৰু মহেশ্বৰ নেওগ-সম্পাদিত বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ', প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য-সম্পাদিত 'অসমৰ জনজাতি', মহেশ্বৰ নেওগ-সম্পাদিত আৰু সংবৰ্ধিত বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া খণ্ডবাক্য-কোষ', মহেশ্বৰ নেওগ আৰু হেমন্তকুমাৰ শৰ্মা-সম্পাদিত

'সাহিত্য-সমীক্ষা', সত্যে[illegible]নাথ শৰ্মা-সম্পাদিত সংস্কৃত 'ৰূপকত্ৰয়ম্', বিশ্বনাৰায়ণ শাস্ত্ৰী-অনূদি[illegible] 'সাহিত্য-দৰ্পণ', ৰজনীকান্ত দেৱশৰ্মা-অনূদিত 'মুদ্ৰাৰাক্ষস', [illegible]ন্দমাধৱ শৰ্মা-অনূদিত 'কৰ্পূৰমঞ্জৰী', অতুলচন্দ্ৰ হাজৰিকা আৰু [illegible]ীন্দ্ৰনাথ গোস্বামী-সম্পাদিত 'ভাষণাৱলী' (তৃতীয় ভাগ) উল্লেখযো[illegible] গ্ৰন্থ।

এই সকলোবোৰ কাৰ্য[illegible] পূৰ্বতে উল্লেখ কৰি অহা বক্তাজনৰ উক্তিৰ সত্যতাকে প্ৰমাণ[illegible]ৰে। যিদিনাই ডক্টৰ নেওগে প্ৰধান সম্পাদকৰ গুৰু ভাৰখন [illegible]ত তুলি লৈছিল সিদিনাৰেপৰা সেইখন পুনৰ ননমোৱালৈকে স[illegible]-সভাই তেওঁৰ একমাত্ৰ ধ্যানৰ বস্তু হৈ পৰিছিল। এই নিষ্ঠাৰ লগতে আছিল তেওঁৰ অদ্ভুত দক্ষতা আৰু কৰ্মশক্তি। সেয়েহে ৰাইজে একেৰাহে চাৰি বছৰৰ কাৰণে তেওঁক প্ৰধান সম্পাদক নিৰ্বাচন কৰিছিল। নেওগ প্ৰধান সম্পাদক থকা সময়তে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত কিছু দিনৰ কাৰণে ভিজিটিং প্ৰফেছৰ হিছাপে অধ্যাপনা কৰি আছিল। ১৯৬৩ ছনৰ ২ আগস্ট তাৰিখে ড° বৰুৱাই 'অসমবাণী'ৰ সম্পাদক সতীশচন্দ্ৰ কাকতীলৈ লিখা এখন চিঠিত নেওগৰ বিষয়ে এইদৰে মন্তব্য কৰিছিল, "ডক্টৰ নেওগে লিখিছে—এইবাৰো সকলোৱে হেঁচা মাৰি তেওঁৰ মূৰৰ ওপৰত অসম সাহিত্য-সভাৰ সম্পাদকৰ গধুৰ ভাৰখন জাপি দিলে—তেওঁক কিছু বুদ্ধি-ভৰসা দি মই 'ঢোকা' দিব লাগে। ডক্টৰ নেওগ অকলেই একুৰিজন—মই তেওঁৰ কি সহায় সাৰথি হ'ম?" সাহিত্য-সভাৰ ত্ৰিংশ সম্মিলনলৈ পঠোৱা এটি সন্দেশ-বাণীত দক্ষিণ ভাৰতৰ বিশ্ববিশ্ৰুত ঐতিহাসিক অধ্যাপক কে. এ. নীলকণ্ঠ শাস্ত্ৰীয়ে সাহিত্য-সভাৰ কাৰ্যাৱলী প্ৰশংসা কৰাৰ উপৰিও নেওগৰ বিষয়ে লিখিছিল, 'I know that the Sabha has been doing excellent work for the past forty-five years. The large number of its publications in Assamese and English and other cultural activities easily testify to

the fact that the Sabha is the premier literary and cultural organisation of the peopl[illegible] of Assam. Let me also add that the Sabha is fortu[illegible] in having you as its General Secretary. We all kn[illegible] your own achievements in the literature and art of Assam.'

১৯৬৭ ছনত নেওগ সাহিত্য-সভাৰ উপসভাপতি নিৰ্বাচিত হয় আৰু পিছৰ বছৰো একে পদতে পুনৰ[illegible]চিত হয়। এই সময়তে সাহিত্য-সভাই সাহিত্যৰথী লক্ষ্মীনাথ [illegible]জবৰুৱাৰ জন্মশতবাৰ্ষিকী উৎসৱ উদ্‌যাপন কৰে এবছৰীয়াকৈ ১৯[illegible]ৰ ৫ অক্টোবৰৰপৰা। এই উৎসৱ উপলক্ষে হাতত লোৱা প্ৰকাশন আঁচনিৰ ভিতৰত 'বেজবৰুৱাৰ দিনলেখা', 'পত্ৰলেখা' আৰু 'চিত্ৰলেখা' নামৰ তিনিখন পুথি প্ৰকাশৰ আঁচনি লোৱা হয় আৰু কেয়োখন পুথিৰ সঙ্কলন-সম্পাদনৰ ভাৰ পৰে ডক্টৰ নেওগৰ ওপৰত। ইয়াৰ উপৰি বেজবৰুৱাই ইংৰাজীত লিখা 'বৰোদা বক্তৃতাৱলী'ৰ সম্পাদনৰ দায়িত্বও নেওগৰ ওপৰতে ন্যস্ত হয়। তেওঁৰ সম্পাদনাত এই চাৰিওখনি গ্ৰন্থ ১৯৬৮-৬৯ ছনৰ ভিতৰত আটোমটোকাৰিকৈ প্ৰকাশিত হৈ ওলায়। বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী মহোৎসৱ অসমৰ বাহিৰেও বেজবৰুৱাৰ জীৱনৰ কৰ্মস্থান কলিকতা আৰু উৰিষ্যাৰ সম্বলপুৰত আৰু দিল্লী মহানগৰীত উদ্‌যাপন কৰা হয়। ইয়াৰো গুৰি ধৰিছিল ডক্টৰ নেওগেই। ১৯৬৮ ছনৰ ১৯ অক্টোবৰৰ দিনা কলিকতাৰ নেচনেল লাইব্ৰেৰিত এখনি বেজবৰুৱা-পুথি-প্ৰদৰ্শনী অনুষ্ঠিত হয়। ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত সেই প্ৰদৰ্শনী মুকলি কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক আদি উদ্যোক্তাসকলে ডক্টৰ নেওগকে অনুৰোধ কৰে। ৰাজহুৱা সভাত সভাপতিত্ব কৰে ডক্টৰ চট্টোপাধ্যায় ডাঙৰীয়াই। ২১ নৱেম্বৰত সম্বলপুৰতো শতবাৰ্ষিকী উৎসৱ পালন কৰা হয়। নতুন দিল্লীতো সেই ছনৰে ২৪ আৰু ২৫ নবেম্বৰ তাৰিখে দুদিনীয়াকৈ বেজবৰুৱাৰ জন্মশতবাৰ্ষিকী উৎসৱ এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত

হয় নতুন দিল্লীৰ মাভ্‌ল[illegible]ৰ ভৱনত। কাকা চাহেব কালেলকাৰৰ সভাপতিত্বত অনুষ্ঠিতএই [illegible]ৎসৱৰ উদ্বোধন কৰে ভাৰতৰ ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইনে। ফ[illegible]ৰুদ্দিন আলি আহমদ, ভাৰতৰ শিক্ষামন্ত্ৰী ড° ত্ৰিগুণা সেন, ড° [illegible]কৰ মাছুৰে আদি বিশিষ্ট ব্যক্তিসকলে সভাত যোগদান কৰিছিল। উল্লেখযোগ্য যে অসমৰ বাহিৰত অনুষ্ঠিত এই কেয়োটি উৎসৱৰ বিৰা[illegible] সাফল্যৰ মূলতে আছিল উপসভাপতি আৰু প্ৰধান সম্পাদক নে[illegible]য়ৰ সুদক্ষ পৰিচালনা।

অসমৰপৰা সৰ্ব[illegible]ৰতীয় ক্ষেত্ৰলৈ

অসম সাহিত্য সভাৰ উপৰিও অসমৰ তথা সৰ্বভাৰতীয় সাংস্কৃতিক অনুষ্ঠানৰ লগত ডক্টৰ নেওগ বহু বছৰ [illegible]ৰি জড়িত হৈ আহিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমসাময়িকভা[illegible] জন্মলাভ কৰা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ লগত তেওঁৰ সম্পৰ্ক প্ৰথমৰেপৰা। অল ইণ্ডিয়া ৰেডিওই গাৱঁলীয়া শ্ৰোতাৰ কাৰণে যুগুত কৰা কথিকা, গীত আৰু নাটকৰ বিশেষ কাৰ্যসূচী বহু বছৰ তেওঁ পৰিচালনা কৰিছিল। তদুপৰি, এই অনুষ্ঠানৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীতো তেওঁ অংশগ্ৰহণ কৰি আহিছে আৰু ইয়াৰ প্ৰোগ্ৰেম এদ্‌ভাইছৰি কমিটিৰো তেওঁ এজন সদস্য। সাহিত্য সংস্কৃতি আৰু ধৰ্ম সম্পৰ্কীয় নেওগৰ ভালেমান মূল্যবান কথিকা অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত হৈছে। তেওঁৰ 'অসমীয়া-বঙলা লিপি' শীৰ্ষক অনাতাঁৰ ভাষণটি ভাৰত চৰকাৰৰ বাৰ্তা আৰু অনাতাৰ মন্ত্ৰণালয়ৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা *Systems of Indian Writing* নামৰ গ্ৰন্থৰ অন্তৰ্ভুক্ত হৈছে। এই গ্ৰন্থৰ অন্যান্য প্ৰবন্ধবিলাক লিখিছে ডক্টৰ সুনীতি-কুমাৰ চট্টোপাধ্যায়, ডক্টৰ বাসুদেৱশৰণ অগ্ৰৱাল, ডক্টৰ ভি. কে. গোকক আদি বিশিষ্ট পণ্ডিতসকলে। নেওগ-কৃত বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটকৰ অনাতাঁৰ-ৰূপ ভাৰতৰ সকলো অনাতাঁৰ-কেন্দ্ৰৰপৰা প্ৰচাৰিত হৈছিল। ইয়াৰ উপৰি নেওগে 'লখিমী-চপোৱা' 'মধু-পূৰ্ণিমা', 'প্ৰণমামি গান্ধীজী', 'জয় গুৰু শঙ্কৰ' আদি কেইবাখনো ৰেডিও নাটক লিখিছে। শেষৰখন বহুবাৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই প্ৰচাৰ কৰিছে।

অসম প্ৰকাশন পৰিষদৰ লগতো নেওগ বহু দিনৰপৰা জড়িত

আৰু পৰিষদৰ কাৰ্যনিৰ্বাহকবো তেওঁ এজন বিশিষ্ট সদস্য। প্ৰকাশন পৰিষদে হাতত লোৱা এইবাটিও মহৎ কাৰ্যৰ লগত ডক্টৰ নেওগ জড়িত। পৰিষদৰপৰা এটা পেতে ওলাব লগীয়া 'আধুনিক অসমীয়া অভিধান'ৰ তিনিজনীয়া সমিতিৰ তেওঁ এজন সদস্য। এই গ্ৰন্থৰ সংকলনৰ কাম ইতিমধ্যে প্ৰায় শেষ হৈছে। পৰিষদৰ শ্ৰেষ্ঠ কৃতি বৰ্তমানে চলি থকা বৃহৎ বিশ্বকোষৰ সম্পাদনা সমিতিৰ তেওঁ এজন সদস্য আৰু বিশ্বকোষৰ সুকুমাৰ কলা, সঙ্গীত, স্থাপত্য, ভাস্কৰ্য আদি শাখাৰ নেওগেই সম্পাদক। প্ৰকাশন পৰিষদৰ আন এটি মহৎ কাম পোন্ধৰ-শ-পিঠীয়া বৃহৎ 'অসমীয়া সাহিত্যৰ ইতিহাস'ৰ প্ৰণয়নৰ ভাৰো পৰিষদে ডক্টৰ নেওগৰ ওপৰতে ন্যস্ত কৰিছে। পৰিষদে অলপতে প্ৰকাশ কৰা আৰু দুখন অতি মূল্যবান গ্ৰন্থ হৈছে 'প্ৰাচ্য-শাসনাৱলী' আৰু 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল।' এই বৃহৎ গ্ৰন্থ দুখনো ডক্টৰ নেওগেই লেখি সম্পাদনা কৰি উলিয়াইছে।

১৯৫৪ ছনৰ জুন মাহত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ দ্বাৰা শান্তিনিকেতনৰ বিশ্বভাৰতীত লেখকসকলৰ প্ৰশিক্ষণৰ কাৰণে অনুষ্ঠিত এক 'লিটাৰেৰি ৱৰ্কশ্বপ'ত ডক্টৰ নেওগে এছিস্টেণ্ট ডিৰেক্টৰ হিছাপে কাম চলাইছিল। ইয়াৰ পিছত ১৯৫৬ ছনৰ ফেব্ৰুৱাৰী মাহত শ্বিলঙত অসমৰ শিক্ষাধিকাৰে দিহা কৰা 'লিটাৰেৰি ৱৰ্কশ্বপ'ত তেওঁ ডিৰেক্টৰ হিছাপে কাম কৰে। তদুপৰি, ১৯৭৩ ছনত নেচনেল বুক ট্ৰাস্টৰ উদ্যোগত অনুষ্ঠিত 'ট্ৰেন্স্‌লেটৰ্ছ ৱৰ্কশ্বপ' আৰু সেই ছনতে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ব্যাকৰণৰ ছেমিনাৰতো তেওঁ ডিৰেক্টৰ হিছাপে কাম চলাব লগীয়া হয়।

অসম চৰকাৰে শাসকীয় শব্দাৱলীৰ তালিকা প্ৰস্তুত কৰিবলৈ গঠন কৰি দিয়া অফিচিয়েল লেঙ্গুৱেজ ইম্প্লিমেণ্টেচন কমিটিৰ পৰিভাষা সমিতিৰ ডক্টৰ নেওগ বৰ্তমান উপ-সভাপতি। ভাৰতৰ শিক্ষা মন্ত্ৰীয়ে ডক্টৰ নেওগক 'ভাৰতীয় ভাষা সমিতি'ৰো এজন সদস্য

মনোনীত কৰিছে। ১৯৬৮ ছনৰ অক্টোবৰত নাট্যশালা সম্পৰ্কীয় শব্দাৱলী নিৰ্ণয় কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ কমিছন ফৰ্ ছাইন্টিফিক এণ্ড টেক্‌নিকেল টাৰমিনো'লজীত যোগ দিবৰ কাৰণেও অধ্যাপক নেওগক আমন্ত্ৰণ জনাই নিছিল।

বিভিন্ন বিষয়ত বক্তৃতা দিবৰ কাৰণে কেইবাটাও সৰ্বভাৰতীয় অনুষ্ঠানে ডক্টৰ নেওগক নিমন্ত্ৰণ কৰিছে। তাৰ ভিতৰত নতুন দিল্লীৰ 'নেচনেল স্কুল অব্ ড্ৰামা এণ্ড ইণ্ডিয়ান থিয়েটাৰ চেণ্টাৰে' অসমৰ নাটক আৰু নাট্য-আন্দোলন সম্পৰ্কে; উত্তৰ-পূব ভাৰতৰ 'কাউঞ্চিল অব্ বেপ্টিস্ট চাৰ্চে' অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্য সম্পৰ্কে; মাদ্ৰাজৰ মিউজিক একাডেমীয়ে অসমৰ বৈষ্ণৱ-সঙ্গীত সম্পৰ্কে; বাঙ্গালোৰ বিশ্ববিদ্যালয়ৰ ইন্‌স্টিটিউট অব্ লিটাৰেচাৰে 'আধুনিক ভাৰতীয় সাহিত্য অসমীয়া' সম্পৰ্কে আৰু মহীশূৰ বিশ্ব-বিদ্যালয়ে অসমীয়া সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে বক্তৃতা দিবলৈ কৰা নিমন্ত্ৰণ উল্লেখযোগ্য।

ডক্টৰ নেওগে পুনা বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছেমিনাৰ অন্ প্ৰাকৃত স্টাডিজ্জত যোগ দিওঁতে তাৰ পাঁচখন অধিৱেশনৰ এখনত সভাপতিত্ব কৰিছিল। সেইদৰে মহীশূৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছেমিনাৰ অন্ গান্ধীজী এণ্ড ইণ্ডিয়ান লিটাৰেচাৰৰ ছখন অধিৱেশনৰ এখনত তেওঁ সভাপতি হৈছিল।

ইয়াৰ উপৰিও বহুতো সৰ্বভাৰতীয় ছেমিনাৰ আৰু আলোচনা-চক্ৰত যোগ দি তেওঁ গৱেষণামূলক প্ৰবন্ধ পাঠ কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল সঙ্গীত নাটক অকাদমীৰ ৰাষ্ট্ৰীয় সঙ্গীত ছেমিনাৰ (১৯৫৭); ৰাষ্ট্ৰীয় নৃত্য ছেমিনাৰ (১৯৫৮); ভাৰত চৰকাৰৰ উদ্যোগত বাঙ্গালোৰত অনুষ্ঠিত ছেমিনাৰ অন্ মেনাস্ক্ৰিপ্টলজি এণ্ড্ টেক্স্‌চুৱেল ক্ৰিটিচিজম্ (১৯৬৩); ভাৰতৰ শিক্ষা মন্ত্ৰণালয়ৰ হিন্দী ডিৰেক্টৰেটৰ দ্বাৰা আয়োজিত ছেমিনাৰ অন্ দেৱনাগৰী এজ্ লিঙ্ক্ স্ক্ৰিপ্ট (১৯৬৭); সাহিত্য অকাদমীৰ উদ্যোগত

আয়োজিত ছেমিনাৰ অন্ ইণ্ডিয়ান লেঙ্গুৱেজেচ উইদাউট্ এ ডেফিনিট হ'ম আৰু ছেমিনাৰ অন্ গুৰু নানক (১৯৬৯); আৰু মহীশূৰ বিশ্ববিদ্যালয়ৰ ছেমিনাৰ অন্ গান্ধীজী এণ্ড হিজ্ ইম্‌পেক্ট অন্ ইণ্ডিয়ান লিটাৰেচাৰ্ছ্ (১৯৭০)। এই সকলোবোৰতে তেওঁ অসমৰ ভাষা-সাহিত্য, সংস্কৃতি সম্পৰ্কীয় তথ্য-গধুৰ প্ৰবন্ধ পাঠ কৰি অসমৰ বাহিৰত অসমক প্ৰকাশ কৰাৰ চেষ্টা কৰি আহিছে।

১৯৫৮ ছনত অনুষ্ঠিত ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ দ্বাবিংশ অধিৱেশনত আৰু ১৯৬৪ ছনত দিল্লীত অনুষ্ঠিত ইণ্টাৰ্‌নেচনেল কংগ্ৰেছ অব্ ওৰিয়েণ্টালিস্ট বা প্ৰাচ্যবিদ্‌সকলৰ আন্তঃৰাষ্ট্ৰীয় সম্মিলনতো যোগ দি নেওগে সাৰগৰ্ভ প্ৰবন্ধ পাঠ কৰিছিল।

অধ্যাপক নেওগৰ আটাইতকৈ ঘনিষ্ঠ সম্পৰ্ক হৈছে অল ইণ্ডিয়া ওৰিয়েণ্টাল কনফাৰেঞ্চ্ বা সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ লগত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে কেইবাবছৰো তেওঁ এই সম্মিলনত যোগদান কৰিছে। ১৯৬৫ ছনৰ জানুৱাৰী মাহত প্ৰাচ্যবিদ্যা সম্মিলনৰ দ্বাবিংশ অধিৱেশন গুৱাহাটীত বহে। অসমত উক্ত সম্মিলনৰ অধিৱেশন এয়ে প্ৰথম আৰু এতিয়ালৈ শেষ। ডক্টৰ নেওগ এই সম্মিলনৰ অন্যতম স্থানীয় সম্পাদক আছিল। অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰায় এহাজাৰ পণ্ডিতৰ পবিত্ৰ সমাৱেশ ইয়াত ঘটিছিল। দীঘলীপুখুৰীৰ পাৰৰ জিলা পুথিভঁৰাল, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন আৰু কটন কলেজ ভৱনত এই সম্মিলনৰ বিভিন্ন কাৰ্যাৱলী সম্পাদিত হৈছিল। ডক্টৰ নেওগেই এই সম্মিলনৰ ঘাই গুৰি ধৰিছিল। তেওঁ আৰু তেওঁৰ সহযোগীসকলে সম্মিলনৰ কাম ইমান সুন্দৰ আৰু নিয়াৰিকৈ চলাইছিল যে সমৱেত পণ্ডিত-সকলে ভূয়সী প্ৰশংসা কৰিছিল। এই সম্মিলনৰ কামত নেওগে কিদৰে দিন-ৰাতি একাকাৰ কৰি কাম কৰিছিল, দেখাসকলৰ নিশ্চয় মনত আছে। সম্মিলনৰপৰা ঘূৰি গৈ ফাদাৰ এ. এইচ্. এস্টেলাৰ প্ৰমুখ্যে তিনিগৰাকী পণ্ডিতে বোম্বাইৰ *Indica* কাকতত প্ৰকাশ

কৰা এটি টোকাৰ কিয়দংশ এই প্ৰসঙ্গতে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো। তাত লিখিছে :

"Rewarding was also the experience of the willing and warm hospitality extended by Government, University circles and cultured public, which made one easily forget the inconveniences inherent in such big gatherings—all the more since our hosts were so ready to assume responsibility for, and go out of their way to remedy, even the shortcomings that were due to causes beyond their control. Well done, Assam! The printing and arrangement of the programmes and *Summaries of Papers* were outstandingly neat and efficient . . . . . But special tribute of praise is due to the Local Secretary, Dr. Maheswar Neog, for the *Prāgjyotiṣa,* Souvenir, a rich symposium on Assamese culture, to which he himself contributed two papers, and whose fine presentation is on a par with that of the *Summaries,* also edited by him."

এই সম্মিলনৰপৰাই নেওগ ভাৰতীয় পণ্ডিতমণ্ডলীৰ দৃষ্টিত পৰে। আৰু সকলোৱে তেওঁৰ পাণ্ডিত্য আৰু সংগঠন-শক্তিৰ শলাগ লয়। ১৯৬৯ ছনত বাঙ্গালোৰত অনুষ্ঠিত ভাৰতীয় সাহিত্যৰ অধ্যয়ন-চক্ৰত যোগ দিবলৈ যাওঁতে সিবাৰ অধিৱেশনলৈ অহা প্ৰায় কুৰিজন পণ্ডিতক তাত মই লগ পাইছিলো আৰু তেওঁলোকৰ মুখত গুৱাহাটী অধিৱেশনৰ আৰু বিশেষকৈ নেওগৰ প্ৰশংসা শুনি সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰিছিলো। গুৱাহাটী অধিৱেশনতে নেওগ পৰৱৰ্তী আলিগড় অধিৱেশনৰ 'টেকনিকেল ছায়েঞ্চ এণ্ড্ ফাইন্ আৰ্ট্‌ছ' শাখাৰ সভাপতি নিৰ্বাচিত হয়। অসমীয়াৰ ভিতৰত এনে সম্মান তেওঁৰ আগতে শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে মাত্ৰ লাভ কৰিছিল। আলিগড় অধিৱেশনত পাঠ কৰা ডক্টৰ নেওগৰ অভিভাষণখনি অতি মূল্যৱান হৈছে। তাত

তেওঁ ভাৰতীয় সংস্কৃতিলৈ অসমৰ দান সম্পৰ্কে বিশদভাৱে আলোচনা কৰি পণ্ডিতসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে। গুৱাহাটী অধিবেশনৰপৰাই নেওগ উক্ত সম্মিলনৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য হৈ আহিছে। ১৯৬৯ চনত যাদৱপুৰত অনুষ্ঠিত সম্মিলনৰ ৰূপালী জয়ন্তী অধিৱেশনত যোগ দিবলৈ অসমৰপৰা কেইবাজনীয়া দল এটি গৈছিল। তাতো দেখিছিলো নেওগে প্ৰায় এহাজাৰ প্ৰতিনিধিৰ ভোটত জনপ্ৰিয়তাৰ ফাল[illegible]পৰা চতুৰ্থ স্থান লাভ কৰি কাৰ্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হৈছি[illegible] প্ৰথম তিনিজন আছিল ড° দণ্ডেকাৰ ড° এ. এন্. উপাধ্যে আদি বিখ্যাত পণ্ডিত।

প্ৰাচ্যবিদ্যা সম্মিলনৰ তৰফৰপৰা নেওগৰ সম্পাদনাত ছখনকৈ মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাটো বিশেষ উল্লেখযোগ্য কথা। সেই কেইখন হ'ল—সম্মিলনৰ স্মৃতিগ্ৰন্থ *Prāgjyotisa, Summary of Papers, Proceedings and Transactions of All India Oriental Conference* (Volumes I and II), *Professor Suryya Kumar Bhuyan Commemoration Volume* আৰু *Professor Birinchi Kumar Barua Commemoration Volume*. সম্মিলনৰ স্মৃতি-গ্ৰন্থখনি বিশিষ্ট পণ্ডিতসকলে লেখা অসম সম্পৰ্কীয় সোতৰটি সাৰগৰ্ভ নিবন্ধেৰে জাকতজিলিকা সংকলন হৈছে। শেহৰ ছুখনি ডক্টৰ ভূঞা আৰু ডক্টৰ বৰুৱাৰ নামে ছুখনি স্মৃতিগ্ৰন্থ। এই বৃহৎ গ্ৰন্থ ছুখনি ছুটা ছুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত ব্যক্তিজনৰ জীৱনী আৰু কাৰ্যাৱলী সম্পৰ্কীয় প্ৰবন্ধ আৰু দ্বিতীয় খণ্ডত অন্য গৱেষণামূলক প্ৰবন্ধই ঠাই পাইছে। এই ছুখনি গ্ৰন্থই অসমৰ এই প্ৰাচ্যবিদ পণ্ডিত ছুগৰাকীক অমৰ কৰি ৰাখিব। প্ৰাচ্যবিদ সম্মিলনৰ লগত ড° নেওগৰ সম্পৰ্ক আৰু তেওঁৰ দান সম্পৰ্কে সম্মিলনৰ স্থায়ী সম্পাদক ড° আৰ্. এন্. দণ্ডেকাৰে এঠাইত লিখিছে: "It gives me great pleasure to put on record the valuable services which Professor Dr Maheswar

Neog, Gauhati University, has rendered to the All-India Oriental Conference, which, incidentally, is universally recognized as the national forum of Indian Orientalists, for the last many years ; but his association with that august body may be said to have become closer when he worked as Local Secretary of the 22nd session of the Conference which was held at Gauhati under the auspices of the Government of Assam in January 1965. It was, on all accounts, a successful session. I should, however, like to make a special mention of the expeditiousness with which Professor Neog published the proceedings of that session (Volumes 1 and 2) together with the two commemoration volumes. Professor Neog presided over the Technical Sciences and Fine Arts Section of the 23rd session of All-India Oriental Conference held at Aligarh in October 1966. He has also proved to be a very useful member of the Executive Committee of AIOC."

ড° নেওগ অসম চৰকাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মনোনীত হৈ ভাৰতৰ সাহিত্য অকাদমী আৰু সঙ্গীত নাটক অকাদমীৰ আৰম্ভৰেপৰা সদস্য হৈ আহিছে। এই ছুয়োটা ৰাষ্ট্ৰীয় অনুষ্ঠানৰ লগত তেওঁ ঘনিষ্ঠ সম্পৰ্ক ৰাখি কাম কৰিছে। সাহিত্য অকাদমীয়ে তেওঁৰ ওপৰত অসমীয়া কবিতাৰ সংকলন-সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰে। নেওগৰ দ্বাৰা সম্পাদিত 'সঞ্চয়ন'-শীৰ্ষক বৃহৎ গ্ৰন্থখনত প্ৰাচীন কালৰেপৰা সাম্প্ৰতিক কাললৈকে অসমীয়া কবিতা সন্নিৱিষ্ট হৈছে। সাহিত্য অকাদমীয়ে প্ৰকাশ কৰা সকলো গ্ৰন্থৰ ভিতৰত

একমাত্ৰ 'সঞ্চয়ন'ৰেই ষষ্ঠ সংস্কৰণ প্ৰকাশ হৈছে। "অসমীয়া কবিতাৰ কাহিনী"-শীৰ্ষক ইয়াৰ সুদীৰ্ঘ ভূমিকাখন অকলেই এখন পুথি হ'ব। ইয়াত প্ৰথমৰেপৰা অসমীয়া কাব্য-সাহিত্যৰ এটি সৰ্বেক্ষণ দাঙি ধৰা হৈছে। সাহিত্য অকাদমীৰ আঞ্চলিক সচিব শ্ৰীক্ষিতীশ ৰায়ে এই ভূমিকাখনৰ সদায়ে উচ্চ প্ৰশংসা কৰে আৰু ইংৰাজী, বঙলা আদি ভাষালৈও ইখনি অনুবাদ কৰাৰ প্ৰস্তাৱ কৰে।

ডক্টৰ নেওগ সঙ্গীত নাটক অকাদমীৰ নৃত্য সম্পৰ্কীয় বিশেষজ্ঞ সমিতিৰ এজন সদস্য আছিল। সঙ্গীত নাটক অকাদমীয়ে প্ৰকাশ কৰিবলৈ লোৱা সঙ্গীত অভিধান *A Companion to Indian Music*-অৰ অন্তৰ্ভুক্ত অসমৰ সঙ্গীত সম্পৰ্কীয় প্ৰায় ডেৰশ পিঠীয়া বিবিধ ৰচনাংশ তেওঁৱেই যুগুত কৰি পঠাইছে। এই গ্ৰন্থখন বৰ্তমান প্ৰকাশৰ পথত।

১৯৭০ ছনৰ মে মাহত ভাৰত চৰকাৰে নেওগক ইউৰোপৰ তিনিখন দেশ—হাঙ্গেৰী, ৰোমানিয়া আৰু পূব জাৰ্মানীত (ডয়েৎস্ ডেমোক্ৰেটিংশ ৰিপাব্লিক) নাট্য, কলা আদি সম্পৰ্কে এলানি বক্তৃতা দিবৰ কাৰণে আৰু সাহিত্যকাৰ-কলাকাৰসকলৰ লগত সম্পৰ্ক স্থাপন কৰাৰ অৰ্থেও ভাৰত চৰকাৰৰ প্ৰতিনিধি হিছাপে নিৰ্বাচিত কৰে। আন্তঃৰাষ্ট্ৰীয় বুজা-বুজিৰ হকে ভাৰত চৰকাৰৰ শিক্ষামন্ত্ৰণালয়ে এই ভ্ৰমণসূচী প্ৰস্তুত কৰিছিল। বিদেশলৈ ভাৰতীয় সংস্কৃতিৰ বাৰ্তাৱহ হিছাপে নেওগৰ এই নিৰ্বাচনে সৰ্বভাৰতীয় ক্ষেত্ৰতযে তেওঁৰ পাণ্ডিত্য বিশেষভাৱে স্বীকৃত হৈছে তাকেই প্ৰমাণ কৰে। নেওগে প্ৰায় দুমাহ কাল এইবোৰ দেশত ভ্ৰমণ কৰি তাৰ বিভিন্ন অনুষ্ঠান আৰু গৱেষণা-কেন্দ্ৰত ভাৰতীয় সংস্কৃতিৰ ঘাইকৈ লোক-নৃত্য, লোক-গীত আৰু লোক-নাট্য সম্পৰ্কে বক্তৃতা দিয়েগৈ।

সাহিত্যৰ ভঁৰাললৈ এমুঠি লখিমী

সমালোচক আৰু গৱেষক পণ্ডিত হিছাপেই পৰিচিত যদিও ডক্টৰ নেওগ এজন সৃজনশীল সাহিত্যিক। এই দিশত তেওঁক এজন কবি আৰু নাট্যকাৰৰূপে দেখা পাইছো আৰু ইতিমধ্যে তেওঁ যথেষ্ট বৰঙণিও আগ বঢ়াইছে। ১৯৭০ ছনত তেওঁৰ ইংৰাজী কবিতাৰ সংকলন *Under One Sky* প্ৰকাশ হৈ ওলাইছে। তেওঁৰ অসমীয়া কবিতাৰ সংকলন 'মুছাফিৰখানা' সম্প্ৰতি প্ৰকাশৰ পথত। স্কুলীয়া অৱস্থাতে ডক্টৰ নেওগে কবিতা লিখি বহুজনৰ প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল। অষ্টম শ্ৰেণীত থাকোঁতেই তেওঁৰ এটা কবিতা আৰু এটা গল্প লক্ষ্মীনাথ বেজবৰুৱা-সম্পাদিত 'বাঁহী'ত প্ৰকাশ হোৱাটো উল্লেখযোগ্য কথা। কটন কলেজত পঢ়ি থাকোঁতে প্ৰথম বাৰ্ষিকৰ ছাত্ৰ নেওগৰ 'My joys and sorrows' নামৰ এটা ইংৰাজী কবিতা 'কটনিয়ান'-অত প্ৰকাশ হৈছিল। কলেজত থাকোঁতেই নেওগে ডক্টৰ ভূঞাৰ নিৰ্দেশত মিছ্ হ'মছ্ আৰু মিছ্ নিকল্‌ছৰ ইংৰাজী ৰচনা আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা সম্পৰ্কীয় ইংৰাজী পুথিখন অসমীয়ালৈ ভাঙি 'আৱাহন'ত প্ৰকাশ কৰিছিল। এই দুয়োখনি ৰচনাৰ ভূমিকা হিছাপে লিখা কথাখিনি একোটুকুৰা উৎকৃষ্ট সাহিত্য বুলি অভিনন্দিত হৈছিল। বি. এ. পাছ কৰাৰ আগে-পাছে লিখা তেওঁৰ কেইবাটিও প্ৰবন্ধ উৎকৃষ্ট মানবিশিষ্ট হৈছিল। এই প্ৰবন্ধসমূহ ইতিপূৰ্বে 'আধুনিক অসমীয়া সাহিত্য' (১৯৬৭) গ্ৰন্থৰ অন্তৰ্ভুক্ত হৈ প্ৰকাশ হৈ ওলাইছে। এই সময়ত নেওগক কবি, নাট্যকাৰ আৰু প্ৰবন্ধকাৰ—তিনিওটা ভূমিকাতে অৱতীৰ্ণ হোৱা দেখা গৈছিল। তেওঁৰ নাট্য-

প্ৰতিভাৰ প্ৰমাণ পোৱা যায় এই সময়তে ৰচিত 'ঋতুসুৰ' নামৰ এখনি কাব্য-নাটিকা আৰু 'আৱৰ্তন' নামৰ এখন সামাজিক নাটৰ মাজেদি। এই দুখনিৰ উপৰি পিছ সময়ত নেওগে কেইবাখনিও অনাতাঁৰ-নাট ৰচনা কৰি প্ৰচাৰ কৰিছে। উল্লেখযোগ্য যে নেওগৰ 'অন্ত্যজা' প্ৰথম অসমীয়া মুক্তক ছন্দৰ কবিতা।

নেওগৰ কবি-প্ৰতিভাৰ স্ফুৰণ ভালকৈ হওঁতে নৌ হওঁতেই কবি নেওগজনক পিছ... ঠেলি দি গৱেষক নেওগজন মূৰ দাঙি উঠে। তেতিয়াৰপৰা ...গে ছেগা-চোৰোকাকৈ দুই-এটা কবিতা নিলিখা নহয়, কিন্তু যোৱা কেইবছৰমানৰ ভিতৰত এই কবি নেওগজনে পুনৰ আত্মপ্ৰকাশ কৰাটো লক্ষ্য কৰিব লগীয়া কথা। নেওগৰ অসমীয়া কবিতাৰ প্ৰথম সংকলন "মুছাফিৰখানা" প্ৰকাশ হৈ ওলালে তেওঁৰ অসমীয়া কবিতাৰ আস্বাদ ল'ব পৰা যাব। অৱশ্যে সংকলনৰ কেইবাটাও কবিতা ইতিপূৰ্বে আলোচনীৰ পাতত ওলাই গৈছে। ডক্টৰ নেওগ ১৯৭০ চনত ইউৰোপলৈ যাওঁতে সেই অভিজ্ঞতাৰ ভেটিত ৰচিত তেওঁৰ কেইবাটাও ইংৰাজী কবিতা ইতিপূৰ্বে প্ৰকাশিত *Under One Sky* গ্ৰন্থত সন্নিৱিষ্ট হৈছে। এই কবিতাৰ পুথিখনিয়ে বহুজন বৰেণ্য সাহিত্যিকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। *Indian Literature, Thought, The Sunday National Herald* আদি পত্ৰ-পত্ৰিকাত পুথিখনিৰ প্ৰশংসাবাদ প্ৰকাশ হৈছে। দিল্লীৰপৰা প্ৰকাশিত *Though* পত্ৰিকাই অন্য কথাৰ লগতে লিখিছে, The slim volume, *Under One Sky*, contains outpourings of an Indian enthralled with a foreign land. Amazingly vivifying and honest, Neog's verses present new horizons of new lands. Scenes of Hungary and Rumania are celebrated with exquisite tenderness and noble simplicity. The verbs bear extraordinary force and vitality. A larger delineation

of life outside India would be an enriching substance to Indo-Anglian poetry : a new window to breathe fresh breeze. Out of the lucid tiny pieces 'Pranams to the Danube' may be specially singled out :

> Here is the anguish of centuries under foreign yoke
> That echoes the woes of my own India.
> Here is the jubilation that ...y liberation knows,
> Here is the red hope of t...mes.
>
> Oh, how happily have I sensed the voice of the Danube,
> Its voice of stirring love,
> Its voice of dancing feet,
> Its voice of Bartóks and Kodálys,
> Its voice of war yells, and war's wreck and ruin.

An absolute lyrical gift, unflincing expression and clicheless word-pictures characterize the verses. One should expect more verses from Neog. 'অসম বাণী'ত ওলোৱা এই পুথিখনিৰ সমালোচনাত অন্যান্য কথাৰ মাজতে লিখিছে, "'এখন আকাশৰ তলত' কথাষাৰেই এই কবিতাকেইটাৰ মূল সুৰ, যি সুৰ আৰম্ভণিৰ 'ডানিউবৰ পুত্ৰ-কন্যাসকললৈ জনোৱা প্ৰণাম'ত মধুৰভাৱে বাজি উঠিছে। লুইত-পৰীয়া কবিয়ে ডানিউব-পৰীয়া সৰ্বসাধাৰণেৰে সৈতে উপলব্ধি কৰা একাত্মবোধ—এখন পৃথিৱীৰ অনুভৱ—নিশ্চয় এই যুগৰ আদৰ্শেৰে সৈতে সঙ্গতিপূৰ্ণ। ইয়াৰ মাজতে ঘৰলৈ মনত পৰি অযথা হামবাও কঢ়াৰ প্ৰয়োজন নাই।......"

কলেজত পঢ়ি থাকোঁতে নেওগ এবছৰ 'কটনিয়ান'ৰ ছাত্ৰ-সম্পাদক আছিল। তেওঁ 'জয়ন্তী' আলোচনীবো ছাত্ৰ-মহলৰ বাবে সহকাৰী সম্পাদক হিচাপে কিছু দিন কাম কৰিছিল। অসম সঙ্গীত সম্মিলনৰ মুখপত্ৰ 'ঝঙ্কাৰ'ৰ দুটা খণ্ডৰ তেওঁ সম্পাদক আছিল। বিখ্যাত 'ৰামধেনু' আলোচনীও নেওগে এবছৰ সম্পাদনা কৰিছিল।

নেওগৰ সম্পাদিত উল্লেখযোগ্য পত্রিকা হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ে প্রকাশ কৰা গৱেষণামূলক পত্রিকা *Journal of the University of Gauhati*. ১৯৫৮ চনৰপৰা এতিয়ালৈকে তেওঁ এই পত্রিকা সম্পাদনা কৰি আহিছে।

এতিয়ালৈকে ডক্টৰ নেওগৰ প্রায় ত্রিশখন মৌলিক গ্রন্থ, আৰু দুকুৰিৰো ওপৰ সম্পাদিত গ্রন্থ প্রকাশ হৈছে। মৌলিক গ্রন্থসমূহৰ ভিতৰত অসমীয়াত ‘শ্ৰীশ্ৰীশংকৰদেৱ’ ‘পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি’, ‘অসমীয়া গীতি-সাহিত্য’, ‘অসমীয়া প্রেম-গাঁথা’, ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ ইংৰাজীত *Śaṅkaradeva and His Predecessors, The Art of Painting in Assam, Śaṅkaradeva and His Times* আদি উল্লেখযোগ্য। ১৯৬২ চনত প্রকাশ হোৱা ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ নেওগৰ এখন মূল্যবান গ্রন্থ। এই গ্রন্থখন ‘সর্বাঙ্গসুন্দৰ’ হৈছে বুলি তাহানি ডক্টৰ সূর্যকুমাৰ ভূঞাই মন্তব্য কৰিছিল। এই গ্রন্থখনি পঢ়ি ডক্টৰ চট্টোপাধ্যায়ে নেওগলৈ লিখিছিল, This is a fairly comprehensive work, and unquestionably one of the best for the Assamese language and literature. You have already made your mark as a scholar of the literature and culture of Assam, and this adds to your reputation……I wish I had your book to consult when I prepared my section on Assamese in my book which I am printing and which will be out in about three months—*The Languages and Literatures of Modern India.*

ডক্টৰ নেওগৰ সম্পাদিত গ্রন্থবোৰৰ ভিতৰত শঙ্কৰদেৱৰ ‘ভক্তি প্রদীপ’, আৰু ‘কীৰ্তন ঘোষা’, মাধৱদেৱৰ ‘নামঘোষা’, সাহিত্য অকাদমীৰ দ্বাৰা প্রকাশিত ‘সঞ্চয়ন’, ‘পৱিত্ৰ অসম’, বেণুধৰ ৰাজখোৱাৰ ‘অসমীয়া খণ্ডবাক্যকোষ’, কনকলাল বৰুৱাৰ *Studies in the Early History of Assam*, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রকাশন *Lakshminath Bezbaroa the Sāhityarathī of Assam* প্রধান। নেচনেল বুক ট্ৰাস্টে প্রকাশ কৰা নেওগৰ ইংৰাজী *Sankaradeva* গ্রন্থ ইতিমধ্যে অসমীয়া, বঙলা, হিন্দী, গুজৰাটী, মৰাঠী আৰু ওড়িয়া ভাষালৈ অনূদিত হৈছে।

এতিয়ালৈকে প্রকাশ হোৱা নেওগৰ ইংৰাজী-অসমীয়া বিবিধ প্রবন্ধৰ সংখ্যা চাৰিশৰ ওপৰ হ’ব। এই প্রবন্ধবোৰৰ তালিকাত এবাৰ চকু ফুৰালেই দেখা যায় কেনে বিভিন্ন বিষয়ত তেওঁ অধ্যয়ন কৰিছে। তেওঁৰ প্রবন্ধবোৰ বিষয় অনুসাৰে কেইবাটাও ভাগত ভগাব পাৰি, যেনে—(১) প্রাচীন অসমীয়া সাহিত্য সম্পৰ্কীয়; (২) আধুনিক অসমীয়া সাহিত্য সম্পৰ্কীয়; (৩) অসমীয়া জন-সাহিত্য সম্পৰ্কীয়; (৪) সাহিত্য সমালোচনাৰ ধাৰা সম্পৰ্কীয়; (৫) ভাষা সম্পৰ্কীয়; (৬) ভাৰতীয় সাহিত্য সম্পৰ্কীয়; (৭) বিবিধ কলা সম্পৰ্কীয়; (৮) ধৰ্ম-সম্পৰ্কীয়; (৯) বুৰঞ্জী আৰু পুৰাতত্ত্ব সম্পৰ্কীয়; (১০) অৰুণাচলৰ জনগোষ্ঠী সম্পৰ্কীয়; (১১) জীৱনীমূলক; (১২) শিক্ষা সম্পৰ্কীয়; (১৩) ভ্ৰমণ আৰু স্মৃতিলেখা সম্পৰ্কীয় আৰু (১৪) বিভিন্ন।

ডক্টৰ নেওগৰ গ্রন্থসমূহ ৰাজহুৱা খণ্ডৰ প্রকাশকৰ উপৰিও নতুন দিল্লীৰ নেচনেল বুক ট্ৰাস্ট, সাহিত্য অকাদমী, মাদ্ৰাজৰ মিউজিক একাডেমি, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, প্রকাশন পৰিষদ, অসম সাহিত্য সভা, গুৱাহাটী বিশ্ববিদ্যালয় আদি অনুষ্ঠান-বিলাকে প্রকাশ কৰি উলিওৱাৰ দায়িত্ব লৈছে।

তত্ত্বচৰ্চা-গৱেষণা

ডক্টৰ নেওগ এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিক-সমালোচকেই নহয়, তেওঁ এজন উচ্চ স্তৰৰ গৱেষক-পণ্ডিতো। যোৱা কুৰি-পঁচিশ বছৰ ধৰি তেওঁ আশাশুধীয়াভাৱে গৱেষণা-কাৰ্যত লিপ্ত আছে। তেওঁৰ গৱেষণাই নৃত্য, গীত, চিত্ৰকলা, ভাষা, সাহিত্য, ধৰ্ম, দৰ্শন আদি বিভিন্ন বিষয় সামৰি লৈছে। সাহিত্যিক জীৱনৰ প্ৰথমাৱস্থাত কবি-গল্পকাৰ ৰূপে দেখা দিয়া নেওগৰ মন পিছলৈ গৱেষণা-কাৰ্যৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হয়। অসমত গৱেষণাৰ সাৰুৱা পথাৰখন এতিয়াও ছন পৰি আছে। ইংৰাজী সাহিত্যৰ অধ্যাপক ডক্টৰ সূৰ্যকুমাৰ ভূঞাই বুৰঞ্জীৰ গৱেষণাত মন দিয়াৰ দৰে ডক্টৰ নেওগেও সৃজনশীল সাহিত্যতকৈ গৱেষণাৰ প্ৰতিহে অধিক মনোনিৱেশ কৰিলে। অসমৰ অনুদ্‌ঘাটিত বিষয়সমূহৰ চৰ্চা-গৱেষণা কৰি সিবোৰৰ ওপৰত প্ৰবন্ধ লিখি তেওঁ প্ৰকাশ কৰিবলৈ ধৰিলে। অসমৰ সাহিত্য-সংস্কৃতিৰ বিষয়ে বাহিৰৰ মানুহে কমেই জানে। বি.এ. পাছ কৰি উঠিয়ে নেওগে অসমীয়া সাহিত্য আৰু অসমীয়া বিয়া-নামৰ বিষয়ে দুটা ইংৰাজী প্ৰবন্ধ লিখি মাদ্ৰাজৰ বিখ্যাত *Indian Review* কাকতত প্ৰকাশ কৰে। এই যি আৰম্ভ কৰিলে, তেতিয়াৰেপৰা এতিয়ালৈকে তেওঁ বিভিন্ন বিষয়ৰ প্ৰায় দুশ গৱেষণা-মূলক প্ৰবন্ধ ইংৰাজী ভাষাত লিখি ভাৰতৰ আৰু ভাৰতৰ বাহিৰৰো বিভিন্ন গৱেষণা-পত্ৰিকাত প্ৰকাশ কৰিছে। ইয়াৰ উপৰি তেওঁ ভাৰতৰ বহুতো ছেমিনাৰ আৰু আলোচনা-চক্ৰত গৱেষণামূলক প্ৰবন্ধ পাঠ কৰি অসমক বাহিৰত জনাবৰ কাৰণে চেষ্টা কৰি আহিছে। আলিগড়ত অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ 'টেক্‌নিকেল

ছায়েন্স এণ্ড্ ফাইন্ আৰ্ট্‌ছ' শাখাৰ সভাপতিৰূপে লিখা ভাষণখনিও অসমৰ সংস্কৃতি সম্পৰ্কে এখনি মূল্যৱান অভিভাষণ। সৰ্বভাৰতীয় গৱেষণা-পত্ৰিকাত প্ৰকাশিত আৰু সৰ্বভাৰতীয় সম্মিলনত পঠিত নেওগৰ ডেৰশ-দুশখন গৱেষণা-পত্ৰৰ বিষয়ৰ তালিকাত চকু ফুৰালেই অনুভৱ হয় নেওগৰ জ্ঞানৰ গভীৰতা আৰু বিস্তৃতি কিমান। নেওগৰ ইংৰাজী প্ৰবন্ধ প্ৰকাশ কৰা বিশিষ্ট গৱেষণা বা আন উচ্চাঙ্গৰ আলোচনী-পত্ৰিকাসমূহৰ ভিতৰত *Journal of the Asiatic Society* (Calcutta); *Journal of Oriental Research* (Madras); *Journal of the Music Academy,* (Madras); *Annals of the Bhandarkar Oriental Research Institute* (Poona); *The Poona Orientalist* (Poona); *The Eastern Anthropologist* (Lucknow); *Man in India* (Ranchi); *Indian Historical Quarterly* (Calcutta); *The Buddhist Yearly* (Halle University), GDR ; *Journal of the Assam Research Society* ; *Journal of the University of Gauhati* ; *Marg*, (Bombay) ; *Indian Literature* (Sahitya Akademi), New Delhi ; *Journal of Ganganath Jha Kendriya Sanskrit Vidyapeeth,* (Varanasi); আদি কেইখনমানহে। ইয়াৰ বাহিৰেও অসমীয়া সংস্কৃতি সম্পৰ্কে কেইবাখনো ইংৰাজী গ্ৰন্থ লিখি নেওগে অসমীয়া সাহিত্য-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিছে।

১৯৫২ চনত কেন্দ্ৰীয় সঙ্গীত-নাটক অকাদমীৰ সমান্তৰালভাৱে অসমতো অসম সঙ্গীত নাটক একাডেমী প্ৰতিষ্ঠা হয়। এই একাডেমীৰ উদ্দেশ্যসমূহৰ ভিতৰত প্ৰধান হ'ল to undertake research in Assam's traditional music, dance and drama ; to set up a Library and Museum of its own ; to recover and preserve ancient manuscripts dealing

with dance, drama and music ; to develop folk-dance and folk-music of the hills and plains of Assam, etc., etc. এইটোৱেই অসমৰ আটাইতকৈ বহল সাংস্কৃতিক অনুষ্ঠান। ডক্টৰ নেওগ এই অনুষ্ঠানৰ লগত প্ৰথমৰেপৰা জড়িত হৈ আহিছে। এই অনুষ্ঠানে হাতত লোৱা কেইবাখনো আঁচনিৰ ভিতৰত অসমৰ বৈষ্ণৱ-সঙ্গীত বৰগীতৰ গৱেষণাৰ কাৰণে হাতত লোৱা বৰগীত-অনুসন্ধানৰ আঁচনি উল্লেখযোগ্য। ডক্টৰ নেওগৰ তত্বাৱধানত এই আঁচনিৰ কাম চলে আৰু গৱেষণাৰ ফল-স্বৰূপে 'স্বৰৰেখাত বৰগীত'-শীৰ্ষক বৰগীতৰ সমীক্ষামূলক গ্ৰন্থখন নেওগৰ সম্পাদনাত প্ৰকাশ হৈ ওলায় ১৯৫৮ চনত। অনুসন্ধান আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ কাম হ'ল বৰগীতৰ তাল-নিৰ্ণয়। এই সম্পৰ্কীয় গৱেষণাৰ ফল প্ৰকাশ হয় ১৯৬২ চনত *Rhythm in the Vaishnava Music of Assam* নামৰ ইংৰাজী গ্ৰন্থত নেওগৰ সম্পাদনাতে। বৰগীত গৱেষণা সমিতিৰ এজন গৱেষক শ্ৰীকেশৱ চাংকাকতীয়ে দুখন সত্ৰৰ তালৰ বোল ভাঙি লিখি উলিয়াছিল, আৰু সেইমতেই তালৰ আৰ্যা সমিতিৰ উক্ত পুথিত সন্নিৱিষ্ট হৈছে। বিজ্ঞান সম্মত-ভাৱে সম্পাদিত এইখন গ্ৰন্থ আৰু অসমৰ সঙ্গীত সম্পৰ্কীয় নেওগৰ ভালেমান ইংৰাজী প্ৰবন্ধই অসমীয়া সঙ্গীতক সৰ্বভাৰতীয় প্ৰতিষ্ঠা দিয়াত সহায় কৰিছে। কিন্তু এই বিষয়ত চৰ্চা-গৱেষণাৰ অভাৱৰ কথা সুঁৱৰি নেওগে এঠাইত এইবুলি খেদ কৰিছে, "অসমৰ সঙ্গীত আৰু নৃত্যৰ বিষয়ে বৰ বেছি কথা আজিও প্ৰকাশ হোৱা নাই। অসমৰ ভিতৰত কিতাপ-আকাৰৰ হোৱাটো দূৰৰ কথা আলোচনীত প্ৰবন্ধ আকাৰেও অতি কম কথাই ছপা হৈ ওলাইছে। মাজে মাজে গৱেষণা, স্বীকৃতি, এক্সপাৰ্ট আদি দুই-এটা শব্দ লৈ খবৰ-কাকতত দুই-এটা কথা ওলায়। কিন্তু আমাৰ সঙ্গীত-নৃত্যৰ গৱেষণাৰ ক্ষেত্ৰত কোনো কামেই হোৱা নাই বুলিব পাৰি আৰু আমাৰ সঙ্গীত আৰু নৃত্য বাহিৰলৈ নি

সিবিলাকক কাৰ্যতঃ সঙ্গীত আৰু নৃত্যৰ বিশিষ্ট সম্প্ৰদায়ৰূপে প্ৰতিষ্ঠা দিয়া আৰু নিজেও প্ৰতিষ্ঠা লাভ কৰা কলাকাৰ আমাৰ এতিয়াও ওলোৱা নাই। তাত্বিক ফালৰপৰা আমি প্ৰায় অকলশৰে ইংৰাজী ভাষাত প্ৰবন্ধ লেখি বা সৰ্বভাৰতীয় আলোচনা-সত্ৰত যোগ দি কিছু কিছু কথা বাহিৰত জনাই ফুৰিছো।" সুখৰ কথা ডক্টৰ নেওগৰ এই প্ৰচেষ্টা ফলৱতী নোহোৱাকৈ থকা নাই। শান্তিনিকেতনৰ সঙ্গীত-বিশাৰদ শ্ৰীশান্তিদেব ঘোষৰ লেখীয়া গুণগ্ৰাহী লোকে নেওগৰ দানৰ উচ্চ প্ৰশংসা কৰি লিখিছে, "অসমৰ প্ৰাচীন নাচ-গান, অভিনয় আৰু লোক-নৃত্য-গীতৰ খবৰ যিসকলে ৰাখে, তেওঁলোক সকলোৱেই বিশেষভাৱে কৃতজ্ঞ ডক্টৰ নেওগৰ ওচৰত। তেওঁৰ এই বিষয়ৰ বক্তৃতা, প্ৰবন্ধ আৰু কিতাপে যেনে আগ্ৰহৰ সৃষ্টি কৰিছে, তেনেকুৱাকৈ এই যুগত তেওঁৰ পূৰ্বে ইমান ব্যাপকভাৱে আৰু কোনেও কৰিব পৰা নাই। নিজৰ দেশৰ সঙ্গীত, নৃত্য আৰু অভিনয়কলাৰ প্ৰতি তেওঁৰ নিষ্ঠা আৰু ভালপোৱাৰ পৰিচয় পাই আমি তেওঁক অভিনন্দন নজনাই নোৱাৰোঁ। এনেকুৱা এটি গঠনমূলক কামত হাত দি তেওঁ দেশৰ অশেষ উপকাৰ কৰিছে, ধৈৰ্যেৰে সৈতে অসমৰ সাংস্কৃতিক ঐশ্বৰ্যৰ পৰিচয়টি ধীৰে ধীৰে প্ৰকাশ কৰি গৈছে।" অসমত এটা সাংস্কৃতিক প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তা অনুভৱ কৰি সেই সম্পৰ্কে নানা পৰামৰ্শ আগ বঢ়াই অধ্যাপক শ্ৰীভবেন বৰুৱাই সিদিনা লিখিছে, "এনে প্ৰতিষ্ঠান এটাৰ ধৰণী ধৰিব লাগিব অসমৰ সংস্কৃতিবান লোক-সকলেই। বয়োবৃদ্ধসকলৰ ভিতৰত এই ক্ষেত্ৰত আমাৰ মনলৈ এজনৰ নামেই বিশেষভাৱে আহিছে। অসমীয়া সংস্কৃতিৰ উচ্চ ধাৰাটোত সঙ্গীত, নৃত্য, চিত্ৰকলা আদি বিভাগবোৰত থকা অসমীয়া জাতিৰ কৃতিত্বখিনিক সংৰক্ষিত কৰাৰ বাবে আৰু অসমৰ বাহিৰত তাৰ স্বীকৃতি লাভৰ বাবে যি নিষ্ঠাৰে আৰু সংগঠনমূলক শক্তিৰে আজি বহু বছৰ ধৰি ডক্টৰ মহেশ্বৰ নেওগে চেষ্টা চলাই আহিছে—সিয়েই তেখেতৰ নামটো এনে ক্ষেত্ৰত আমাৰ মনলৈ লৈ আনিছে।"

অসমীয়া সংস্কৃতিলৈ ডক্টৰ নেওগৰ আন এটা মহৎ দান সত্ৰীয়া আৰু ওজাপালি নৃত্যৰ সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় স্বীকৃতি দিওৱা। ভাৰতীয় ক্লাছিকেল্ বা শাস্ত্ৰীয় নৃত্য বুলিলে কথক, কথাকলি, ভৰত-নাট্যম আৰু মণিপুৰী নৃত্যকেহে বুজোৱা হয়। কিন্তু এই চাৰিটাৰ বাহিৰে পোন্ধৰ-কুৰিটা একে পৰ্যায়ৰে নৃত্য-শৈলী ভাৰতৰ বিভিন্ন প্ৰান্তত আছে। তদুপৰি এই চাৰিটা স্বীকৃত শৈলীতকৈও প্ৰাচীন অন্য শৈলী ভাৰততে আছে। উদাহৰণ-স্বৰূপে, মণিপুৰী শৈলীতকৈ অসমৰ সত্ৰীয়া আৰু ওজাপালি নৃত্য স্পষ্টৰূপেই প্ৰাচীন। তদুপৰি, মণিপুৰী ৰাস-নৃত্যত সত্ৰীয়া শৈলীৰ প্ৰভাৱো দেখা পোৱা যায়। অথচ এইবোৰ কথা সৰ্বভাৰতীয় ক্ষেত্ৰত সদৰী কৰোঁতাৰ অভাৱত অজ্ঞাত হৈ পৰি আছিল। ডক্টৰ নেওগৰ নেৰা-নেপেৰা চেষ্টাৰ ফলত আজি অসমৰ সত্ৰীয়া নৃত্য আৰু ওজাপালি নৃত্যই সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিছে। তেওঁৰ কথাৰেই "১৯৫৮ চনত ভাৰতীয় সঙ্গীত নাটক একাডেমীৰ সৌজন্যত এক ৰাষ্ট্ৰীয় নৃত্য-সংসদ (ছেমিনাৰ) বহিল দিল্লী মহানগৰত। তালৈ ওড়িষী আহিল, ভাগৱত-মেল আহিল, কুচিপুড়ি আহিল, কুৰবনজি আহিল, যক্ষগান আহিল, আৰু বহুত আহিল মিছিল কৰিবলৈ। আমিও গ'লো ত'লৈ আমাৰ সত্ৰীয়া-নৃত্য আৰু ৰং গোৱা ওজাপালিৰ দুপদমান লৈ। সকলোৰে বিষয়ে বক্তৃতা হ'ল, সকলোৰে প্ৰদৰ্শন হ'ল। আমিও দুখীৰ দুখী অৱস্থাৰে কথা ক'লো, দেখুৱালো। কিন্তু আমাৰ বস্তু কেইপদ দেখি কলামোদী কলম্বছে যেন নতুন পৃথিৱী আৱিষ্কাৰ কৰিলে! এনে নৃত্য-সম্পদ অসমত আছিল বুলি তেওঁলোকে সন্দেহো কৰা নাছিল। ৰাষ্ট্ৰীয় একাডেমীয়ে স্বীকৃত চাৰি শৈলীৰ বাহিৰে আনবোৰৰ স্বীকৃতি সম্পৰ্কে বিচাৰ কৰিবলৈ আঠজনীয়া বিশেষজ্ঞ সমিতি পাতিলে, আমাকো তাতে এজন কৰি ধৰিলে। তেতিয়া আমি অসমৰ নৃত্য-শৈলীৰ স্বীকৃতিৰ অৰ্থে অসমৰ চৰকাৰ আৰু ৰাইজৰ সাহায্য ভিক্ষা কৰিছিলো। কিন্তু সেয়া প্ৰায়ে

অৰণ্য-ৰোদন হ'ল। আমাৰ মুখ্য মন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱে হ'লে একণমান অতি লাগতিয়াল সহায় দিলে। কমলাবাৰী সত্ৰই যেতিয়াই যি লাগে আমাক দিলে। আমাৰ সৌভাগ্যৰ বিষয়, আজি সত্ৰীয়া নাচ আৰু সত্ৰৰ বাহিৰৰ ওজা-পালি, দুইপদ নৃত্যই তাৰ শাস্ত্ৰীয় ঐতিহ্যৰ গৌৰৱত ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে স্বীকৃত হৈছে আৰু এই পৰ্যায়ত যোৱা মাহত চাৰি কুৰি সাত বছৰ বয়সত নৱনাট সামৰা কমলাবাৰীৰ শ্ৰীমণিৰাম বায়ন মুক্তিয়াৰে ১৯৬৪ চনত ৰাষ্ট্ৰপতিৰ হস্ত কমলৰ পৰা প্ৰথমবাৰলৈ পুৰস্কাৰ গ্ৰহণ কৰে। বোধ হয়, আমি এইবোৰ কথাৰো খবৰ নাৰাখোঁ।" অসমৰ লোকে খবৰ নাপালেও অসমৰ নৃত্য-কলাই সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। মাদ্ৰাজৰ ডক্টৰ ভি. ৰাঘৱনৰ লেখীয়া কলা-পণ্ডিতে অসমৰ নৃত্য-কলাৰ গৌৰৱ মুক্তকণ্ঠে স্বীকাৰ কৰিছে। তেওঁ সাধাৰণভাৱে স্বীকৃত চাৰিটি নৃত্য-শৈলীৰ কথা কৈ লিখিছে, 'ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ ঐতিহ্য এই চাৰি-শৈলীৰ কোনো এটাত সম্পূৰ্ণৰূপে দেখা পোৱা নাযায়; সেই নৃত্যৰ কিছুমান লক্ষণ এটা শৈলীত ক্ষীণ হৈ লোপ পাইছে আৰু আন এটাত জীৱিত হৈ আছে কাৰণে সকলোবোৰ শৈলীৰ সমন্বয়-যুক্ত অধ্যয়নেহে মাথোন ভাৰতীয় নৃত্য-কলাৰ সম্পূৰ্ণ পুনৰ্নিৰ্মাণত সহায় কৰিব পাৰে। যোৱা কিছু দিনত মহেশ্বৰ নেওগৰ লেখীয়া অসমৰ পণ্ডিতৰ লেখাই তাত থকা মূল্যবান কিছুমান নৃত্য-ৰূপৰ অৱস্থিতিলৈ আমাৰ চকু মুকলি কৰি দিছে; সেইবোৰৰ লগত দক্ষিণ ভাৰতৰ নৃত্যৰ লক্ষণ আৰু ৰূপৰ সাদৃশ্য দেখিলে আশ্চৰ্য মানিব লাগে।' সম্প্ৰতি ডক্টৰ নেওগৰ সম্পাদনাতে অসমৰ সত্ৰীয়া নৃত্য সম্পৰ্কীয় 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল'নামৰ ছশ পিঠীয়া বৃহৎ গ্ৰন্থখন সৌ সিদিনা মাথোন প্ৰকাশ হৈ ওলোৱা খবৰে অসমৰ কলামোদী ৰাইজক নিশ্চয় আনন্দ দিব। এই গ্ৰন্থখনত অসমৰ সত্ৰীয়া নৃত্যৰ বিশদ বিৱৰণ তথা ব্যাখ্যা, তাৰ তাল আৰু সঙ্গীতৰ স্বৰলিপিৰে সৈতে

ব্যাখ্যা আছে। পুথিখনত সত্ৰীয়া-নৃত্যৰ তালৰ লগতে দেৱদাসী-নৃত্যৰ তালো সন্নিৱিষ্ট হৈছে। কেন্দ্ৰীয় সঙ্গীত নাটক অকাদমী আৰু অসম চৰকাৰৰ যুটীয়া-অৰ্থ-সাহায্যত অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থৰ আগকথা লিখি ভাৰতৰ ৰাষ্ট্ৰীয় অধ্যাপক ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায় ডাঙৰীয়াই কৈছে—“In the present work, the introductory article on 'Classical Dance Tradition in Assam and Sattriya Dances' has been a contributio[n] from Dr Neog in a subject in which I did not know he had given so much time and attention and had so much to say. And all that he has said is based on facts, culled both from historical tradition, from Assamese and Sanskrit literature, and also from the Assamese dance as it is still performed in the State—dances of various types which he has enumerated and fully described.” এই সম্পৰ্কতে নেওগৰ পাণ্ডিত্যৰ গভীৰতা আৰু বিস্তৃতিৰ উচ্চ প্ৰশংসা কৰি ডক্টৰ চট্টোপাধ্যায়ে লিখিছে, “Dr Maheswar Neog is one of the outstanding scholars of Assam who have given us their studies of the language, literature and culture of the State, which have enabled not only Assamese people but also outsiders, both in other parts of India and abroad, to form a just and proper estimate of the contribution of Assam to the civilization and culture of India. Dr Neog particularly is a scholar with a very wide horizon of knowledge and view-point, and whatever he writes is worthy of respectful attention. He is a versatile scholar who

has made not only language and literature and history but also many other branches of the cultural expression of the Assamese people his very own, and these are very close to his heart”.

অসমৰ চিত্ৰকলা সম্পৰ্কেও ডক্টৰ নেওগে গৱেষণা কৰিছে আৰু ইতিপূৰ্বে বহুতো প্ৰবন্ধ লিখি প্ৰকাশ কৰিছে। ‘চিত্ৰ-ভাগৱত’, সুকুমাৰ বৰ কাথৰ ‘হস্তীবিদ্যাৰ্ণৱ’, কবিৰ[…] চক্ৰৱৰ্তীৰ ‘শংখচূড়বধ’, ‘গীতগোবিন্দ,’ হৰিবৰ বিপ্ৰৰ ‘লৱকুশৰ যুদ্ধ’ আদি ভালেমান চিত্ৰিত সাঁচিপতীয়া পুথি অসমত আছে। এইবোৰ পুথিৰ চিত্ৰ-কলা সম্পৰ্কে চৰ্চা কৰি নেওগে ভাৰতীয় পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু দুই এখন পুথি নিজেও সম্পাদনা কৰি প্ৰকাশ কৰিছে। চিত্ৰকলা সম্পৰ্কীয় তেওঁৰ *The Art of Painting in Assam* (1960) গ্ৰন্থই বিদ্বৎমণ্ডলীৰপৰা প্ৰশংসা লাভ কৰিছে।

অসমৰ ধৰ্ম সম্পৰ্কে বিশেষকৈ শ্ৰীশঙ্কৰদেৱ প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্ম সম্পৰ্কে নেওগে ছাত্ৰাৱস্থাৰেপৰা চৰ্চা কৰিছে আৰু ইংৰাজী-অসমীয়া উভয় ভাষাতে অলেখ পুথি প্ৰবন্ধ ৰচনা কৰিছে। ১৯৪৫ চনতে ‘সুৰভি’ত ওলোৱা তেওঁৰ ‘বাৰকুৰি বৰগীত’ শীৰ্ষক প্ৰবন্ধই অসমৰ পণ্ডিতসকলৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। এই প্ৰবন্ধ পঢ়ি কালিৰাম মেধিয়ে তেওঁলৈ লিখিছিল, “Your বাৰকুৰি বৰগীত is an excellent article, and it shows your worth as a writer of masterpiece. I congratulate you for this admirable article.” জ্যোতি-প্ৰসাদ আগৰৱালাই লিখিছিল, “বাৰকুৰি বৰগীত প্ৰবন্ধত বৰগীত আৰু কামৰূপী সঙ্গীতৰ school-অৰ বিষয়ে আপোনাৰ আলোচনা সাঙ্গীতিক তথ্যৰ ফালৰপৰা নিৰ্ভুল হৈছে।” সেই একে চনতে নেওগে শঙ্কৰদেৱৰ ‘ভক্তি-প্ৰদীপ’ গ্ৰন্থখনি বিস্তৃত টীকা-টিপ্পনী আৰু তথ্যপূৰ্ণ ভূমিকাৰে সম্পাদনা কৰি উলিয়াই পণ্ডিত-সমাজত


প্ৰতিষ্ঠা লাভ কৰে। ইয়াৰ পিছৰেপৰা এখন এখনকৈ শঙ্কৰী ধৰ্ম-সংস্কৃতিৰ বহু কেইখন পুথি তেওঁ বিজ্ঞান-সম্মতভাৱে সম্পাদনা কৰি প্ৰকাশ কৰে। বৈষ্ণৱ ধৰ্ম আৰু শঙ্কৰদেৱৰ সম্পৰ্কীয় তেওঁৰ মৌলিক গ্ৰন্থসমূহৰ ভিতৰত 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' (১৯৪৮), নেচনেল বুক ট্ৰাস্টে প্ৰকাশ কৰা *Sankaradeva* (১৯৬৭) (এই গ্ৰন্থ কেইবাটাও ভাৰতীয় ভাষালৈ অনূদিত হৈছে) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা নেওগৰ গ্ৰন্থ *Śaṅkaradeva and His Times : History of the Vaiṣṇava Faith and Movement in Assam* (1965) প্ৰধান। শেহৰখনি ডক্টৰ নেওগৰ কীৰ্তিস্তম্ভ বুলিব পাৰি। বাৰটা অধ্যায়ত সম্পূৰ্ণ এই প্ৰকাণ্ড গ্ৰন্থখনত অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ইতিবৃত্ত, শঙ্কৰী ধৰ্ম-দৰ্শন-সাহিত্য-কলা আৰু অসমৰ সত্ৰানুষ্ঠানৰ বিস্তৃত আলোচনা সন্নিৱিষ্ট হৈছে। এই গ্ৰন্থই ডক্টৰ নেওগৰ অধ্যৱসায়, গভীৰ অধ্যয়ন, তেওঁৰ পাণ্ডিত্য আৰু পুঙ্খানুপুঙ্খ বিশ্লেষণ শক্তিৰ পৰিচয় দাঙি ধৰিছে। ভাৰতৰ বিদগ্ধ পণ্ডিতসকলে গ্ৰন্থখনি সম্পৰ্কে কৰা মন্তব্যই তাৰ প্ৰমাণ। মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ বিদগ্ধ পণ্ডিত অধ্যাপক কে. এ. নীলকণ্ঠ শাস্ত্ৰীয়ে লিখিছে, "I have looked into *Śaṅkaradeva and His Times* by Professor Maheswar Neog and found it a comprehensive, excellent and up-to-date account of the modern Vaishnava movement in Assam.·· ···I have no doubt that the book will long be the standard account of this important subject, and I congratulate the author on this splendid work." সেইদৰে কলিকতা আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ৰ এমেৰিটাছ প্ৰফেছৰ ডক্টৰ সুশীল কুমাৰ দেই লিখিছে, "This is the first connected and fully documented account in English that I have read of *Śaṅkaradeva and His times* ; and I have read it with

considerable profit and pleasure. The thesis gives ample evidence of diligent scholarship, a real and painstaking zeal in investigation inspired by a love of the subject itself and a remarkable grasp over the fundamental questions." এই গ্ৰন্থখন ইতিমধ্যে দক্ষিণ-ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ত পাঠ্য-গ্ৰন্থৰূপে মনোনীত হৈছে বুলি জানিব পৰা গৈছে।

অলপতে প্ৰকাশ হ'ব লগীয়া ডক্টৰ নেওগৰ *Religions of Assam* গ্ৰন্থত তেওঁ হিন্দুধৰ্মৰ বিভিন্ন শাখাবোৰৰ উপৰিও বৌদ্ধ, জৈন, খ্ৰীষ্টান, ইছ্‌লাম আদি অসমৰ সকলো ধৰ্মৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে। এই গ্ৰন্থ প্ৰকাশ হৈ ওলালে অসমৰ ধৰ্ম সম্পৰ্কে বহুত নতুন তথ্যৰ সন্ধেদ পোৱা যাব। এই প্ৰসঙ্গতে ডক্টৰ নেওগৰ সংকলন-সম্পাদনাত ওলোৱা 'পৱিত্ৰ অসম' (১৯৬০) নামৰ গ্ৰন্থখনি বিশেষ উল্লেখযোগ্য। অশেষ কষ্ট কৰি ডক্টৰ নেওগে এই গ্ৰন্থখনি সংকলন কৰিছে। এই গ্ৰন্থত অসমৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা মঠ-মন্দিৰ, তীৰ্থ-দেৱালয় থান-সত্ৰ, বিহাৰ-বাপুচাং, গীৰ্জা-গুৰুদ্বাৰ আদি সকলো ধৰ্মৰ তীৰ্থস্থানবিলাকৰ উৎপত্তি আৰু বিৱৰণ দিয়া হৈছে। এই গ্ৰন্থৰ সংকলনে নেওগৰ পূৰ্বোক্ত ইংৰাজী গ্ৰন্থ প্ৰণয়নৰ প্ৰেৰণা যোগায়।

ডক্টৰ নেওগৰ গৱেষণাৰ ক্ষেত্ৰ এইবোৰ বিষয়তে সীমিত থকা নাই। তেওঁ প্ৰাচীন অসমৰ শাসনাৱলীৰ (শিলালিপি, তামৰ ফলি আদি) বিষয়ে গৱেষণা কৰি ইতিপূৰ্বে বহুতো প্ৰবন্ধ লিখিছে। এই বিষয়ত সুদীৰ্ঘকাল অক্লান্ত পৰিশ্ৰম কৰি নেওগে সদ্যঃপ্ৰকাশিত 'প্ৰাচ্য-শাসনাৱলী'-শীৰ্ষক বৃহৎ গ্ৰন্থখনি লিখি উলিয়াইছে। মহা-মহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদৰ 'কামৰূপ-শাসনাৱলী'ৰ আৰ্হিৰে পুষ্যবৰ্মা, শালস্তম্ভ আৰু ধৰ্মপাল বংশৰ ৰজাসকলৰ ৰাজত্বৰ অৱসানৰ পিছৰ যুগৰ তাম্ৰশাসন, প্ৰস্তৰশাসন আৰু আন লেখসমূহ

সংগ্ৰহ কৰি সিবোৰৰ সম্পাদনা কৰিছে আৰু আঢ়ৈশ-পিঠীয়া ইংৰাজী-অসমীয়া ভূমিকাৰে গ্ৰন্থখন যুগুত কৰি উলিয়াইছে। এই গ্ৰন্থ প্ৰণয়নত নেওগে হাড়-ভঙা পৰিশ্ৰম কৰিব লগা হৈছিল। এই সংগ্ৰহে সময় আৰু স্থানৰ ফালৰপৰা এক বৃহৎ পৰিসৰ অধিকাৰ কৰি আছে। ১১২৭ শকত উত্তৰ গুৱাহাটীৰ কানাই-বৰশী-বোৱা শিলালিপিৰপৰা আৰম্ভ কৰি স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই আইভেটি ন-সত্ৰৰ বাবে ১৭৪৪ শকত দান কৰা ধৰ্মোত্তৰ-পত্ৰলৈকে এই প্ৰায় ছশবছৰ কালৰ সকলো ফলি ইয়াৰ অন্তৰ্ভুক্ত হৈছে। ভাৰতৰ সমস্ত প্ৰাচ্যৰ ৰাজ্য-শাসন আৰু ৰাজনীতি, ন্যায়-বিচাৰ, ৰাজস্ব-শাসন, শাসকসকলৰ ধৰ্মসংক্ৰান্ত নীতি আৰু শাসন আদিৰ বিষয়ে এই ফলিবোৰে চমুকৈ হ'লেও অতি স্পষ্ট ইঙ্গিত দিছে। ভাৰতৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক-সাংস্কৃতিক ইতিহাসৰ উপাদান আৰু প্ৰমাণৰূপে এই গ্ৰন্থৰ অধ্যয়ন অপৰিহাৰ্য হৈ ৰ'ব। এই গ্ৰন্থই অসমৰ পুৰাতত্ত্বৰ গৱেষণা-ক্ষেত্ৰত ডক্টৰ নেওগক শ্ৰেষ্ঠ আসন দান কৰিছে। সেইহে এজন সমালোচকে ডক্টৰ নেওগৰ বিষয়ে এইদৰে মন্তব্য কৰিছে, "কাকো সৰু কৰিবৰ মনেৰে কোৱা কথা নহয়; বৰং ডক্টৰ নেওগৰ সমালোচকসকলেও মুক্ত কণ্ঠে স্বীকাৰ কৰিব যে বৰ্তমান অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কে অধ্যয়ন-অধ্যাপনা, চৰ্চা-গৱেষণা কৰি থকাসকলৰ ভিতৰত ডক্টৰ মহেশ্বৰ নেওগৰ অৱদানেই আটাইতকৈ গধুৰ আৰু সৰহ। সংস্কৃত, ইংৰাজী, বঙলা আৰু হিন্দী ভাষা-সাহিত্যতো সমান দখল থকা নেওগৰ অধ্যয়ন আৰু গৱেষণাৰ বিস্তৃতি আৰু গভীৰতাৰ উমান পোৱা লোক মাত্ৰেই বিস্মিত নহৈ নাথাকে।" (সাপ্তাহিক জনমভূমি, ৯ আগষ্ট ১৯৭২)



মানুহজনৰ ওচৰ চাপি

১৯৫৫ ছনৰ কথা। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা প্ৰথম ডক্টৰেট পোৱা তিনিজন লোকৰ ফটোগ্ৰাফ খবৰ কাগজত একেলগে ওলাইছিল। মই তিনিওৰে ফটো কেইখন কাটি থৈছিলো। তাৰে ভিতৰত এজনৰ ফটোখন বৰ ধুনীয়া। নক'লেও হ'ব সেইখন আছিল ডক্টৰ নেওগৰ। ফটোখন এই পুথিৰ প্ৰচ্ছদ-পট। মই তেতিয়ালৈকে তেওঁক দেখা নাই। ফটো চাই সেই মতে তেওঁৰ সম্বন্ধে ধাৰণা এটা কৰি থৈছিলো—যিটো সকলোৱে কৰে। পিছত যেতিয়া এম্. এ. পঢ়িবলৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহোঁ, তেতিয়া আচল মানুহজনক দেখি বিশ্বাস কৰিবলৈকে টান লাগিছিল—তাহানি ফটোত দেখা সুশ্ৰী গৌৰবৰ্ণৰ ডেকা নেওগ এইজনেইনে? মনে মনে ভাবিলো,—ফটোগ্ৰাফিং ইজ কোৱাইট ডিচেপ্টিভ। মোৰ মনৰপৰা নেওগৰ ছবিখন হঠাতে খহি পৰিল। তাৰ ঠাই ল'লে সমুখৰ ছফুটীয়া ওখ হটঙা মিঠা বৰণীয়া দীঘল পাঞ্জাৱী আৰু ধুতি-পৰিহিত সত্ৰাধিকাৰৰ লেখীয়া চুলিৰে আচল নেওগজনে। কল্পনাৰ সেই চঞ্চল ডেকাৰ চঞ্চল খোজৰ পৰিবৰ্তে গহীন গহীন খোজ আৰু জোখা জোখা কথাৰে এজন সম্পূৰ্ণ বেলেগ মানুহ। সেই তেতিয়াই যি দেখিলো, তেতিয়াৰপৰা আজি চৈধ্য বছৰে ডক্টৰ নেওগক দেখিছো, লগ পাইছো, একেলগে কাম কৰিছো, ফুৰিছো, খাইছো আৰু তেওঁক গভীৰভাৱে বুজিবৰ সুবিধা পাইছো।

পঁচপন্ন-বছৰীয়া এই মানুহজনৰ জীৱন বিচিত্ৰ আৰু কৰ্মবহুল। তেওঁৰ নিকট সম্পৰ্কলৈ অহা যি কোনো লোকে এই বিচিত্ৰতা লক্ষ্য কৰিব পাৰিব। তেওঁৰ চিন্তা-চৰ্চা, কাম কৰাৰ প্ৰণালী,

দৈনন্দিন জীৱন-নিৰ্বাহৰ পদ্ধতি আন সৰ্বসাধাৰণ সাহিত্যিকৰপৰা পৃথক। মুখত সোণ-ৰূপৰ চামুচ লৈ তেওঁ ওপজা নাছিল সাধাৰণ মধ্যবিত্ত পৰিয়ালত তেওঁৰ জন্ম। কিন্তু তীক্ষ্ণ মেধা-শক্তি আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰা জীৱনত তেওঁ প্ৰতিষ্ঠা লাভ কৰিছে। বহু সময়ত প্ৰতিকূল পৰিৱেশৰ লগত সংগ্ৰাম কৰিও তেওঁ আগ বাঢ়িছে। ক'তো সৈমান হোৱা বিধৰ লোক তেওঁ নহয়। নেওগে কাম কৰি ভাল পায়, এনেয়ে তেওঁ থাকিব নোৱাৰে। সেয়ে এটাৰ পিছত এটাকৈ নতুন কামত তেওঁ হাত দিয়ে, তেওঁৰ ভাষাতে ক'বলৈ গ'লে 'নলগা জেঙাত লাগি ফুৰে'। অথচ সকলোতে তেওঁৰ নিপুণ হাতৰ পৰিচয় দিয়ে। তেওঁৰ ওপৰত এটা গধুৰ কামৰ দায়িত্ব দিয়ক; দেখিব সি যেনে তেনে হৈ উঠিছে। ইয়াৰ মূলতে আছে তেওঁৰ গভীৰ দায়িত্ববোধ, নিষ্ঠা, কৰ্ম-কুশলতা আৰু লিকটীয়াকৈ লাগি থাকিব পৰা গুণ। এটা ডাঙৰ কামত তেওঁ যি গুৰুত্ব দিয়ে সৰু কাম এটাতো তেওঁ সমানেই গুৰুত্ব দিয়ে। তাহানি ডক্টৰ সূৰ্যকুমাৰ ভূঞাই এআষাৰ কথা শিকাইছিল, A little thing is a little thing, but faithfulness to a little little thing is a great thing. এই কথাষাৰৰ তাৎপৰ্য নেওগৰ গাতে খাটে। নেওগে কোনো কামত হাত দি বিফল হোৱা দেখা নাই, সি লাগে গৱেষণাৰ কামেই হওক, কিম্বা সংগঠনৰ কামেই হওক, অথবা অন্য কিবা কামেই হওক। ইয়াৰ মূল কাৰণ হ'ল তেওঁ যি কামতে লাগে তাতে পূৰ্ণ-হতীয়াকৈ লাগি যায় অথবা নেওগৰ এজন বন্ধুৱে ক'বৰ দৰে বাঘে ধৰা দি ধৰে। যি কোনো টান কামত এনে ভাৱে নালাগিলে নিশ্চিত ফললাভৰ আশা কৰা টান।

এলাহ আৰু ভাগৰ বোলা বস্তু দুটাৰ লগত নেওগৰ পৰিচয় আছে নে নাই, মোৰ সন্দেহ। দিনে যোল-সোতৰ ঘণ্টাকৈ কাম কৰিও ভাগৰি নপৰা মানুহ তেওঁ। তেওঁৰ লগত কাম কৰাবিলাকৰ

হাৰাশাস্তি হয়। আমাৰ লেথীয়া কেইঘন্টামান কাম কৰিলেই কামৰপৰা মনটো উফৰি উফৰি অহাবিলাকৰ অৱস্থা পুতৌ লগা হয়। এলাহ কৰি কাম নকৰাকৈ বহি-শুই থকা মই তেওঁক দেখা নাই। তেওঁ নিজেই প্ৰায়ে গাই থকা 'উলাহে নিচিনে এলাহ, কামে নাজানে ভাগৰ'—এয়ে তেওঁৰ কৰ্মবানী।

নেওগৰ পত্নী, এটি পুত্ৰ আৰু তিনিটি কন্যাৰে ছজনীয়া এটি সৰু পৰিয়াল। বৰকন্যা মধুমালতীক ইতিপূৰ্বে উলিয়াই দি তেওঁ দুটি নাতিৰ ককা হৈছে। পুত্ৰ প্ৰণৱস্বৰূপ ঔষধ ব্যৱসায়ত। নুমলীয়া কন্যা স্নিগ্ধমালতী আৰু নৱমালতী দুয়ো বৰ্তমান এম্.এ. শ্ৰেণীত ইংৰাজী বিষয়ৰ ছাত্ৰী।

শোৱা-উঠা বিষয়ত নেওগৰ অভ্যাস সোনকালে শুই সোনকালে উঠা। ছাত্ৰ অৱস্থাত শোৱা-উঠাত মানুহৰ বিশেষ নিয়ম নাথাকে। কোনোৱে আৰ্লি টু বেড এণ্ড্ আৰ্লি টু ৰাইজ্ কৰে; কোনোৱে আকৌ গোটেই ৰাতি পঢ়ি পুৱা বেলিলৈকে শোৱে। পদ্মনাথ গোহাঞি বৰুৱাই পিছৰ জীৱনতো বুঢ়া বয়সলৈকে ৰাতি চাৰি বজালৈ লিখা-পঢ়া কৰি পুৱা দহমানলৈকে শুইছিল। ডক্টৰ নেওগৰ ৰাতি ন-দহ মানত শুই পুৱা সোনকালে উঠাৰ নিয়ম। পুৱা বেলাতে তেওঁ বেছিভাগ গধুৰ কাম কৰে। দহ বজাৰপৰা দুই তিনি বজালৈ ডিপাৰ্টমেণ্টত থাকে। তাৰ পিছত ৰাতি আঠ-ন বজালৈ তেওঁ ক'ত কিহৰ কামত ঘূৰি ফুৰে কোনে খবৰ ৰাখিব পাৰে? বাহিৰত কাম নাথাকিলে ঘৰতে লিখা-পঢ়াত ব্যস্ত থাকে। গৰমকালি নেওগে জালুকবৰীয়া মহৰ কামোৰলৈকো ভ্ৰূক্ষেপ নকৰি জহত প্ৰায় উদং গাৰে অধ্যয়নৰ কামত লাগি থাকে। নেওগে কেইবছৰমান এটা মূৰৰ বিষত ভুগিছিল। কিন্তু সেই বিষে তেওঁক কোনো দিনেই অধ্যয়নৰ কামত বাধা দিব নোৱাৰিলে। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই ক'বৰ দৰে "নেওগে কামৰ সময়ত বিষটো মূৰৰপৰা আঁতৰাই থৈ লয়।"

নেওগৰ কাম অতি পৰিপাটি, শৃঙ্খলাবদ্ধ আৰু নিখুঁত। ঘৰে-বাহিৰে সকলো কামতে তেওঁৰ এই গুণ দেখা যায়। এইটো গুণ ডক্টৰ সুৰ্যকুমাৰ ভূঞা আৰু ডক্টৰ নেওগ—এই দুজন মানুহৰ গাতেই মই দেখা পাইছো। কিন্তু ডক্টৰ ভূঞাৰ দৰে নেওগৰ দৈনন্দিন জীৱন সিমান নিয়মানুৱৰ্তী নহয়। তাৰ কাৰণ তেওঁ এনে কিছুমান কামত ঘূৰি ফুৰে বা ঘূৰি ফুৰিব লগা হয় যে দৈনন্দিন জীৱনত নিয়মানুৱৰ্তিতা ৰক্ষা কৰা তেওঁৰ পক্ষে কোনো ৰকমেই সম্ভৱ নহয়। অধ্যয়ন-গৱেষণাত লিপ্ত কম পণ্ডিতেই বোধ কৰোঁ তেওঁৰ দৰে ভ্ৰমণ কৰে। অধ্যাপক হাজৰিকাই ক'বৰ দৰে "আমি যেনেকৈ ফাঁচী বজাৰলৈ যাওঁ, নেওগ তেনেকৈ দিল্লীলৈ যায়।" মাহেকত কেতিয়াবা তিনি চাৰিবাৰ নেওগ অসমৰ বাহিৰলৈ যায়। ভ্ৰমণৰ সময়ত প্লেন বা মটৰতো তেওঁ কিতাপ লিখা বা প্ৰুফ চোৱা কাম কৰি থাকে।

অধ্যয়ন-অধ্যাপনা, চৰ্চা-গৱেষণা আদিত ইমান ব্যস্ত যদিও তেওঁ প্ৰায়বোৰ উৎসৱ-অনুষ্ঠান, সভা-সমিতিতে যোগ দিয়া দেখা যায়। কোনোবা বন্ধু বা আত্মীয়-স্বজনৰ ঘৰত বিয়া, নেওগে যেনে তেনে পাক এটা মাৰিছেগৈ। কাৰোবাৰ অসুখৰ খবৰ পাইছে, নেওগ ওলাইছেগৈ। গভীৰ অধ্যয়ন আৰু কৰ্মব্যস্ততাৰ মাজত এইদৰে সামাজিক সংযোগ ৰাখি চলিবলৈ তেওঁ ক'ৰপৰা সময় উলিয়ায়, ভাবিলে বিস্ময় মানিব লাগে। তেওঁ সময়ক হাতৰ মুঠিত ৰাখি চলিব জানে।

নেওগৰ এখন ফিয়েট গাড়ী আছে। তাতে উঠি তেওঁ টাকুৰি ঘূৰাদি ঘূৰি কাম কৰি ফুৰে। কেইবছৰমানৰ আগতে এদিন আমাৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ৱেঙ্কট ৰাওক কৈছিলো, "আপুনি পুৰণা চাইকেলখনকে কিমান টানি থাকে? গাড়ী এখনকে ল'ব পাৰে দেখোন। এখন কিনি নলয় কিয়?" তেওঁ মোক উত্তৰত কৈছিল, "A car is necessary only to save time. In my case it will harm me rather than help." তেওঁ ঠিক কথাই কৈছিল। কিন্তু ডক্টৰ নেওগৰ ক্ষেত্ৰত গাড়ীখন তেওঁৰ ডাঙৰ সহায়। তাৰ সহায়েৰেই তেওঁ বিশেষকৈ গুৱাহাটীৰ বিভিন্ন অনুষ্ঠানৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখি চলিব পাৰিছে। সম্পূৰ্ণ প্ৰয়োজনৰ খাটিৰতে তেওঁ গাড়ী চলায়। গাড়ী তেওঁৰ কাৰণে বিলাসিতাৰ সামগ্ৰী মুঠেই নহয়। তেওঁ নিজেই গাড়ী চলায় আৰু সময়ৰ আগ চুলিত ধৰি কাম কৰি ফুৰে। সময়ৰ মিতব্যয়িতাৰ কাৰণে গাড়ীও চলায় দ্ৰুত গতিৰে। এদিন তেওঁৰ লগত গাড়ীত গৈ থাকোঁতে কৈছিলো, "আপুনি বৰ স্পিডত গাড়ী চলায়, ছাৰ।" তেওঁ খালি কৈছিল "গাড়ী স্পিডৰ কাৰণেই।" জাৰকালি পুৱা নেওগে অকলে গাড়ীখন গেৰেজৰপৰা ঠেলি নি ব'দত উলিয়াই থয়। তেতিয়া যাবৰ সময়ত ইঞ্জিনে অসুবিধা নকৰে।

ছাত্ৰ-ছাত্ৰীৰ প্ৰতি নেওগ বৰ সহানুভূতিশীল। অধ্যয়ন-গৱেষণা আৰু নানাপ্ৰকাৰ কৰ্মব্যস্ততাৰ মাজতো ল'ৰা-ছোৱালীৰ পিক্‌নিক্ পাৰ্টি আদিত যোগ দিবলৈ তেওঁ যেনে তেনে সময় উলিয়ায় আৰু তেওঁলোকৰ লগত ৰং-ৰহইচ কৰি সদায় উদগনি দিয়ে। অমনোযোগী আৰু উচ্ছৃঙ্খল ছাত্ৰৰ প্ৰতি তেওঁ যেনে কঠোৰ প্ৰকৃত গুণী আৰু প্ৰতিভাশালী ছাত্ৰৰ প্ৰতি তেওঁ তেনে উদাৰ আৰু স্নেহশীল। তেওঁৰ গুণমুগ্ধ আৰু তেওঁক প্ৰাণ-ভৰি ভাল পোৱা ছাত্ৰও বহুত আছে। সেইসকলেই তেওঁৰ জীৱনৰ ডাঙৰ সম্বল। নেওগৰ গুৰু আছিল ডক্টৰ বাণীকান্ত কাকতি। কাকতিৰ কথা তেওঁ বহুত ঠাইত শ্ৰদ্ধাৰে সুঁৱৰিছে। ডক্টৰ নেওগৰ শিশু-প্ৰীতি এটা মন কৰিব লগীয়া গুণ। শিশুৰ কাৰণে তেওঁ 'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ'ৰ লেখীয়া সাধুকথাৰ পুথিও লিখিছে। শিশুৰ উপযোগীকৈ লিখা 'মিস্টাৰ বৰটোকোলা' আদি কবিতা বৰ আমোদজনক। কণ কণ ল'ৰা-ছোৱালীৰ লগত সিহঁতৰ সৈতে এক হৈ ধেমালি কৰা দেখিলে সেইজনেই পণ্ডিত নেওগজন বুলি ভাবিবলৈকে টান

লাগে। সেইবুলি নেওগে যাকে তাকে সহজে প্ৰশ্ৰয় নিদিয়ে। তেওঁ সহজে মানুহ চিনিব পাৰে। আন্তৰিকতাবিহীন আৰু শঠ লোকক তেওঁ প্ৰশ্ৰয় নিদিয়ে। সেই কাৰণে কোনো কোনোৱে তেওঁক বেয়াও পায়।

কিন্তু মানুহে ভাল পোৱা বেয়া পোৱালৈ তেওঁ বৰ বেছি ভ্ৰূক্ষেপ নকৰে। জনপ্ৰিয়তা ৰাজনৈতিক নেতাৰহে বাঞ্ছনীয়। সাহিত্য-সাধনাত অধিক জনপ্ৰিয়তাই বাধাৰহে সৃষ্টি কৰে। অধিক জনপ্ৰিয়তালৈ আওকাণ কৰিয়েই ডক্টৰ কাকতি, ডক্টৰ বৰুৱা আদিয়ে সাহিত্য-সাধনা কৰিছিল আৰু সিমান জনপ্ৰিয় নাছিল বাবেই হয়তো তেওঁলোকৰ দৰে পণ্ডিতকো অসম সাহিত্য সভাই প্ৰাপ্য সম্মানকণো দিব নোৱাৰিলে। তাৰ দ্বাৰা তেওঁলোকৰ একো ক্ষতি হোৱা নাই, হ'ল আমাৰহে। অথচ তেওঁলোকে যি কীৰ্তিসৌধ নিৰ্মাণ কৰি গ'ল সেয়ে তেওঁলোকক চিৰদিন অমৰ কৰি ৰাখিব। জনপ্ৰিয়তা অতি ক্ষণস্থায়ী বস্তু। ডক্টৰ নেওগো হয়তো সিমান জনপ্ৰিয় নহয় আৰু তেনে তৰাং জনপ্ৰিয়তা তেওঁ নিবিচাৰেও। অলপতে এখন দৈনিক বাতৰি কাকতে নেওগৰ সাহিত্য-সাধনাৰ আলোচনা প্ৰসঙ্গত তেওঁৰ বিষয়ে এইবুলি মন্তব্য কৰিছে, "ডক্টৰ নেওগ জননেতা নহয়, জনপ্ৰিয়তাই তেওঁক অক্ষয় নকৰে আৰু তেওঁ যি সৃষ্টিশীল ব্ৰতত ব্ৰতী তাত মানুহৰ ভাল পোৱা অথবা নোপোৱাৰ বৰ বিশেষ মূল্য নাই। সাহিত্যৰ বুৰঞ্জীত কোনো এজন সাহিত্যিক জনপ্ৰিয় বা উদাৰ মনৰ হোৱাৰ বাবেই তেওঁৰ দ্বিতীয় অথবা তৃতীয় শ্ৰেণীৰ ৰচনা প্ৰথম শ্ৰেণীৰ বুলি গ্ৰহণ কৰাৰ নজিৰ দৃষ্টিত নপৰে। কেৱল ডক্টৰ নেওগেই নহয়, যিকোনো সাহিত্যিক তেওঁৰ শ্ৰেষ্ঠ সৃষ্টিৰ বাবেহে বাচি থাকিব।" বহুতো নীৰৱ সাহিত্যিকৰ সাহিত্য-কৰ্মৰ বিষয়ে সমসাময়িক কালৰ মানুহে একো ভু নোপোৱাটোত আচৰিত হ'ব লগীয়াও একো নাই। অলপতে অসম সচিবালয়ত কেইজনমান উচ্চপদস্থ চৰকাৰী বিষয়াৰ আগত এজন সাহিত্যিকে কৈছিল, "এইবাৰ নেওগেই অসম সাহিত্য সভাৰ সভাপতি হ'ব লাগে। তেওঁ কেতিয়াবাই হোৱা উচিত আছিল।" এজন সচিব পৰ্যায়ৰ লোকে তেতিয়া হেনো সুধিছিল, "নেওগে কিবা কিতাপ লিখিছেনেকি?" এই অজ্ঞতাৰ কাৰণে দুৰ্ভগীয়া নেওগ নে সিজন, কোনে ক'ব?

নেওগে যি কোনো ৰচনা লিখি উঠি লগে লগে প্ৰেছলৈ পঠাই দিয়ে; সি পুথিয়েই হওক বা প্ৰবন্ধই হওক। বঙ্কিমচন্দ্ৰই এষাৰ কথা কৈছিল যে যিকোনো ৰচনা হঠাৎ নছপাই কিছুকাল পেলাই থ'ব লাগে। তেতিয়া তাত বহুত ত্ৰুটি ধৰা পৰে আৰু সেইবোৰ সংশোধন কৰিব পাৰি। নেওগে কিতাপ লিখোঁতে বহু সময়ত এছোৱা এছোৱাকৈ লিখি প্ৰেছলৈ পঠাই থাকে। তেওঁৰ পুথি লিখা শেষ হোৱা সময়ত পুথিৰ আধা ছপা হৈয়ে যায়। ফলত আগতে লিখা কথা সলাবৰ প্ৰয়োজন হ'লেও তেতিয়া আৰু সময় নাথাকে। অথচ সেইদৰেই নিলিখিলে তেওঁৰ বহুতো পুথি হয়তো লিখাই নহ'লহেঁতেন। এই বিষয়ত ডক্টৰ সূৰ্যকুমাৰ ভূঞা আছিল সম্পূৰ্ণ বিপৰীত। তেওঁ সকলো পুথিৰ লিখা শেষ কৰি বঢ়িয়াকৈ প্ৰেছ-কপি কৰি বান্ধি-কুন্ধি থৈ দিয়ে। আনকি কিতাপৰ নাম-পত্ৰ, পাতনি আদিও আগতেই লিখি থয়। তেওঁৰ অপ্ৰকাশিত পুথি কেইখন এতিয়াও তেওঁৰ ঘৰত এনেকৈ থৈ দিয়া আছে নিশ্চয়। ভূঞাৰ পৰলোকৰ আগে আগে আটোম-টোকাৰিকৈ থোৱা তেওঁৰ 'স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ' নামৰ বৃহৎ গ্ৰন্থখনৰ প্ৰেছকপিটো মোক দেখুৱাইছিল। তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশন পৰিষদে সেই গ্ৰন্থখন ছপাবলৈ নি প্ৰেছ কপিটোকে হেৰুওৱা বুলি এতিয়া জানি দুখ পাইছোঁ।

নেওগৰ পুথি-প্ৰবন্ধ লিখাৰ পদ্ধতিটোও অলপ বেলেগ ধৰণৰ। তেওঁ যি লিখে তলত কাৰ্বন পেপাৰ দি একেবাৰতে লিখি যায়। বেলেগে কপি কৰাৰ সময় তেওঁৰ নাথাকে। একেবাৰতে লিখিলেও প্ৰায়ে কাট্-কুট্ নোহোৱাকৈ নিৰ্ভুল লিখা দেখা যায়। যোৱা বছৰ

কনকলাল বৰুৱা জন্ম-শতবাৰ্ষিকীৰ বয়েল চাইজৰ কুৰি-পিঠীয়া অভিভাষণখন তেওঁ একে বহাতে লিখি শেষ কৰা দেখি মই বিস্মিত হৈছিলো। ফোনটো নেওগৰ বৰ ডাঙৰ বন্ধু। বহুতো কাম ফোনেৰেই তেওঁ কৰে। আন কি কেতিয়াবা ফোনেৰেই প্ৰবন্ধও পঠায়। এদিন এজন আলোচনীৰ সম্পাদকে প্ৰবন্ধ বিচাৰি ফোন কৰোঁতে লগে লগে এটা চুটি প্ৰবন্ধ তৈয়াৰ কৰি ফোনতেই ডিক্টেট কৰি পঠাই দিয়া দেখিছিলো। এজন লেখক-পাঠকৰ প্ৰয়োজনীয় সকলো বস্তু যেনে—ৰবৰ, কটাৰি, আলপিন্‌, ক্লিপ, ব্লটিং, বিন্ধনা, টেগ, আঠাৰ বটল, বেজি-সূতা আদি সততে তেওঁৰ হাতত মজুত থাকে আৰু লাগ বুলিলেই উলিয়াই দিব পাৰে।

নেওগ একাধাৰে এজন পণ্ডিত আৰু সংগঠক। অথচ দুয়োটা বস্তু প্ৰায় বিপৰীতমুখী। কিন্তু নেওগৰ ক্ষেত্ৰত ইহঁত দুয়োটাৰে আচৰিত সমন্বয় ঘটিছে। এই সংগঠন-ক্ষমতাৰ প্ৰমাণ তেওঁ পৰিচালনা কৰা যি কোনো অনুষ্ঠানতেই পোৱা যায়—সি লাগিলে আন্তঃবিশ্ববিদ্যালয় যুৱ-উৎসৱেই হওক, অসম সাহিত্য-সভাই হওক, সৰ্বভাৰতীয় প্ৰাচ্য-বিদ্যাসম্মিলনেই হওক, কিম্বা বেজবৰুৱা-গোহাঞি বৰুৱা-কনকলাল বৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱেই হওক।

ডক্টৰ নেওগ এজন সুনিপুণ বক্তাও। ইংৰাজী, অসমীয়া আৰু বঙলা ভাষাত তেওঁ সলসলীয়াকৈ বক্তৃতা দিব পাৰে। তেওঁৰ বক্তৃতাত ৰাজনৈতিক নেতাৰ ফুল-জাৰি মৰা কথা নাই। ই নিৰহ-নিপানী, পৰিপাটি আৰু পাণ্ডিত্যপূৰ্ণ। ৰসিকতাৰ অভাৱ নহ'লেও ৰসিকতাই তেওঁৰ বক্তৃতাত কেতিয়াও প্ৰাধান্য লাভ নকৰে। সাধাৰণ কথা-বতৰাত কিন্তু নেওগৰ হাস্য-কৌতুক বেচ উপভোগ্য হয়।

ইংৰাজী, সংস্কৃত, হিন্দী, বঙলা, অসমীয়া এই আটাইকেইটা ভাষাৰ ওপৰত তেওঁৰ সমানে দখল আছে। অনুবাদ আৰু টীকা-ভাষ্য নোহোৱাকৈ তেওঁ সংস্কৃত গ্ৰন্থ পঢ়িব পাৰে আৰু ইতিমধ্যে তেওঁ কেইবাখনো সংস্কৃত গ্ৰন্থ সম্পাদনা কৰি উলিয়াইছে। অসমৰ

বাহিৰৰ বহুতো পণ্ডিতে তেওঁক সংস্কৃতৰ অধ্যাপক বুলিহে এতিয়াও জানে। সংস্কৃতৰ এই জ্ঞানে তেওঁৰ বিভিন্ন গৱেষণাকাৰ্যত প্ৰভূত সহায় কৰিছে। দৰাচলতে প্ৰাচ্যতত্ত্বৰ অধ্যয়ন আৰু গৱেষণাকাৰী—যি কোনো পণ্ডিতৰ কাৰণেই সংস্কৃতৰ জ্ঞান একান্ত অপৰিহাৰ্য। নেওগৰ সৰ্বভাৰতীয় প্ৰতিষ্ঠাৰ আন এটা প্ৰধান কাৰণ হ'ল ইংৰাজী ভাষাত তেওঁৰ অসাধাৰণ দখল। ইংৰাজী ভাষাত তেওঁ সমান দক্ষতাৰে ক'ব আৰু কলম চলাব পাৰে। এই গুণৰ অভাৱে অসমৰ বহুতো পণ্ডিতৰ সৰ্বভাৰতীয় প্ৰতিষ্ঠা লাভত অন্তৰায় হৈ আহিছে। নেওগৰ এটা নিজস্ব পুথি ভঁৰাল আছে। বিভিন্ন বিষয়ৰ বাচকবনীয়া গ্ৰন্থেৰে বহু হাজাৰ টকাৰ এই পুথি ভঁৰালটি এটি আপুকগীয়া বস্তু।

সাহিত্য সম্বন্ধে নেওগৰ কেইটামান মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে "সাহিত্যৰ কোনো জাত নাই। অসমীয়া, বঙলা, হিন্দী, ইংৰাজী আদি বেলেগ বেলেগ সাহিত্য নহয়। সাহিত্যৰ তেনে বিভাজন আচলতে থাকিব নোৱাৰে। ভাষাৰূপ প্ৰকাশৰ মাধ্যম-টোহে বেলেগ, সাহিত্য একেটাই। সাহিত্যৰ বিষয়বস্তু এটাই—সেয়ে হৈছে মানৱ।" তেওঁ আকৌ কৈছে, "বিশ্ব-সাহিত্য বুলিও বেলেগ কোনো বস্তু নাই। মানবৰ সুখ-দুখ, হাঁহি-অশ্ৰু, আবেগ-অনুভূতি য'ত সুন্দৰভাৱে মূৰ্ত হয়, সেয়ে বিশ্ব-সাহিত্য। সি যি কোনো ভাষাতে হ'ব পাৰে। তেনে গুণ-বিশিষ্ট যি কোনো সাহিত্যই বিশ্বসাহিত্য। ব্যক্তিগত ভাৱাবেগৰ প্ৰকাশে যেতিয়া সৰ্বজনৰ প্ৰতিনিধিত্ব কৰে, সাৰ্বজনীন ৰূপ লয়, সেয়ে বিশ্বসাহিত্য।"

ডক্টৰ নেওগ এজন গভীৰভাৱে জাতীয়তাবাদী পণ্ডিত। নিজৰ দেশ, নিজৰ ভাষা-সাহিত্য-সংস্কৃতিক গভীৰভাৱে ভাল পোৱাৰ নমুনা অসমৰ ভাষা সমস্যা, সীমান্তৰ শিক্ষা-নীতি আদিৰ হকে যুঁজোঁতে, অসমৰ নৃত্য-গীতক সৰ্বভাৰতীয় স্বীকৃতি দিবলৈ কৰা প্ৰচেষ্টাত দেখা পোৱা যায়। মন কৰিব লগীয়া যে তেওঁ লিখা

সকলোবোৰ গৱেষণামূলক পুথি-প্ৰবন্ধ কেৱল অসমক লৈয়ে লিখিছে। ইয়াৰ মূলতে আছে অসমক বিশ্বৰ দৰবাৰত মহান কৰি তোলাৰ হেপাহ। জাতীয়তাবাদী হ'লেও নেওগ উগ্ৰ জাতীয়তাবাদী নহয়। অসমৰ বাহিৰলৈ গ'লে তেওঁ নিজকে এজন ভাৰতীয় বুলিয়ে ভাবে। আন কি অলপতে তেওঁ ইউৰোপলৈ যাওঁতে বুডাপেষ্টৰ ডানিয়ুবৰ পাৰত লিখা 'Pranams to the Danube' কবিতাৰ 'On this one earth of ours, below this one sky of ours' কথাফাকিৰ মাজেদি তেওঁৰ বিশ্বপ্ৰেমৰ চিনাকিহে পোৱা যায়। কেইবাটাও কবিতা বিদেশত লিখা যদিও এইবোৰ কবিতাৰ মাজেদি ঘৰৰ কাৰণে হা-হুমুনিয়া কঢ়া মনোভাৱৰপৰা তেওঁ সম্পূৰ্ণ উৰ্ধ্বত। *Under One Sky* শীৰ্ষক এই কবিতা গ্ৰন্থত সন্নিৱিষ্ট কবিতাকেইটিৰ মাজেদি ডক্টৰ নেওগৰ অন্তৰত সদাজাগ্ৰত বিশ্বভ্ৰাতৃত্বৰ ভাব প্ৰকট হৈ উঠিছে।

পুনশ্চ

ডক্টৰ মহেশ্বৰ নেওগৰ দ্বাৰা সংকলিত আৰু সম্পাদিত আৰু অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল" আৰু "প্ৰাচ্য-শাসনাৱলী"—এই মহৎ গ্ৰন্থ দুখনিৰ কথা ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে। প্ৰথমখন গ্ৰন্থত সন্নিৱিষ্ট নেওগৰ প্ৰায় ডেৰ-শ পিঠিয়া ভূমিকাখিনি স্বতন্ত্ৰ গ্ৰন্থৰূপেও প্ৰকাশ পাইছে। অতি মনোৰমকৈ কাপোৰেৰে সম্পূৰ্ণ পকাবন্ধা ৰয়েল অক্টেভো ছাইজৰ এই বৃহৎ গ্ৰন্থ দুখনি ছপা-বন্ধা সকলো ফালৰ-পৰা উৎকৃষ্ট হৈছে। প্ৰথমখন গ্ৰন্থত ষোলখন আৰ্ট প্লেটত ১১৪টি বিভিন্ন ভঙ্গীৰ চিত্ৰ আৰু দ্বিতীয়খনত কুৰিখন আৰ্ট প্লেটত দুকুৰিৰো ওপৰ তাম্ৰলিপি আৰু শিলালিপিৰ চিত্ৰ সন্নিৱিষ্ট হৈছে। অধ্যাপক নেওগৰ সুদীৰ্ঘকালৰ চৰ্চা আৰু গৱেষণাৰ পৰিণতি এই গ্ৰন্থ দুখনে প্ৰাচ্যতত্ত্বৰ পণ্ডিত হিছাপে তেওঁক বিশিষ্ট আসন দিব। যোৱা ৮ জানুৱাৰী ১৯৭৪ তাৰিখে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমৰ ৰাজ্যপাল শ্ৰীলালন প্ৰসাদ সিঙে এই গ্ৰন্থ দুখনি উন্মোচন কৰে। ভাষণ প্ৰসঙ্গত শ্ৰীসিঙে কয় যে পাণ্ডিত্য-পূৰ্ণ এই গ্ৰন্থ দুখনে পাঠকক আনন্দ আৰু বহুমূলীয়া তথ্যৰ যোগান ধৰিব পাৰিব। "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল" সম্পৰ্কে মন্তব্য কৰি তেওঁ কয়,—

"*The Sattrīyā Dances of Assam and Their Rhythms* is a work of fine and loving scholarship, for which the Bargit Research Committee of Asam Sangeet Natak Akademi, Dr Neog, under whose guidance the work has been prepared, and Shri Keshav

Changkakati, who has prepared the notations, deserve highest praise. It is a fascinating book too, and I am sure people all over India, and scholars of Indian religion, music, and the other performing arts abroad, will find it a source of both enlightenment and enjoyment. Sculpture and dance—both three-dimensional—have, to my mind, been the most remarkable expressions of India's artistic genius. And I believe that this book will lead to a wide-spread recognition and appreciation, and eventually to propagation of the classical and semi-classical dances of Assam, about which there has so far been inadequate awareness in other parts of India." নেওগৰ আনখনি গ্ৰন্থ "প্ৰাচ্য-শাসনাৱলী" সম্পৰ্কে তেওঁ অন্যান্য কথাৰ লগতে কৈছে, "The other publication I have released this evening, the *Prāchya-śāsanāvalī*, too is a work of fine scholarship, and one that would be of immense value and interest to scholars and students not only of Assam's history, but of Indian history and culture generally. It brings together in a well-conceived frame selected epigraphical material relating to some 600 years of Assam's history; and the excellent interpretative introduction written by Dr Neog enables one to have a better understanding of the material that has been presented. In the reconstruction of our earlier history, epigraphical material has often been of crucial importance; and I believe it will be even more so in future as other works of the kind we have today in the *Prāchya-śāsanāvalī* are produced."

অনুষ্ঠানত মুখ্য অতিথিৰূপে যোগ দিয়া কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰাচ্য ভাৰতীয় ইতিহাস আৰু সংস্কৃতিৰ কাৰমাইকেল প্ৰাধ্যাপক ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে তেওঁৰ দীঘলীয়া ভাষণত গ্ৰন্থ দুখনৰ গুৰুত্ব ব্যাখ্যা কৰে আৰু ইয়াৰ সম্পাদনা কৰা অধ্যাপক নেওগৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে, ভাৰতৰ প্ৰাচীন লিপি-সম্পৰ্কীয় গৱেষণাত ইউৰোপীয়, বিশেষকৈ জাৰ্মান পণ্ডিতসকলে অবিস্মৰণীয়

বৰঙণি আগ বঢ়াইছে। এই ক্ষেত্ৰত ভাৰতীয় পণ্ডিতৰ দান অতি নগণ্য। আঙুলিৰ মূৰত লেখিবপৰা যি কেইজন ভাৰতীয়ই প্ৰাচীন লিপিৰ গৱেষণা কৰিছে, তেওঁলোকৰ ভিতৰত ডক্টৰ নেওগৰ স্থান নিঃসন্দেহে আগ শাৰীত বুলি তেওঁ মন্তব্য কৰে।

অসম প্ৰকাশন পৰিষদৰ সভাপতি আৰু অসমৰ শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰে গ্ৰন্থ দুখনিৰ উচ্চ প্ৰশংসা কৰি তেওঁৰ সভাপতিৰ ভাষণত কয়, "অসমৰ সুদীৰ্ঘ সাংস্কৃতিক ইতিহাসৰ আজি এক স্মৰণীয় দিন : যি দুখন আপুৰুগীয়া গ্ৰন্থ আজি আমাৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা উন্মোচিত হ'ল, সেই দুখন গ্ৰন্থ আমাৰ ৰাজ্যৰ প্ৰাচীন ইতিহাস আৰু প্ৰায় বিলুপ্ত হ'বলৈ ধৰা সাংস্কৃতিক ঐতিহ্যৰ পুনৰুদ্ধাৰৰ অৰ্থে এক ডাঙৰ প্ৰচেষ্টা বুলি ক'ব লাগিব। 'প্ৰাচ্য-শাসনাৱলী' আৰু 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল'—এই গ্ৰন্থ দুখনি যদিও বিষয়বস্তুৰ দৃষ্টিৰপৰা বেলেগ, কিন্তু দুয়োখন গ্ৰন্থৰে মূল উদ্দেশ্য একে : অসমৰ গৌৰৱমণ্ডিত অতীতৰ পুনৰাৱিষ্কাৰ আৰু পুনৰুদ্ধাৰ। 'প্ৰাচ্য-শাসনাৱলী'ত মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদৰ 'কামৰূপ-শাসনাৱলী'ৰ আৰিহৰে পুষ্যবৰ্মা আৰু ধৰ্মপাল বংশৰ ৰজাসকলৰ ৰাজত্বৰ অৱসানৰ পিছৰ যুগৰ তাম্ৰশাসন আৰু অন্যান্য লেখাসমূহ সংগ্ৰহ কৰা হৈছে। ১১২৭ শকত মহম্মদ-ইৱন-বখতিয়াৰৰ যৱন সৈন্য ধ্বংস হোৱাৰ কথাৰে উত্তৰ গুৱাহাটীৰ কানাই-বৰশী-বোৱা শিলৰপৰা চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে আইভেটি-নসত্ৰৰ বাবে ১৭৪৪ শকত দান কৰা ধৰ্মোত্তৰ পত্ৰলৈকে এক বিশদ ইতিহাস এই বৃহৎ গ্ৰন্থখনিত সন্নিৱিষ্ট হৈছে। অসম, কামৰূপ, কোচবেহাৰৰ উপৰিও হেড়ম্ব, জয়ন্তীয়া আদিৰ শাসনাৱলীই ইয়াত সন্নিৱিষ্ট আছে। এইবোৰত ঐক্যদান কৰা গুণটো হ'ল—এই-বোৰ ফলি আৰু কাকতৰ লিপি অসমীয়া।

"প্ৰত্নতাত্ত্বিক গৱেষণাৰ বাবে আমাৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণৰ উপাদান বিক্ষিপ্তভাৱে আছে। কিন্তু এইবোৰ সমল

সংগ্ৰহ কৰা আৰু গৱেষণাৰ অধ্যয়নৰ বাবে সেইবোৰৰ প্ৰকৃত সংৰক্ষণৰ ব্যৱস্থা ভালদৰে আমি এতিয়াও কৰিবপৰা নাই। পৰম আনন্দৰ কথা, ডক্টৰ মহেশ্বৰ নেওগে এই গ্ৰন্থত প্ৰত্নতাত্ত্বিকৰ অধ্যয়নৰ আৰু অনুসন্ধানৰ সমল দ্বাদশ শতিকাৰপৰা অষ্টাদশ শতিকালৈকে বিস্তৃত কালছোৱাৰ তাম্ৰ আৰু প্ৰস্তৰ লিপিৰ সংকলন কৰি সেইবোৰৰ ব্যাখ্যাৰ যোগেদি সেই কালৰ বহুতো ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বিচাৰ-ব্যৱস্থা আৰু ধৰ্মীয় নীতিৰ বিষয়ে মূল্যৱান তথ্য-পাতি আহৰণ কৰিব পাৰিছে। এইবোৰ প্ৰস্তৰ আৰু তাম্ৰ-শাসনৰ উদ্ধাৰৰ অৰ্থে অসমৰ কেইগৰাকীমান স্বনামধন্য ব্যক্তি, যেনে—সোণাৰাম চৌধুৰী, হেমচন্দ্ৰ গোস্বামী, ডক্টৰ সূৰ্যকুমাৰ ভূঞা আদিয়ে পথ-প্ৰদৰ্শকৰ দৰে কাম কৰি গৈছে। এতিয়া ডক্টৰ মহেশ্বৰ নেওগে এই শাসনাৱলী যুগুত কৰি আৰু সুসম্পাদনা কৰি গ্ৰন্থাকাৰত আমাৰ প্ৰকাশন পৰিষদৰ যোগেদি প্ৰকাশ কৰাত আমি তেখেতৰ শলাগ লৈছোঁ। এই গ্ৰন্থৰ মাজত গৱেষণাৰ বাবে অত্যাৱশ্যকীয় ধৈৰ্য আৰু অনুসন্ধিৎসা, ধীশক্তি আৰু মনোবলৰ পৰিচয় আমি পাম। ডক্টৰ নেওগে এই গ্ৰন্থত শাসনাৱলীৰ পাঠোদ্ধাৰৰ ক্ষেত্ৰত ভালেমান সমস্যাৰ পাতনি মেলিছে। সেইবোৰ বিষয় লৈ আমাৰ মাজৰে আন আন চিন্তাশীল অধ্যাপক আৰু গৱেষকৰ দৃষ্টি আমি আকৰ্ষণ কৰিলো। এনে কামৰ দ্বাৰাহে আমি আমাৰ জাতীয় বুৰঞ্জীৰ বহুতো অনাৱিষ্কৃত তথ্য আৰু সমল উদ্ধাৰ কৰি কেৱল অসমৰ মাজতে নহয়, ভাৰত তথা বিশ্বৰ আগত আমাৰ জাতীয় গৌৰৱৰ পুনঃপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ম।

"আমাৰ বিচিত্ৰ আৰু অতি সমৃদ্ধ সংস্কৃতিৰ অন্য এক গৌৰৱময় দিশ হ'ল নৃত্য আৰু সঙ্গীত। এতিয়ালৈকে ভাৰতবৰ্ষৰ বহল সমাজত অসমৰ এক-সংখ্যক লোক-নৃত্য আৰু গীতে সামান্যভাৱে সমাদৰ পাইছে। কিন্তু অসমৰ নৃত্য-কলাত যে ক্লাছিক্ নাইবা ধ্ৰুপদী ৰীতিৰ উচ্চ পৰ্য্যায়ৰ কিছুমান ৰীতিও এসময়ত মহাপুৰুষ শঙ্কৰদেৱৰ

দিনত বিকশিত হৈছিল আৰু এতিয়াও তাৰ অস্তিত্ব বিলোপ হোৱা নাই, এই কথা কেৱল ভাৰতৰে নহয় আমাৰ ৰাজ্যৰো বহুতে নাজানে। এইবোৰ নৃত্য-ৰীতিৰ ভিতৰত আমাৰ সত্ৰসমূহক কেন্দ্ৰ কৰি গঢ় লোৱা সত্ৰীয়া নৃত্য বিশেষভাৱে উল্লেখযোগ্য। ডক্টৰ নেওগে এই বিষয়ে সত্ৰসমূহত সুদীৰ্ঘকাল ধৈৰ্যৰে অনুসন্ধান কৰি আজিৰ প্ৰামাণ্য "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল" গ্ৰন্থখনি যুগুত কৰিছে। গ্ৰন্থখনিৰ এক মূল্যৱান অংশ হ'ল শ্ৰীকেশৱ চাংকাকতি বাদ্য-বিশাৰদে যুগুত কৰা সত্ৰীয়া আৰু দেৱদাসী নৃত্যৰ তাললিপিসমূহ। এনে ধৰণে অসমৰ এই ধ্ৰুপদী পৰম্পৰাৰ নৃত্যৰ বিষয়ে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বৰ্ণনা আৰু তাললিপি যুগুতোৱাৰ প্ৰচেষ্টা এয়ে প্ৰথম। গ্ৰন্থখনিৰ মূল্যৱান ভূমিকাৰপৰা গুণীজন উপকৃত হ'ব।"

ডক্টৰ নেওগৰ সৰু-বৰ ভাল-বেয়া কিতাপ-ফলিৰ হিছাপ-কিতাপ

মূল অসমীয়া ইংৰাজী গ্ৰন্থ

নিজৰা-লগৰী ১৯৩৯

শ্ৰীশ্ৰীশঙ্কৰদেৱ ১৯৪৮

ডাবৰৰ সিপাৰে ধুনীয়া দেশ ১৯৪৮

ঋতু-স্বৰ ১৯৪৮ (ৰচনা ১৯৩৫), নাটিকা

Śaṅkaradeva and His Predecessors ১৯৫৩

পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি ১৯৫৭

অসমীয়া গীতি-সাহিত্য ১৯৫৮

* স্বৰৰেখাত বৰগীত ১৯৫৮

The Art of Painting in Assam ১৯৬০

অসমীয়া প্ৰেম-গাঁথা ১৯৬১

* *Rhythm in the Vaishnava Music of Assam* ১৯৬২

অসমীয়া সাহিত্যৰ ৰূপৰেখা ১৯৬২

সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি ১৯৬২

In Memoriam ১৯৬৫

Śaṅkaradeva and His Times : History of the Vaiṣṇava Faith and Movement in Assam ১৯৬৫

Śaṅkaradeva ১৯৬৭ (নেচনেল বুক ট্ৰাষ্ট)

আধুনিক অসমীয়া সাহিত্য ১৯৬৭

Technical Sciences and Fine Arts in North-Eastern India ১৯৬৮

চিত্ৰলেখা ১৯৬৮

শঙ্কৰদেৱ (নেচনেল বুক ট্ৰাষ্ট, অনুবাদ ঃ মুকুন্দমাধৱ শৰ্মা) ১৯৬৯

Under One Sky ১৯৭০, কবিতা

* তৰা-চিনীয়া গ্ৰন্থবোৰত আন গ্ৰন্থকাৰৰ সহযোগ আছে।

প্ৰাচ্য-শাসনাৱলী (সংস্কৃত-অসমীয়া-ইংৰাজী) ১৯৭৩

সত্ৰীয়া নৃত্য ১৯৭৩

* সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল (অসমীয়া-ইংৰাজী) ১৯৭৩

মুছাফিৰখানা ১৯৭৪

বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ ১৯৭৪

সংকলিত-সম্পাদিত গ্ৰন্থ

শঙ্কৰদেৱৰ ভক্তি-প্ৰদীপ ১৯৪৫

হিতেশ্বৰ বৰবৰুৱাৰ চকুলো আৰু মালচ ১৯৪৯

ৰামানন্দ দ্বিজৰ শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ ১৯৫১

পীতাম্বৰ কবিৰ উষা-পৰিণয় ১৯৫১

আচাৰ্য্য-সংহতি (সংস্কৃত-অসমীয়া) ১৯৫৩

শুভঙ্কৰ কবিৰ হস্তমুক্তাৱলী (সংস্কৃত), *Journal of the Music Academy* ১৯৫০-৫৭

হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ ১৯৫৪ (অসম সাহিত্য সভা)

দুৰ্গাবৰী গীতি-ৰামায়ণ ১৯৫৪

শঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষা আৰু মাধৱদেৱৰ নামঘোষা ১৯৫৫

ৰমানন্দ দ্বিজৰ গুৰুচৰিত ১ম খণ্ড ১৯৫৭

* হৰিবৰ বিপ্ৰৰ বভ্ৰুবাহনৰ যুদ্ধ আৰু তাম্ৰধ্বজৰ যুদ্ধ ১৯৬০

সঞ্চয়ন (সাহিত্য অকাদমী) ১৯৫৯

ভট্টদেৱৰ ভাগৱত-কথা প্ৰথম স্কন্ধ ১৯৫৯

ভট্টদেৱৰ ভাগৱত-কথা দ্বিতীয়-তৃতীয় স্কন্ধ ১৯৫৯

পৱিত্ৰ অসম ১৯৬০

ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা (অনুবাদ) ১৯৬০

বেণুধৰ ৰাজখোৱাৰ অসমীয়া খণ্ডবাক্য-কোষ ১৯৬১

লক্ষ্মীনাথ বেজবৰুৱাৰ মোৰ জীৱন-সোঁৱৰণ ১৯৬১

দ্বিজ ৰামৰ মৃগাৱতী-চৰিত্ৰ বা চাহাপৰী-উপাখ্যান ১৯৬১

Assam's Language Question ১৯৬৯

বিল্বমঙ্গলৰ কৃষ্ণ-স্তোত্ৰ (সংস্কৃত) ১৯৬২

দেশৰ ডাক (সাহিত্য অকাদমী) ১৯৬২

অসম সাহিত্য সভা বাৰ্ষিকী গোৱালপাৰা ১৯৬২

* সাহিত্য-সমীক্ষা ১৯৬৩

চটাই পৰবত আৰু ছিৰি লুইত ১৯৬৪

শুভঙ্কৰ কবিৰ শ্ৰীহস্তমুক্তাৱলী ১৯৬৪

অসম সাহিত্য সভা বাৰ্ষিকী নাজিৰা ১৯৬৪

অসম সাহিত্য সভা বাৰ্ষিকী ডিগবৈ ১৯৬৫

Prāgjyotiṣa ১৯৬৫

Summaries of Papers, All-India Oriental Conference, Gauhati ১৯৬৬

Proceedings and Transactions of All-India Oriental Conference XXIInd Session, Vol. I ১৯৬৫

* *Professor Birinchi Kumar Barua Commemoration Volume* ১৯৬৫

Proceedings and Transactions, All-India Oriental Conference, XXIInd Session, Vol. II ১৯৬৬

* *Professor Suryyakumar Bhuyan Commemoration Volume* ১৯৬৬

বেজবৰুৱাৰ *Religion of Love and Devotion* ১৯৬৮

বেজবৰুৱাৰ পত্ৰলেখা ১৯৬৮

বেজবৰুৱাৰ দিনলেখা ১৯৬৯

Lakshminath Bezbaroa the Sahityarathi of Assam (গুৱাহাটী বিশ্ববিদ্যালয়) ১৯৭২

কনকলাল বৰুৱাৰ *Studies in the Early History of Assam* ১৯৭৩

ভাৰতীয় অন্য ভাষালৈ অনূদিত গ্ৰন্থ

শঙ্কৰদেৱ (বঙলা : অলোকৰঞ্জন দাশগুপ্ত) ১৯৬৯

শঙ্কৰদেৱ (গুজৰাটী : ভোলাভাই পটেল) ১৯৭১

শঙ্কৰদেৱ (হিন্দী : বাংকে বিহাৰী ভটনাগৰ) ১৯৭১

শঙ্কৰদেৱ (ওড়িয়া : নীলাদ্ৰিভূষণ হৰিচন্দন) ১৯৭৩

সম্পাদিত আলোচনী

The Cottonian (সহকাৰী সম্পাদক) ১৯৩৬-৩৭

জয়ন্তী (ছাত্ৰমহল) ১৯৩৮-৩৯

ৰামধেনু ১৯৪৯-৫০

ঝঙ্কাৰ ১৯৫৩-৫৪, ১৯৫৪-৫৫

Journal of the University of Gauhati ১৯৫৮ৰপৰা বৰ্তমান

প্ৰকাশৰ প্ৰতীক্ষাত গ্ৰন্থ

ভক্তি-গীত-সংকলন (অসম চৰকাৰে ১৯৫১ চনতে চৰকাৰী ছপাশালত কাম আৰম্ভ কৰে)

আৱৰ্তন (নাটক, ১৯৪৩ত লিখা)

Religions of Assam

বৰদোৱা-চৰিত

বৈকুণ্ঠ দ্বিজৰ সন্তমালা

ৰামানন্দ-ৰামগোপালৰ গুৰু-চৰিত, দ্বিতীয় ভাগ

ভাষা-বিপৰ্যয়

যিবোৰ গ্ৰন্থত তেওঁৰ পাতনি আছে

ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ প্ৰাণৰ পৰশ ১৯৫২

শ্ৰীশঙ্কৰ-বাক্যামৃত (ইংৰাজী) ১৯৫৬

শ্ৰীমাধৱ-বাক্যামৃত ১৯৫৮

মাধৱদেৱৰ চোৰধৰা-পিম্পৰাগুচুৱা (বাণীপ্ৰকাশ) ১৯৫৫

নকুলচন্দ্ৰ ভূঞাৰ গল্পৰ শৰাই ১৯৬১

ডক্টৰ ৰজতানন্দ দাশগুপ্তৰ *Eastern Indian Manuscript Painting* ১৯৬৭ (তাৰাপোৰেৱালা, বোম্বাই)

কেশদা মহন্ত-সম্পাদিত বৈষ্ণৱানন্দ লহৰি (সংস্কৃত) ১৯৭১

পদ্মনাথ গোহাঞিবৰুৱা ৰচনাৱলী (প্ৰকাশন পৰিষদ) ১৯৭১

কনকলাল বৰুৱা ৰচনাৱলী (সাহিত্য-সভা) ১৯৭৩

শ্বহীদ নবেন মহন্তৰ কবিতা ১৯৭৩

New Structure of Education (*Gauhati University Teachers' Association*) ১৯৭৩

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাৰ শঙ্কৰোত্তৰ নাট-সংকলন অঙ্কমালা ১৯৭৪

যিবোৰ বিশিষ্ট গ্ৰন্থত তেওঁৰ প্ৰবন্ধ আছে

Aspects of Early Assamese Literature (Gauhati University)
Systems of Indian Writing (Publication Division, Government of India)
Anthology of Indian Literature (National Committee of Gandhi Centenary, সম্পাদক কে. শান্তনম্) ১৯৬৮
Gandhiji in Literature (Mysore University) ১৯৭২
Guru Nanak : A Homage (Sahitya Akademi) ১৯৭৩
This is Assam (Asam Sahitya Sabha)
Cultural Heritage of India (Ramakrishna Institute of Culture), in the press.
Cultural Leaders of India (Publication Division, Government of India) In the press.
Professor S. K. Belvalkar Felicitation Volume, Poona
Professor P. K. Gode Commemoration Volume, Poona
The Heritage of Assam (Indian History Congress Souvenir)
Classical and folk Dances of India (Marg Publications), Bombay
Prāgjyotiṣa (All-India Oriental Conference Souvenir)
বেজবৰুৱাৰ সাহিত্য-প্ৰতিভা (সৱিতা সভা)
ৰঘুনাথ চৌধাৰীৰ সাহিত্য-প্ৰতিভা (সৱিতা সভা)
গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা স্মৃতিগ্ৰন্থ (সোণাৰি সাহিত্য সভা)
লক্ষ্মীনাথ বেজবৰুৱা (প্ৰকাশন পৰিষদ)
পদ্মনাথ গোহাঞিবৰুৱা (প্ৰকাশন পৰিষদ)

যিবোৰ বিশ্বকোষত তেওঁৰ প্ৰবন্ধ আছে

ভাৰত-কোষ (বঙলা)
সংগ্ৰহ-বিজ্ঞান-অক্ষ-কোশমু (তেলুগু)
পঞ্জাবী-সাহিত-কোশ (পঞ্জাবী)
তামিল বিশ্বকোষ

যিবোৰ বিশিষ্ট গৱেষণা বা আন উচ্চাঙ্গৰ আলোচনীত তেওঁৰ প্ৰবন্ধ আছে

The Indian Review, Madras
Journal of the Asiatic Saciety, Calcutta
Journal of Oriental Research, Madras
Journal of the Music Acadamy, Madras
Annals of the Bhandarkar Oriental Research Institute, Poona.
The Poona Orientalist, Poona
The Eastern Anthropologist, Lucknow
Man in India, Ranchi
Indian Historical Quarterly, Calcutta
The Buddhist Yearly, Halle University, GDR
Journal of Ganganath Jha Kendriya Sanskrit Vidyapeeth, Varanasi
भाषा (Central Hindi Directorate) New Delhi.
Marg, Bombay
Indian Literature (Sahitya Akademi) New Delhi
Journal of the Assam Research Society
Journal of the University of Gauhati
Illustrated Weekly of India, Bombay
Assam Quarterly, Gauhati
